Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MAY 10, 2025 ■ শনিবাৰ, ২৬ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৩২ Guwahati, Assam ।। মূল্যঃ এটকা

## ৪০০-ৰো অধিক ড্ৰ'ন-মিছাইলেৰে ৩৬টা স্থানত আক্ৰমণৰ ব্যৰ্থ চেষ্টা

# 'সংযমী' ভাৰতক উচটাই পাকিস্তানে মাতিছে বিনাশ!

■ সীমান্তত নিৰীহক টাৰ্গেট কৰি পাক সেনাৰ গুলীবৰ্ষণ ■ তুৰস্কত নিৰ্মিত এছিছগাৰ্ড ছংগাৰ ড্ৰোন ব্যৱহাৰ কৰি ভাৰতত আঘাত হনাৰ বৃথা চেষ্টা শত্ৰুৰ

নতুন দিল্লী, ৯ মে': সীমান্তৰ সিপাৰৰ পৰা ভাৰতত অগনি জ্বলাবলৈ উঠিপৰি লাগিছে পাকিস্তান। ভাৰতৰ 'অপাৰেচন ৭ পৃষ্ঠাত

## নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ ভুৱা ফেচবুক পেজ চলাই দুষ্টচক্ৰৰ যুদ্ধৰ অপপ্ৰচাৰ



নতুন দিল্লী, ৯ মে': ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালৰ নামত ভাৰতত চলি আছে এটা ফেক ফেচবুক ২ পৃষ্ঠাত



চকুলো... পাক আক্ৰমণত হেৰাল আত্মীয়

### মুখ্যমন্ত্ৰী হিমন্তৰ আহ্বান
## ৰাজ্য চৰকাৰৰ বৰ্ষপূৰ্তি আৰু বিহুৰ কাৰ্যসূচী বাতিল

ই-সংবাদ, ৯ মে': পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় সেনাই যুঁজি থকাৰ সময়তে অসমত নাচ-গানত মত্ত হৈ আছিল একাংশ লোক। ২৫ ব'হাগৰ ২ পৃষ্ঠাত

## সীমান্তত অব্যাহত উত্তেজনা, নিৰাপত্তা সন্দৰ্ভত দিল্লীত বৈঠক গৃহমন্ত্ৰী শ্বাহ-প্ৰতিৰক্ষা মন্ত্ৰীৰ

নতুন দিল্লী, ৯ মে': ভাৰত আৰু পাকিস্তানৰ মাজত বৃদ্ধি পোৱা চৰম উত্তেজনাৰ পিছতে দিল্লীত ইখনৰ পিছত সিখনকৈ গুৰুত্বপূৰ্ণ বৈঠকত ৪ নং পৃষ্ঠাত



## ফিৰোজপুৰত পাকিস্তানী ড্ৰোন!

নতুন দিল্লী, ৯ মে': পুনৰবাৰ পাকিস্তানে ভাৰতক আক্ৰমণৰ প্ৰয়াস কৰে। পাকিস্তানী ড্ৰোনে পঞ্জাৱৰ শেষাংশ ৫ পৃষ্ঠাত

## চাম্বাত ৭ উগ্ৰবাদী নিহত

চাম্বা, ৯ মে': পাকিস্তানৰ বুকু বিন্ধ কৰি ভাৰতে চলোৱা 'অপাৰেচন সেন্দুৰ' ৩ পৃষ্ঠাত

### গুৱাহাটীত 'জয় হিন্দ যাত্ৰা'
## প্ৰতিৰক্ষা পুঁজিলৈ কংগ্ৰেছৰ অনুদান



ই-সংবাদ, ৯ মে': অপাৰেচন সেন্দূৰৰ ফলত দেশত উত্তেজনা অব্যাহত থকাৰ সময়তে আজি কংগ্ৰেছে দেশজুৰি জয়হিন্দ যাত্ৰা উলিয়াই ৪ পৃষ্ঠাত

### মিডিয়ালৈ কঠোৰ নিৰ্দেশনা
## স্পৰ্শকাতৰ তথ্য প্ৰকাশত পুনৰ নিষেধাজ্ঞা কেন্দ্ৰৰ


নতুন দিল্লী, ৯ মে': সীমান্তত বৃদ্ধি পোৱা উত্তেজনাৰ প্ৰেক্ষাপটত প্ৰতিৰক্ষা মন্ত্ৰালয়ে সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তিক কঠোৰ নিৰ্দেশনা ৩ নং পৃষ্ঠাত

### স্থিতি স্পষ্ট আমেৰিকাৰ
## পাক-ভাৰত সংঘাতৰ সৈতে নাই সম্পৰ্ক!

নিউয়ৰ্ক, ৯ মে': ক্ৰমাৎ বৃদ্ধি পাইছে ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধৰ উত্তেজনা। ইয়াৰ মাজতে আমেৰিকাৰ ৫ পৃষ্ঠাত

### ভাৰতৰ প্ৰত্যাঘাতত বেহাল ইছলামাবাদৰ অৰ্থনীতি
## অধিক ঋণ বিচাৰি 'এক্স'তে আবেদন পাকিস্তানৰ!

ই-সংবাদ, ৯ মে': ভাৰতে পাকিস্তানত পেলোৱাৰ পিছতে বেহাল হৈ পৰিল পাকিস্তানৰ আৰ্থিক অৱস্থা। ভাৰতে ক্ষেপণাস্ত্ৰৰে আক্ৰমণ কৰাৰ দুদিন ৫ পৃষ্ঠাত



## এসপ্তাহৰ বাবে আইপিএল স্থগিতৰ সিদ্ধান্ত
### স্থানান্তৰ পিএছএলো

জয়পুৰ, ৯ মে': ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে ২ পৃষ্ঠাত

## ভাৰত নে পাকিস্তান? কাৰ পক্ষত আমেৰিকা?

ই-ফিচাৰ্চ বিশেষ, ৯ মে': দ্বিতীয় মহাসমৰৰ পিছত সমগ্ৰ দেশত দুই মহাশক্তিৰ মাজত আৰম্ভ হৈছিল এক শীতল যুদ্ধ। শীতল যুদ্ধৰ সেই সময়ছোৱাত দুবাৰকৈ যুদ্ধ হৈছিল ভাৰত আৰু পাকিস্তানৰ মাজত। সেই সময়ত কূটনৈতিক দিশে নিৰ্ধাৰণ কৰিছিল ৰাষ্ট্ৰসমূহৰ শক্তি আৰু ভৱিষ্যৎ। শক্তিশালী ৰাষ্ট্ৰৰ লগত থকা সম্পৰ্কই দেখুৱাই

**ইতিহাস সাক্ষী, বাৰে বাৰে পক্ষ সলনি কৰে আমেৰিকাই!**

দিছিল কাৰ হাত কিমান দীঘল। শীতল যুঁজৰ কালছোৱাত ১৯৬৫ আৰু ১৯৭১ চনত হৈছিল ভাৰত পাকিস্তানৰ যুদ্ধ। উল্লেখ কৰাৰ প্ৰয়োজন নাই শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ ভুৱা

একাউণ্ট। যিটো একাউণ্ট যোগে বিগত কেইবাটাও দিন ধৰি ভাৰত-পাকিস্তানৰ মাজৰ যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে ভুৱা খবৰ প্ৰচাৰ কৰি নেটিজেনক বিভ্ৰান্ত কৰিছে। ডোভালৰ নাম আৰু ফটো ব্যৱহাৰ কৰা ক্ৰিয়েট কৰা ফেচবুক একাউণ্টাৰ পৰা অসংখ্য পোষ্ট যোগে দেশবাসীক বিভ্ৰান্ত কৰিছে। কালি পাকিস্তানে জুম্মাৰ নামাজ পঢ়িব নাপাব। ইছলামাবাদ দখল কৰিছে ভাৰতে। পাকিস্তানে ভাৰতক চাইবাৰ আক্ৰমণ কৰিছে, আপোনাৰ মোবাইলত অহা লিংক ক্লিক নকৰিব আদি বিষয়ত অজিত ডোভালৰ নামত থকা ফেচবুক একাউণ্টৰ পৰা নাগৰিকক বিভ্ৰান্ত কৰা হৈছে। বহু লোকে সেই একাউণ্টাৰ পৰা কৰা পোষ্টসমূহ শ্বেয়াৰ কৰি ভাইৰেল কৰিছে। মিথ্যাচাৰ প্ৰচাৰ কৰি দেশৰ নাগৰিকক বিভ্ৰান্ত কৰাৰ পিছতে ভাৰতে চৰকাৰৰ তথ্য আৰু জনসংযোগ বুৰ চমুকৈ পিআইবিয়ে ফেক চেক কৰিবলৈ বাধ্য হয়। পিআইবিয়ে স্পষ্ট কৰ যে ফেচবুক একাউণ্টটো ভুৱা। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাৰ কোনো ফেচবুক একাউণ্ট নাই। লগতে পিআইবিয়ে নাগৰিকসকলক সতৰ্ক হৈ থকাবলৈ দিয় কয় যে আপোনালোকক পৰামৰ্শ দিয়া হৈছে আৰু যিসকল ভুৱা প্ৰফাইল নিজকে প্ৰতিনিধি বুলি দাবী কৰে, তাৰে সৈতে জড়িত নহ'বলৈ অনুৰোধ কৰা হৈছে। সঠিক তথ্যৰ বাবে কেৱল চৰকাৰী উৎসৰ ওপৰতে ভৰসা ৰাখক। শেহতীয়াকৈ পাকিস্তানৰ বহু লোকে পুৰণি ভিডিঅ'ক ভাৰতৰ ওপৰত তেওঁলোকৰ দেশৰ আক্ৰমণ বুলি দাবী কৰি প্ৰচাৰ কৰি থকা হৈছে। তেনে বহু ভিডিঅ'ক পিআইবিয়ে ফেক্ট চেক কৰিছে। তাৰ মাজতে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ নামত ভুৱা ফেচবুক একাউণ্ট খুলি পোষ্ট কৰি থকা হৈছিল। পোষ্টটোত পাকিস্তানৰ সম্ভাব্য চাইবাৰ আক্ৰমণৰ বিষয়ে সতৰ্কবাণী জাৰি কৰি কয় 'Coward দেশ পাকিস্তান চাইবাৰ আক্ৰমণৰ প্ৰস্তুতি চলাইছে। অজ্ঞাত নম্বৰৰ পৰা অহা মেছেজত ক্লিক নকৰিব, ফোনো উঠাব নালাগে। এই তথ্য সকলোৰে সৈতে শ্বেয়াৰ কৰক। সকলোকে সতৰ্ক কৰক।' তথ্য আৰু জনসংযোগ বুৰয়ে ফেক্ট-চেক কৰি স্পষ্ট কৰে যে এই পোষ্টটো ভুৱা আৰু অজিত ডোভালৰ কোনো চৰকাৰী ফেচবুক একাউণ্ট নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এসপ্তাহৰ বাবে আইপিএল স্থগিতৰ সিদ্ধান্ত

দুয়ো দেশৰ ক্ৰীড়াক্ষেত্ৰত প্ৰভাৱ পৰিছে। ভাৰতত অনুষ্ঠিত হৈ থকা আইপিএল-২০২৫ এসপ্তাহৰ বাবে স্থগিত ঘোষণা কৰাৰ লগতে পাকিস্তানত অনুষ্ঠিত হৈ থকা পিএছএল-২০২৫ অন্য ইছলামিক দেশলৈ স্থানান্তৰিত কৰিবলৈ বাধ্য হৈছে। উত্তেজনাৰ পৰিপ্ৰেক্ষিতত আইপিএল-২০২৫ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা বিচিচিআয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। আইপিএলৰ এক্স হেণ্ডেলত প্ৰকাশ কৰা এক বিবৃতিত কয় 'টাটা আইপিএল ২০২৫' অবিলম্বে এসপ্তাহৰ বাবে স্থগিত কৰা হৈছে। ইফালে, পাকিস্তানত পাকিস্তান ছুপাৰ লীগৰ বাকী থকা খেলসমূহ সংযুক্ত আৰব আমিৰাতত আয়োজন কৰাৰ সিদ্ধান্ত লৈছে বুলি জানিব পৰা গৈছে। ভাৰতীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মতে ৮ মে'ৰ নিশা পাকিস্তানে ভাৰতৰ বহু স্থানত মিছাইল আৰু ড্ৰোনৰ জৰিয়তে আক্ৰমণ কৰে। তেনে সময়তে, হিমাচল প্ৰদেশৰ ধৰমশালাত পঞ্জাব আৰু দিল্লীৰ মাজত মেচ চলি আছিল। যি সময়ত ষ্টেডিয়ামখনত ব্লেকআউট কৰা হয় আৰু মেচ স্থগিত ঘোষণা কৰিবলগীয়া হয়। ৯ মে'ৰ দুপৰীয়া চেন্নাই ছুপাৰ কিংছে এক্সত এটা পোষ্টত কয় যে দেশ প্ৰথম, বাকী সকলো অপেক্ষা কৰিব পাৰে। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ১৮ সংখ্যক সংস্কৰণত এতিয়ালৈকে ৫৯ খন মেচ অনুষ্ঠিত হৈছে। এই ছিজনৰ প্লে-অফ আৰু ফাইনেলসহ আৰু ১৫ খন খেল বাকী আছে। বিচিচিআইৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই কয় যে বিচিচিআয়ে আইপিএল এসপ্তাহৰ বাবে স্থগিত কৰাৰ সিদ্ধান্ত লৈছে। তাৰ পিছত পৰিস্থিতিৰ পুনৰ মূল্যায়ন কৰা হ'ব। তেওঁ লগতে কয় যে ফ্ৰেঞ্চাইজিসকলেও খেলুৱৈৰ সুৰক্ষাক লৈ চিন্তা প্ৰকাশ কৰিছিল আৰু সকলো দিশ বিবেচনা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এটা সপ্তাহৰ পিছত আমাৰ সকলো অংশীদাৰ, ফ্ৰেঞ্চাইজি, সম্প্ৰচাৰ সংস্থা আৰু চৰকাৰৰ সৈতে আলোচনা কৰি নতুন সময়সূচী ঠিক কৰা হ'ব। পাকিস্তান ক্ৰিকেট ব'ৰ্ডে কয় যে পাকিস্তান ছুপাৰ লীগৰ বাকী মেচসমূহ সংযুক্ত আৰব আমিৰাতত অনুষ্ঠিত হ'ব। শেষৰ ৮ খন মেচ ৰাৱালপিণ্ডি, মুলতান আৰু লাহোৰত অনুষ্ঠিত হোৱাৰ কথা আছিল। পিচিবিয়ে প্ৰকাশ কৰা এক বিবৃতিত কোৱা হৈছে যে মেচৰ নতুন সময়সূচী, তাৰিখ আৰু স্থান যথাসময়ত ঘোষণা কৰা হ'ব। ৮ মে'ত ৰাৱালপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া পিএছএলৰ মেচ বন্ধ কৰা হৈছিল। পাকিস্তানী সেনাই দাবী কৰিছিল যে ৰাৱালপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামৰ ওচৰৰ এটা ফুড ষ্ট্ৰীটত ভাৰতীয় ড্ৰোনে আক্ৰমণ কৰিছিল। পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ সভাপতি মহচিন নকভীয়ে এক বিবৃতিত কয় যে পিচিবিয়ে আমাৰ দেশীয় আৰু বিদেশী অতিথি খেলুৱৈক ভাৰতৰ সম্ভাব্য আক্ৰমণৰ পৰা সুৰক্ষিত ৰখাৰ বাবে বাকী মেচসমূহ সংযুক্ত আৰব আমিৰাতলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লৈছে। মহচিন নকভীয়ে লগতে কয় যে পিচিবি দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ যে পিএছএলৰ মেচ চলি থাকিব। ভাৰতৰ ভয়ত পাকিস্তানে ক্ৰিকেট লীগ দেশৰ বাহিৰলৈ নিবলৈ বাধ্য হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্য চৰকাৰৰ বৰ্ষপূতি আৰু বিহুৰ

নিশা পৰ্যন্ত অসমৰ কিছু কিছু এলেকাত বিহুৰ মঞ্চত নাচ-গান হৈ আহিছিল। ইফালে সেনাবাহিনীয়ে দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে যুঁজ কৰিছে আনহাতে অসমৰ একাংশ লোক নাচ-গানত মত্ত হৈ থকাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কালি নিশা পৰিস্থিতি অধিক উত্তেজনাময় হৈ পৰাত সামাজিক মাধ্যম যোগে বিহুৰ অনুষ্ঠান বাতিল কৰিবলৈ দাবী উত্থাপন কৰে। বহু লোকে এই দাবী উত্থাপন কৰাৰ পিছতে আজি পুৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিহুৰ কাৰ্যসূচী বাতিল কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ আহ্বানৰ পিছতে কেইবাখনো বিহু অনুষ্ঠানে কাৰ্যসূচী বাতিল কৰাৰ কথা ঘোষণা কৰে। কামৰূপৰ গাছবাৰী, শিৱসাগৰৰ জয়সাগৰ কেন্দ্ৰীয় বিহু, চেপন কেন্দ্ৰীয় ৰঙালী বিহুকে ধৰি কেইবাখনো ঐতিহাসিক বিহুৰ কাৰ্যসূচী বাতিল কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পুৱা বিহুৰ অনুষ্ঠানসমূহ ১০ মে'ৰ পিছত বাতিল কৰিবলৈ অনুৰোধ জনাইছিল। মুখ্যমন্ত্ৰীৰ আহ্বানক সন্মান জনাই বিহু সমিতিসমূহে এই সিদ্ধান্ত লৈ বিবৃতি জাৰি কৰি কৈছে যে মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সন্মান জনাই বিহুৰ অনুষ্ঠান বাতিল কৰাৰ সিদ্ধান্ত লোৱা হৈছে। লগতে মুখ্যমন্ত্ৰীয়ে তেওঁৰ চৰকাৰে চাৰি বছৰ সম্পূৰ্ণ কৰাত চতুৰ্থ বৰ্ষপূৰ্তি পালন নকৰাৰ সিদ্ধান্ত লোৱাৰ কথা ৰাজ্যবাসীক অৱগত কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কাইলৈ চাৰিটা বৰ্ষ সম্পূৰ্ণ কৰিব। আপোনালোকক অৱগত কৰিব বিচাৰিছোঁ যে কাইলৈ এই উপলক্ষত কোনোধৰণৰ বিশেষ অনুষ্ঠান আয়োজনেৰে উদযাপন কৰা নহয়। আনুষ্ঠানিক কাৰ্যসূচী হিচাপে এখন মাত্ৰ সংবাদ মেল অনুষ্ঠিত কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজক আন তিনিটা আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি দেশ ঐক্যবদ্ধ হৈ আছে। এক দায়িত্বশীল নাগৰিক হিচাপে আমাৰো দায়িত্ব পালন কৰোঁ আহক। অন্তৰ্নিহিত থসম্বলিত ভুৱা বাতৰি প্ৰত্যাখ্যান কৰক। সেনাক দুৰ্বল কৰিবলৈ চেষ্টা কৰাসকলৰ বিৰুদ্ধে গোচৰ দাখিল কৰক। চৰকাৰী নিৰ্দেশনা পালন কৰক- কয় মুখ্যমন্ত্ৰীয়ে। ইপিনে মুখ্যমন্ত্ৰীৰ বিহু অনুষ্ঠান বাতিলৰ আহ্বানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছে ৰাজ্যৰ কণ্ঠশিল্পী সমাজে। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই শিল্পী মানস ৰবীন বিহু সমিতিৰ সৈতে আলোচনা কৰি তেওঁৰ অনুষ্ঠানসমূহ বাতিলৰ কথা ঘোষণা কৰে। জুবিন গাৰ্গেও সকলো অনুষ্ঠান বাতিল কৰাৰ কথা ঘোষণা কৰে। গণশিল্পী মহেন্দ্ৰ হাজৰিকাই অনুষ্ঠান নকৰাৰ সিদ্ধান্ত লয়। তেওঁ কয়, সীমান্তত যুদ্ধৰ বিভীষিকা, আমাৰ সৈনিকক সাহস আৰু লগ দিয়াৰ সময় এয়া। প্ৰথমে দেশ পিছত উৎসৱ। গায়ক আচুৰ্য বৰপাত্ৰই তেওঁৰ ফেচবুক, ইনষ্টাগ্ৰাম হেণ্ডেলৰ জৰিয়তে বিহুৰ অনুষ্ঠান বাতিলৰ কথা উল্লেখ কৰিছে। গায়ক নীল আকাশ, নীলাক্ষী নেওগ, ৰিচা ভৰদ্বাজ আদিয়ে সেনাৰ যুঁজক সমৰ্থন জনাই অনুষ্ঠান বাতিল কৰাৰ কথা ঘোষণা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰত নে পাকিস্তান? কাৰ পক্ষত

যে শীতল যুদ্ধত আমেৰিকা নেতৃত্বাধীন মিত্ৰজোঁটৰ অংগ আছিল পাকিস্তান আৰু ১৯৭৯ চনত আফগানিস্তান আক্ৰমণ কৰিছিল ছোভিয়েট সংঘই। ছোভিয়েটে আফগানিস্তানত কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল আৰু তাত ইছলামিক মৌলবাদীসকলক ক্ষমতাৰ পৰা আঁতৰাই ৰাখিবলৈ বিচাৰিছিল। কিন্তু আমেৰিকাৰ প্ৰতিজ্ঞা আছিল সাম্যবাদী শক্তিক দুৰ্বল কৰাৰ। যাৰ বাবে আফগানিস্তানৰ সমৰ্থনত থিয় হৈছিল আমেৰিকা। আফগানিস্তানত ছোভিয়েটক ধৰাশায়ী কৰিবলৈ পাকিস্তানৰ পৰা সহায় লৈছিল আমেৰিকাই। পাকিস্তানে আমেৰিকাৰ হৈ ছোভিয়েটৰ বিৰুদ্ধে থিয় হোৱাৰ বিনিময়ত আমেৰিকাৰ পৰা বিপুল পৰিমাণৰ সামৰিক সাহায্য লাভ কৰিছিল। কেৱল নিজ স্বাৰ্থৰ বাবেই পাকিস্তানৰ লগত বন্ধুত্ব গঢ়িছিল আমেৰিকাই। ইফালে ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰাৰ পিছত ভাৰতৰ শক্তি আৰু মনোবল হ্ৰাস হোৱা বুলি ভাবি ১৯৬৫ চনত ভাৰতক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল পাকিস্তানে। কিন্তু বাগি কুঠাৰ মাৰিলেও ভাৰত হলা গছ নাছিল। সেই সময়ত পাকিস্তানে ভাবিছিল যে ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ এই আক্ৰমণত পাকিস্তানে আমেৰিকাৰ পৰা সহায় আৰু সমৰ্থন লাভ কৰিব। কিন্তু ভুল আছিল পাকিস্তানৰ। পাকিস্তানক কোনো সামৰিক সহায় কৰা নাছিল আমেৰিকাই। ইয়াৰ পিছত ১৯৭১ চনত পুনৰ ভাৰত আৰু পাকিস্তানৰ মাজত হৈছিল ভয়াৱহ যুদ্ধ। কিন্তু সেই যুদ্ধত পাকিস্তানক প্ৰত্যক্ষভাৱে সহায় কৰিছিল আমেৰিকাই। আনকি বংগোপসাগৰত উপস্থিত হৈছিলহি আমেৰিকাৰ যুদ্ধজাহাজ ইউ এছ এছ এণ্টাৰপ্ৰাইজ। ৰাজনৈতিক বিশ্লেষকসকলে ক'ব খোজে যে আমেৰিকাৰ যুদ্ধ জাহাজ এইবাবেই বংগোপসাগৰলৈকে আহিছিল যাতে ছোভিয়েটক এই বাৰ্তা দিব পৰা যায় যে প্ৰয়োজনত আমেৰিকাই পাকিস্তানক সহায় কৰিব পাৰে। যদিও আমেৰিকাই ১৯৭১ চনত প্ৰত্যক্ষভাৱে যুদ্ধত অৱতীৰ্ণ হোৱা নাছিল, তথাপি কূটনৈতিক আৰু মানসিকভাৱে পাকিস্তানৰ সৈতেই আছিল। ১৯৭১ চনৰ আগষ্ট মাহত ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে 'ভাৰত-ছোভিয়েট শান্তি, বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তি'ত স্বাক্ষৰ কৰিছিল। এই চুক্তিৰ অধীনত ছোভিয়েট ইউনিয়নে আশ্বাস দিছিল যে যুদ্ধৰ ক্ষেত্ৰত কূটনৈতিক আৰু অস্ত্ৰৰে ভাৰতক সহায় আগবঢ়াব। ১৯৭১ চনত ভাৰত আৰু পাকিস্তানৰ মাজত ১৩ দিনীয়া যুদ্ধ হৈছিল। এই যুদ্ধৰ ফলতেই পূব পাকিস্তান বাংলাদেশ এখন নতুন ৰাষ্ট্ৰলৈ পৰিণত হৈছিল। ভাৰতে পাকিস্তানক দুটা ভাগত বিভক্ত কৰিছিল। পাকিস্তান আমেৰিকাৰ মিত্ৰ হ'লেও ভাৰতৰ বিৰুদ্ধে প্ৰতিখন যুদ্ধতে পৰাস্ত হৈছিল। কেৱল আমেৰিকাই নহয় উপকূলীয় ইছলামিক দেশসমূহো পাকিস্তানৰ লগত আছিল। শীতল যুদ্ধৰ অন্ত পৰাৰ প্ৰায় ৯ বছৰৰ পিছত ১৯৯৯ চনত পাকিস্তানে পুনৰ কাৰ্গিল আক্ৰমণ কৰিছিল। ইয়াতো ভাৰতৰ সন্মুখত পাকিস্তানৰ দম্ভালি চূৰ্ণ হৈছিল। এই তিনিখন যুদ্ধৰ পিছত বিশ্বৰ ৰাজনীতি সম্পূৰ্ণৰূপে সলনি হৈছিল। ছোভিয়েট সংঘ ভংগ হৈছিল। অকলে থাকি গৈছিল মাত্ৰ ৰাছিয়া। ইয়াৰ পিছত সৃষ্টি হৈছিল আন এক মহাশক্তি - চীন। শেহতীয়াকৈ ভাৰতো বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিলৈ পৰিণত হৈছে। পৰিৱৰ্তিত বিশ্বত ভাৰতেই নিজস্ব স্থিতি উলিয়াই ল'বলৈ সক্ষম হ'ল। ছোভিয়েট ভংগ হ'ল। আফগানিস্তানত কাৰ চৰকাৰ আছে সেয়া আৰু এতিয়া আমেৰিকাৰ বিচাৰ্যৰ বিষয় নহয়। এনে পৰিস্থিতিত আগৰ দৰে আমেৰিকাক পাকিস্তানৰো প্ৰয়োজন নাই। এতিয়া আমেৰিকা আৰু পাকিস্তানৰ সম্পৰ্ক নিৰ্ভৰ কৰে দুয়োখন দেশৰ মাজৰ থকা বাণিজ্যিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ মাজত। বৰ্তমানৰ বিশ্বৰ দুই বৃহৎ অৰ্থনীতি আমেৰিকা আৰু চীনৰ সৈতে ভাৰতৰ বাৰ্ষিক দ্বিপাক্ষিক বাণিজ্যই ১০০ বিলিয়ন ডলাৰ অতিক্ৰম কৰাৰ বিপৰীতে সংযুক্ত আৰব আমিৰশ্বাহী (UAE)ৰ সৈতেও ১০০ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে। একে সময়তে চৌদি আৰবৰ সৈতে ভাৰতৰ বাৰ্ষিক দ্বিপাক্ষিক বাণিজ্যও প্ৰায় ৫০ বিলিয়ন ডলাৰ চুইছেগৈ। ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত যুদ্ধ আৰম্ভ হোৱাৰ পিছত ৰাছিয়াৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক বাণিজ্যই ৬৫ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে। এই অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্কৰ বাবেই এই দেশসমূহৰ বাবে ভাৰত অতি গুৰুত্বপূৰ্ণ। যাৰ বাবে এতিয়া চীনেই হওক, আমেৰিকাই হওক কোনো শক্তিশালী দেশেই পাকিস্তানৰ লগত থিয় দি ভাৰতৰ বিৰুদ্ধে এটাও বাক্য ক'বলৈ অপাৰগ পৰিস্থিতিৰ সন্মুখীন হৈছে। লগতে পূৰ্বৰ বন্ধু আমেৰিকা আৰু ইছলামিক ৰাষ্ট্ৰসমূহৰ সমৰ্থন নাপাই এতিয়া অসহায় অৱস্থা অনুভৱ কৰিছে পাকিস্তানে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাম্বাত ৭ উগ্ৰবাদী নিহত

সামৰিক অভিযানৰ পিছতে ভাৰত-পাকিস্তানৰ সীমান্তত চৰম পৰ্যায়ত উপনীত হৈছে উত্তেজনা। দুয়োখন দেশৰ সেনাৰ মাজত প্ৰচণ্ড সংঘৰ্ষ অব্যাহত থকাৰ সময়তে সীমান্ত অতিক্ৰম কৰি ভাৰতত অনুপ্ৰৱেশৰ চেষ্টা কৰা ৭ সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰিবলৈ সক্ষম হয় সীমান্ত সুৰক্ষা বাহিনীয়ে। শুকুৰবাৰে পুৱা জম্মু-কাশ্মীৰৰ চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিএছএফৰ গুলীত নিহত সন্ত্ৰাসবাদী কেইটা জইছ-ই-মহম্মদৰ সদস্য আছিল বুলি সন্দেহ কৰা হৈছে। বিএছএফে এই অনুপ্ৰৱেশ ৰোধ সম্পৰ্কে জানিবলৈ দি কয় যে বৃহস্পতিবাৰে নিশা প্ৰায় ১১ বজাত চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অবৈধ অনুপ্ৰৱেশৰ গতিবিধি প্ৰত্যক্ষ কৰে। এটা ভিডিঅ'ত বিএছএফৰ জোৱানসকলে পাকিস্তানৰ ধানধাৰ পোষ্টত বিস্তৰ ক্ষতি কৰাৰ লগতে ৭ টা সন্ত্ৰাসবাদীক হত্যা কৰা দেখা গৈছে। লক্ষণীয়ভাৱে ভাৰত আৰু পাকিস্তানৰ মাজত দ্ৰুতগতিত বৃদ্ধি পোৱা সামৰিক উত্তেজনাৰ মাজতে এই ঘটনা সংঘটিত হয়। বৃহস্পতিবাৰে ভাৰতে পাকিস্তানৰ জম্মু, পাঠানকোট, উধামপুৰৰ সামৰিক ঘাটিসমূহক ক্ষেপণাস্ত্ৰ আৰু ড্ৰোনেৰে লক্ষ্য কৰি লোৱাৰ প্ৰচেষ্টা বিফল কৰে। প্ৰণিধানযোগ্য যে ২২ এপ্ৰিলত পেহেলগামত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ নৃশংস আক্ৰমণত নিহত হৈছিল ২৬ জনকৈ নিৰীহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্পৰ্শকাতৰ তথ্য প্ৰকাশত পুনৰ

জাৰি কৰিছে। প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতিবিধিৰ লাইভ ক'ভাৰেজ বা ৰিয়েল টাইম ৰিপ'ৰ্টিঙৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত প্ৰকাশিত এই গাইডলাইনত সকীয়াই দিয়া হৈছে যে স্পৰ্শকাতৰ তথ্য অসময়ত প্ৰকাশ কৰিলে কাৰ্যকৰী দক্ষতাত ব্যাঘাত জন্মিব পাৰে আৰু জীৱন বিপন্ন হ'ব পাৰে। মন্ত্ৰালয়ে কয়, "সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তিয়ে প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতিবিধিৰ লাইভ ক'ভাৰেজ বা ৰিয়েল টাইম ৰিপ'ৰ্টিঙৰ পৰা বিৰত থাকিব লাগে। এনে স্পৰ্শকাতৰ বা উৎসভিত্তিক তথ্য প্ৰকাশ কৰিলে অভিযানৰ ফলপ্ৰসূতা বিপন্ন হ'ব পাৰে আৰু জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পাৰে।" প্ৰতিৰক্ষা মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে যে সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট বিষয়াৰ দ্বাৰা ব্ৰিফিঙৰ জৰিয়তে তথ্য প্ৰকাশ কৰা হ'ব। এইটো কেবল টেলিভিছন নেটৱৰ্ক (সংশোধনী) নিয়ম, ২০২১ৰ ধাৰা ৬(১)(পি)ৰ অধীনত অনুমোদিত। এই নিয়মত সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ লাইভ সম্প্ৰচাৰ নিষিদ্ধ কৰা হৈছে আৰু কেৱল অনুমোদিত চৰকাৰী বিষয়াৰ জৰিয়তেহে তথ্য প্ৰকাশৰ অনুমতি দিয়া হৈছে। মন্ত্ৰালয়ে জোৰ দি কয়, "সকলো অংশীদাৰে সাৱধানতা, সংবেদনশীলতা আৰু দায়িত্বশীলতাৰে প্ৰতিবেদন দিব লাগিব, যাতে ৰাষ্ট্ৰৰ প্ৰতি সেৱাৰ উচ্চতম মানদণ্ড বজাই ৰখা হয়।" ইয়াৰ পূৰ্বে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সংবাদ মাধ্যমৰ মঞ্চ আৰু ব্যক্তিসকলক তেওঁলোকৰ আইনী আৰু নৈতিক দায়িত্বৰ বিষয়ে সোঁৱৰাই দি এক গাইডলাইন জাৰি কৰিছিল। এম আই বিয়ে কয়, "প্ৰতিৰক্ষা অভিযান বা নিৰাপত্তা বাহিনীৰ গতিবিধি সন্দৰ্ভত বাস্তৱ সময়ৰ ক'ভাৰেজ, দৃশ্যগত অপপ্ৰচাৰ বা উৎসভিত্তিক প্ৰতিবেদনৰ অনুমতি দিয়া নহ'ব।" তদুপৰি দায়িত্বহীনভাৱে বাতৰি প্ৰকাশ কৰিলে শত্ৰুৰ সহায়ক হ'ব পাৰে আৰু কৰ্মচাৰীৰ সুৰক্ষা বিপন্ন হ'ব পাৰে বুলিও তেওঁলোকে কয়। নিয়ম উলংঘা হ'লে বৰ্তমানৰ সম্প্ৰচাৰ নিয়মৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও সকীয়াই দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিৰক্ষা পুঁজিলৈ কংগ্ৰেছৰ অনুদান

ভাৰতীয় সেনাৰ মনোবল বৃদ্ধি কৰাৰ প্ৰয়াস কৰে। অসমতো আজি জয়হিন্দ যাত্ৰা উলিয়ায় কংগ্ৰেছে। গুৱাহাটীৰ ৰাজীৱ ভৱনত কংগ্ৰেছৰ নেতা-কৰ্মী একত্ৰিত হয়। ভাৰতীয় সেনাক উৎসাহিত কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছে জয় হিন্দ যাত্ৰা উলিওৱা বুলি কয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাসহ একাংশ নেতাই সেনাৰ পোছাক পিন্ধি এই যাত্ৰাত অংশ লয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এই যাত্ৰাত অংশ লৈ কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ এই সংকটপূৰ্ণ সময়ত কংগ্ৰেছ দল কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় সেনাৰ সৈতে দৃঢ়তাৰে থিয় দি থাকিব। দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকক লৈ বৰাই কয় যে এই বিপদৰ সময়ছোৱাত আমি চৰকাৰৰ সৈতে আছোঁ আৰু আগলৈও থাকিম। ধৰ্ম কোনো ৰাজনৈতিক একতাৰ আধাৰ হ'ব নালাগে। পাকিস্তান আৰু বাংলাদেশৰ উদাহৰণ দি তেওঁ কয় যে তেনে বিভাজনে দেশক অশান্তিত পেলাইছে। লগতে বৰাই কয় যে সেনাৰ মনোবল বঢ়োৱাৰ উদ্দেশ্যে কংগ্ৰেছ দলে কাইলৈ বিয়লি ১১ বজাত বৰপেটাত 'জয় হিন্দ যাত্ৰা'ৰ আয়োজন কৰিব। ভাৰতীয় সেনাৰ সৈতে দৃঢ়ভাৱে থিয় হওক। প্ৰয়োজনত আমি নিজেও যুদ্ধভূমিত আমাৰ বীৰ জোৱানসকলৰ সৈতে অংশ ল'বলৈ সাজু আছো। পাকিস্তানী সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে ভাৰতৰ প্ৰতিগৰাকী নাগৰিকৰ বুকুত দেশপ্ৰেমৰ আবেগ উপচি পৰিছে। আনহাতে কংগ্ৰেছৰ নেতাসকলে এনে পৰিস্থিতিত আৰ্থিক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। কংগ্ৰেছৰ পঞ্জাৱৰ গুৰুদাসপুৰৰ সাংসদ সুখজিন্দৰ সিং ৰান্ধৱাই তেওঁৰ এমাহৰ দৰমহা ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দান কৰে। গুৰুদাসপুৰৰ পৰা কংগ্ৰেছৰ লোকসভা সাংসদ আৰু পঞ্জাৱৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী সুখজিন্দৰ সিং ৰান্ধৱাই দেশত বৰ্তমান চলি থকা পৰিস্থিতি আৰু সীমান্তৰ উত্তেজনাক লক্ষ্য কৰি ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ নিজৰ এমাহৰ দৰমহা দান কৰাৰ সিদ্ধান্ত লয়। এই দৰমহাৰ পৰিমাণ হৈছে ১.২৪ লাখ টকা। পঞ্জাৱৰ পাক সীমান্তৰ লগত জড়িত লোকসভা সমষ্টিৰ প্ৰতিনিধি হিচাপে ৰান্ধৱাই কয় যে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণে দেশজুৰি ক্ষোভৰ সৃষ্টি কৰিছে আৰু আমাৰ ৰক্ষা বাহিনীয়ে 'অপাৰেচন সেন্দূৰ'ৰ জৰিয়তে তাৰ উপযুক্ত প্ৰতিশোধ লৈছে। তেওঁ লগতে কয় যে সীমান্তত বৰ্তমান যি পৰিস্থিতি বিদ্যমান তাক লক্ষ্য কৰি আমাৰ সেনা সদায় সজাগ হৈ আছে আৰু পাকিস্তানৰ প্ৰতিটো আক্ৰমণৰ কঠোৰ উত্তৰ প্ৰদান কৰি আহিছে। সুখজিন্দৰ সিং ৰান্ধৱাই দেশবাসীক আহ্বান জনাই কয় যে দেশৰ সেনাবাহিনীৰ গৌৰৱ বৃদ্ধিৰ বাবে সকলোৰে নিজৰ সামৰ্থ্য অনুসৰি অৱদান দিয়ক। যেতিয়া আমাৰ সেনাই আমাক ৰক্ষা কৰি থাকে, তেতিয়া আমি নিশ্চিন্ততাৰে শুব পাৰো। আশা কৰোঁ সকলোৰে এই উদ্দেশ্যত আগবাঢ়ি আহিব। আনহাতে, অসম কংগ্ৰেছৰ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ ৩০ হাজাৰ টকা বৰঙনি আগবঢ়াইছে। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ দেৱব্ৰত শইকীয়াই ৩০ হাজাৰ টকাৰ অনুদান দি দেশবাসীক একত্ৰিত হোৱাৰ আহ্বান জনায়। বৰ্তমান ভাৰত-পাকিস্তানৰ মাজত উদ্ভৱ হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ পটভূমিত অসম বিধানসভাৰ বিৰোধী দলৰ নেতা তথা নাজিৰাৰ কংগ্ৰেছ বিধায়ক দেৱব্ৰত শইকীয়াই দেশৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ নিজৰ ব্যক্তিগতভাৱে ৩০ হাজাৰ টকাৰ সাহায্য আগবঢ়াই এক সাহসিক পদক্ষেপ গ্ৰহণ কৰিছে। ফেচবুকত শইকীয়াই কয় যে যুদ্ধৰ সহায় হিচাপে মোৰ সামৰ্থ্য অনুসৰি ব্যক্তিগতভাৱে ৰাষ্ট্ৰীয় সুৰক্ষা পুঁজিলৈ ৩০ হাজাৰ টকা দান কৰিছো। ভাৰতীয় সেনাবাহিনীয়ে দেশৰ সীমান্তত যি সাহসিকতা আৰু বীৰত্ব প্ৰদৰ্শন কৰিছে, তাৰ প্ৰতি গৌৰৱ অনুভৱ কৰিছো। পাকিস্তানে সাধাৰণ নাগৰিকক লক্ষ্য কৰি কৰা কাপুৰুষচিত আক্ৰমণে তেওঁলোকৰ সন্ত্ৰাসবাদী মানসিকতা উদঙাই দিছে। লগতে আহ্বান জনাই কয় যে এই কঠিন সময়ত আমি সকলো ভিন্ন মত, মতপাৰ্থক্য ত্যাগ কৰি দেশৰ স্বাৰ্থত একত্ৰিত হ'ব লাগিব। যদি সম্ভৱ হয় আপুনিও আপোনাৰ সামৰ্থ্য অনুসৰি এই পুঁজিলৈ দান কৰক। শইকীয়াই ৰাজনৈতিক দলসমূহলৈও আহ্বান জনাই কয় যে শ্বহীদ জোৱান আৰু নিৰীহ জনতাৰ মৃত্যুক লৈ ৰাজনীতি নকৰিব। আজি পাকিস্তানৰ যি অৱস্থা হৈছে তেওঁলোকৰ স্বৈৰাচাৰী, অগণতান্ত্ৰিক আৰু ৰক্ষণশীল ৰাজনৈতিক দৃষ্টিভংগীৰ ফল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সীমান্তত উত্তেজনা! নিৰাপত্তা

মিলিত হৈছে গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। বৃহস্পতিবাৰে নিশা পাকিস্তানে পশ্চিম সীমান্তত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণেৰে সাতৱাৰী, চাম্বা, আৰ এছ পুৰা, আৰ্নিয়া আৰু জয়ছালমেৰৰ দৰে অঞ্চলক লক্ষ্য কৰি লোৱাৰ পিছতে নতুন দিল্লী আৰু মুম্বাইত ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সামুদ্ৰিক পৰিক্ৰমা শক্তিশালী কৰাৰ বাবে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত সীমান্ত সুৰক্ষা পৰিস্থিতি আৰু ভাৰতীয় সশস্ত্ৰ বাহিনীৰ প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত অংশগ্ৰহণ কৰে প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহান, সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, এয়াৰ চীফ মাৰ্শ্বাল অমৰপ্ৰীত সিং, নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী আৰু প্ৰতিৰক্ষা সচিব আৰ কে সিঙে। বৈঠকত সীমান্তৰ প্ৰতিৰক্ষা শক্তিশালী কৰা আৰু দ্ৰুত সঁহাৰি ব্যৱস্থাৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰীক বিৱৰণ প্ৰদান কৰে সেনাপ্ৰধানসকলে। একে সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিজৰ বাসগৃহত গোপন বৈঠক অনুষ্ঠিত কৰি সীমান্ত সুৰক্ষা আৰু বিমানবন্দৰৰ নিৰাপত্তাৰ ব্যৱস্থা পৰ্যালোচনা কৰে। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, চোৰাংচোৱা ব্যুৰোৰ সঞ্চালক তপন ডেকা, বি এছ এফৰ সঞ্চালকপ্ৰধান দলজিৎ চৌধুৰী, চি আই এছ এফৰ সঞ্চালকপ্ৰধান আৰ এছ ভাটি আৰু বি চি এ এছৰ সঞ্চালকপ্ৰধান ৰাজেশ নিৰ্বানে এই বৈঠকত অংশগ্ৰহণ কৰে। প্ৰায় এঘণ্টা ধৰি চলা এই বৈঠকত আন্তঃসংস্থা সমন্বয়, উন্নত চোৰাংচোৱাগিৰি, বিমানবন্দৰৰ দৰে দুৰ্বল স্থানৰ বাবে শক্তিশালী নিৰাপত্তাৰ কাঠামোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে বৃহস্পতিবাৰে নিশা শ্বাহে সীমান্তৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানৰ সৈতে পৃথক বৈঠকত মিলিত হৈ ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত প্ৰস্তুতিৰ মূল্যায়ন কৰে। ইফালে, মুম্বাইত ভূ-ৰাজনৈতিক উত্তেজনাৰ মাজত মসৃণ সামুদ্ৰিক কাম-কাজ নিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এক বিস্তৃত পৰ্যালোচনা অনুষ্ঠিত কৰে। ভাৰতীয় জাহাজ নিগম (এছচিআই), জৱাহৰলাল নেহৰু বন্দৰ কৰ্প'ৰেচন (জেএনপিএ), ইণ্ডিয়ান প'ৰ্ট ৰে'ল এণ্ড ৰ'পৱে কৰ্প'ৰেচন লিমিটেড (আইপিআৰচিএল), ইণ্ডিয়ান প'ৰ্ট গ্ল'বেল লিমিটেড (আইপিজিএল), জাহাজ সঞ্চালকালয় আৰু মুম্বাই বন্দৰ কৰ্তৃপক্ষৰ সৈতে হোৱা এক বৈঠকত সোণোৱালে পণ্যৰ মসৃণ চলাচল নিশ্চিত কৰাৰ লগতে কৌশলগত প্ৰকল্পসমূহ ক্ষিপ্ৰ কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে। এই আলোচনাত এছচিআইৰ বহৰ সম্প্ৰসাৰণ, গুজৰাটৰ লোথালত থকা ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্সৰ অগ্ৰগতি আৰু ২০৪৭ চনৰ চৰকাৰৰ দৃষ্টিভংগীৰ সৈতে মিল থকা বাধানত গ্ৰীনফিল্ড মেগা বন্দৰ প্ৰকল্পৰ অগ্ৰগতি আদি আলোচনা কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক-ভাৰত সংঘাতৰ সৈতে নাই সম্পৰ্ক!

উপ-ৰাষ্ট্ৰপতি জে ডি ভ্যান্সৰ এক মন্তব্যই তোলপাৰ লগাইছে। বৃহস্পতিবাৰে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভ্যান্সে পাক-ভাৰতৰ সংঘাতত আমেৰিকাৰ কোনো প্ৰত্যক্ষ হস্তক্ষেপ নাই বুলি মন্তব্য কৰে। সংবাদ প্ৰতিষ্ঠান ফক্স নিউজৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ভ্যান্সে কয় যে আমেৰিকাই কূটনীতিৰ জৰিয়তে যুদ্ধৰ তীব্ৰতা হ্ৰাসৰ কৰাৰ পোষকতা কৰিব যদিও সামৰিক ক্ষেত্ৰত আমেৰিকাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো পদক্ষেপ গ্ৰহণ নকৰে। লগতে ভ্যান্সে কয় যে আমি ভাৰতকো অস্ত্ৰ সম্বৰণ কৰিবলৈ আহ্বান জনাব নোৱাৰো আৰু পাকিস্তানকো অস্ত্ৰ সম্বৰণ কৰিবলৈ আহ্বান জনাব নোৱাৰো। গতিকে আমি ভাৰত-পাকিস্তানৰ যুদ্ধৰ বিষয়টোত কূটনৈতিক স্থিতি গ্ৰহণ কৰিম। ইয়াৰ উপৰি ভ্যান্সে কয়, "আমাৰ আশা এইটোৱেই যে এই যুদ্ধখন অধিক সম্প্ৰসাৰণ নহওক, ভগৱানে এই যুদ্ধখনক পাৰমাণৱিক যুদ্ধলৈ পৰ্যবসিত নকৰক।"এই যুদ্ধক লৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পেও কূটনৈতিক মন্তব্য আগবঢ়াইছে। ট্ৰাম্পৰ মতে, ভাৰত আৰু পাকিস্তান দুয়োখন দেশেই আমেৰিকাৰ আপোন। কোনো এখন নিৰ্দিষ্ট দেশক সমৰ্থন কৰাত অসুবিধা আছে। ট্ৰাম্পে প্ৰয়োজনত শান্তি স্থাপনৰ ক্ষেত্ৰত দুয়োখন দেশৰ মধ্যস্থতা কৰিব বুলিও কয়। এই যুদ্ধ সোনকালে অন্ত পৰাৰো কামনা কৰে ৰাষ্ট্ৰপতিগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অধিক ঋণ বিচাৰি 'এক্স'তে আবেদন

পিছতে পাকিস্তানে ঋণ বিচাৰি হাবাধুৰি খাইছে। ভাৰতৰ প্ৰতিশোধমূলক আক্ৰমণৰ পাছতে আৰ্থিক অৱস্থাৰ দোহাই দি ঋণ বিচাৰে পাকিস্তানে এক্স একাউন্টত পোষ্ট দিয়ে। ভাৰতে বিগত দুদিন ধৰি পাকিস্তানৰ নিৰ্বিচাৰ আক্ৰমণৰ কঠোৰ উত্তৰ দিয়াৰ পিছতে আজি ইছলামাবাদস্থিত অৰ্থনৈতিক ব্যৱস্থা বিভাগ অধিক ঋণ বিচাৰি এক্সত পোষ্ট দিয়ে। ৬ মে'ৰ নিশা ভাৰতৰ আক্ৰমণৰ পিছতে পাকিস্তান শ্বেয়াৰ বজাৰত ৭.২ শতাংশ পতন হয়। এই পতনৰ বাবে পাকিস্তান ষ্টক এক্সচেঞ্জৰ এঘণ্টালৈ ব্যৱসায় বন্ধ থাকে। তাৰ মাজতে এক্স যোগে পাকিস্তানে কয় যে শত্ৰুৰ দ্বাৰা সৃষ্ট গুৰুতৰ ক্ষয়ক্ষতিৰ বাবে অধিক আৰ্থিক সহায়ৰ প্ৰয়োজন। ইয়াৰ লগতে, পাকিস্তানে যুদ্ধৰ উত্তেজনা হ্ৰাস কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। পাকিস্তান চৰকাৰৰ অৰ্থনৈতিক পৰিকল্পনা বিভাগে এক্সত পোষ্ট কৰি কয় যে শত্ৰুৰ দ্বাৰা হোৱা বৃহৎ ক্ষয়-ক্ষতিক লৈ ভাৰত-পাকিস্তান যুদ্ধৰ প্ৰেক্ষাপটত আৰু শ্বেয়াৰ বজাৰৰ পতন হৈছে। পাকিস্তান চৰকাৰে অধিক ঋণৰ বাবে আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকললৈ আবেদন জনাইছে। শান্তিৰ বাবে সহায় কৰক, ৰাষ্ট্ৰীয় ভাব দৃঢ় থাকক। এই পোষ্ট বিশ্ব বেংকক টেগ কৰি #IndiaPakistanWar #PakistanZindabad হেচটেগ ব্যৱহাৰ কৰে। কিছু সময়ৰ পাছতেই পাকিস্তান চৰকাৰে দাবী কৰে যে তেওঁলোকৰ এক্স একাউন্ট হেক কৰা হৈছি আৰু উক্ত পোষ্ট তেওঁলোকে কৰা নাই বুলি দাবী কৰে। ৰয়টাৰৰ এক প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে পাকিস্তানৰ অৰ্থনৈতিক পৰিকল্পনা মন্ত্ৰালয়ে সেই পোষ্ট নিজে কৰা নাই বুলি দাবী কৰাৰ লগতে একাউন্টটো হেক কৰা হৈছিল বুলি কয়। ইয়াৰ ওপৰত ভাৰত চৰকাৰৰ পিআইবিয়ে পাকিস্তান চৰকাৰক ব্যংগ কৰি হিন্দী চলচ্চিত্ৰ 'গোলমাল'ৰ এটা মিম শ্বেয়াৰ কৰে। সেই মিমটোত থকা ডাইলগ আছিল —"ইয়েহে ক্যা ভিক্ষ মাংনে কা তৰিকা? বৃহস্পতিবাৰে নিশা প্ৰথমে পাকিস্তানে মিছাইল আক্ৰমণ কৰাৰ পিছতে ভাৰতে ইছলামাবাদ, লাহোৰ আৰু শিয়ালকোটত আক্ৰমণ কৰিছিল। পাকিস্তানে ৫০ তকৈও অধিক ড্ৰোন ভাৰতৰ জম্মু-কাশ্মীৰ, পঞ্জাব আৰু ৰাজস্থানলৈ প্ৰেৰণ কৰিছিল। ভাৰতীয় বায়ুসেনাৰ প্ৰতিৰক্ষা প্ৰণালীয়ে প্ৰায় সকলো ড্ৰোন ধ্বংস কৰে। কেৱল এখন ড্ৰোন জম্মুৰ নাগৰিক বিমানবন্দৰত আঘাত কৰিবলৈ সক্ষম হয়। পাকিস্তানী সেনাই সীমান্তত সংঘৰ্ষবিৰতি উলংঘা কৰি সাধাৰণ লোকৰ এলেকাত গোলা-বাৰুদেৰে আক্ৰমণ কৰে যদিও ভাৰতীয় সেনাই উত্তৰ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফিৰোজপুৰত পাকিস্তানী ড্ৰোন!

ফিৰোজপুৰ জিলাত এটা পৰিয়ালৰ বাসগৃহত আক্ৰমণ কৰাত পৰিয়ালটোৰ তিনিগৰাকী লোক আহত হয়। ফিৰোজপুৰৰ এছ. এছ. পি. ভূপিন্দৰ সিং সিধুৱে সংবাদ সংস্থাক কয় যে ৩ জন লোক আহত হোৱাৰ তথ্য আহিছে। তেওঁলোকৰ শৰীৰত অগ্নিদগ্ধ হোৱা দেখা গৈছে। চিকিৎসকে তেওঁলোকক চিকিৎসা প্ৰদান কৰিছে। অধিকাংশ ড্ৰোন সেনাই নিষ্ক্ৰিয় কৰি পেলাইছে। আজি দ্বিতীয়বাৰৰ বাবে পাকিস্তানৰ ড্ৰোন জম্মুত দেখা যায়। পুনছ, চাম্বা আৰু উৰিসহ বিভিন্ন ঠাইত পাকিস্তানৰ ফায়াৰিং পুনৰ আৰম্ভ হয়। চাম্বা আৰু পাঠানকোটত ড্ৰোন ধৰা পৰিছে। জম্মু-কাশ্মীৰৰ উধমপুৰ আৰু আখনুৰ, পাঞ্জাবৰ ফিৰোজপুৰ, হৰিয়ানাৰ আম্বালা আৰু পাঞ্চকুলা আৰু ৰাজস্থানৰ জয়ছেলমেৰত ব্ল্যাকআউট ঘোষণা কৰা হৈছে।পাকিস্তানে দ্বিতীয় দিনা আক্ৰমণ কৰিছে সীমান্তৱৰ্তী ভাৰতীয় এলেকাক। শুকুৰবাৰে সংবাদমাধ্যমত সেনাৰ কৰ্ণেল ছোফিয়া কুৰেশীয়ে কয় যে পাকিস্তানে ৮ আৰু ৯ মে' তাৰিখৰ ভিতৰত ভাৰতৰ ৩৬টা স্থানত ৩০০-৪০০ ড্ৰোন ব্যৱহাৰ কৰি লক্ষ্য কৰিছিল। কিন্তু বিফল কৰা হৈছে। কালি নিশা ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পশ্চিম আৰু উত্তৰ সীমান্তত থকা সেনা ঘাটিসমূহত হোৱা পাকিস্তানৰ ড্ৰোন আৰু মিছাইল আক্ৰমণৰ প্ৰত্যুত্তৰত আক্ৰমণ চলায়। এই আক্ৰমণৰ মূল লক্ষ্য আছিল জম্মু, পাঠানকোট আৰু উধমপুৰ। যাৰ ফলত শ্ৰীনগৰ, চণ্ডীগড় আৰু ভুজসহ ১৫ৰো অধিক চহৰত বিদ্যুৎ বন্ধ কৰা হয়।

# দৰঙৰ বুঢ়া অঞ্চলৰ বিষ্ণুপুৰত ভূমিকেন্দ্ৰিক সংঘাতত আহত এজন

**ই-সংবাদ, দুনী, ৯ মে':** বুঢ়া আৰক্ষী চকীৰ অন্তৰ্গত বিষ্ণুপুৰত বৃহস্পতিবাৰে সংঘটিত হয় এক ভূমিকেন্দ্ৰিক সংঘাত। এই সংঘাতত আঘাটপ্ৰাপ্ত হয় এজন লোক। ইতিমধ্যে এই সন্দৰ্ভত বুঢ়া আৰক্ষী চকীত গোচৰ দিছে আঘাতপ্ৰাপ্ত তফিক আলী(২৯)য়ে। এজাহাৰত উল্লেখ কৰা অনুযায়ী তফিক আলীৰ পিতৃয়ে বাস কৰা ম্যাদী পট্টাৰ ভূমিত কালি পুৱাই ইছলাম আলী, আবেদ আলী আৰু আজাহাৰ আলীৰ নেতৃত্বত প্ৰায় ১৫ জনীয় দল এটাই হাতত দা, জোং-জাঠি লৈ তফিক আলীসহ অসুস্থ পিতৃ, পেহীয়েকক আক্ৰমণ কৰিবলৈ উদ্যত হয়। লগতে তফিক আলীৰ পিতৃয়ে বহু বছৰ আগতে ক্ৰয় কৰা ভূমি তেওঁলোকে দখল কৰিবলৈ চেষ্টা কৰে। অভিযোগ অনুসৰি চোকা অস্ত্ৰৰ আঘাতত কথমপি প্ৰাণ ৰক্ষা পৰে তফিক আলীৰ। ঘটনা সন্দৰ্ভত আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ক্লাৱ মিলিজুলি, বাথানৰ আজিৰ ৰঙালী বিহুৰ কাৰ্যসূচী বাতিল

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৯ মে':** উত্তৰ পূব কামৰূপৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন ক্লাৱ মিলিজুলি, বাথানৰ উদ্যোগত ১০ মে' শনিবাৰে অনুষ্ঠিত হ'ব লগা ৪৫ তম্ আঞ্চলিক ৰঙালী বিহু উদযাপনৰ সকলো কাৰ্যসূচী বাতিল কৰা হৈছে। সাম্প্ৰতিক দেশৰ পৰিস্থিতি আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু স্থানীয় বিধায়ক দিগন্ত কলিতাৰ আহ্বানৰ প্ৰতি সহাৰি জনাই সাময়িকভাৱে বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। দেশৰ পৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছত পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুনৰ ৰঙালী বিহু উদযাপন কৰা হব বুলি আয়োজকে জনাইছে।



*ব্লেকআউট, সীমান্তত উত্তেজনাৰ মাজতে অমৃতসৰত জনশূন্য পথ, এই দৃশ্য শুকুৰবাৰৰ*

## উদ্ধাৰ হোৱা ড্ৰোনখন বাংলাদেশৰ পৰা পৰিচালিত হোৱাৰ সন্দেহ

# অসমৰ বাংলাদেশ সীমান্তত ড্ৰোন উদ্ধাৰ

**শ্ৰীভূমি, ৯ মে':** ভাৰত-পাকিস্তানৰ মাজত যুদ্ধসদৃশ পৰিস্থিতিৰ ফলত সীমান্তৱৰ্তী এলেকাত উত্তেজনা অব্যাহত আছে। দুয়ো দেশৰ মাজত উত্তেজনা অব্যাহত থকাৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ বাংলাদেশ সীমান্তৱৰ্তী এলেকাত ভাৰতে তৎপৰতা বৃদ্ধি কৰিছে। কিয়নো শেহতীয়াকৈ বাংলাদেশে পাকিস্তানৰ সৈতে বন্ধুত্ব গঢ়িছে। ৰাজ্য চৰকাৰসমূহৰ লগতে কেন্দ্ৰীয় সংস্থাই নজৰ ৰাখিছে। শেষাংশ ৯ পৃষ্ঠাত

# ‘জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় খোলাৰ সপোন দেখিছে মুখ্যমন্ত্ৰীয়ে’

## নলবাৰীত উপস্থিত হৈ মুখ্যমন্ত্ৰীৰ সপোনৰ বাৰ্তা দিলে মন্ত্ৰী জয়ন্তই

**ই-সংবাদ, ৯ মে':** অসমৰ প্ৰত্যকখন জিলাত এখনকৈ চিকিৎসা মহাবিদ্যালয় গঢ়াৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ এটা ডাঙৰ সপোন আছিল। সেয়ে মুখ্যমন্ত্ৰীয়ে এক পৰিকল্পনা হাতত লৈ কাম আগবঢ়াইছিল। নলবাৰীতো মুখ্যমন্ত্ৰীয়ে ক্ষীপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰি চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কাম আৰম্ভ কৰিছিল।- এই ভাষ্য মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। আজি নলবাৰীৰ দক্ষিণ গাঁৱত নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বিশেষ অনুষ্ঠানত শেষাংশ ৯ পৃষ্ঠাত

# পাকিস্তানক সমৰ্থন কৰা দুজনক ধুবুৰীত গ্ৰেপ্তাৰ

**ই-সংবাদ, ৯ মে':** ভাৰত-পাকিস্তানৰ মাজত যুদ্ধসদৃশ পৰিস্থিতিৰ সময়তে অসমৰ একাংশ লোকে পাকিস্তানক সমৰ্থন কৰা পৰিলক্ষিত হৈছে। যিখন দেশৰ বায়ু, পানী সেৱন কৰি জীৱিত আছে সেইখন দেশৰ সৈতে গাড্ডাৰী কৰা এইসকল লোকৰ বিৰুদ্ধে শেষাংশ ৯ পৃষ্ঠাত

# গুৱাহাটী বিমানবন্দৰত সতৰ্কতা জাৰি

## সামাজিক মাধ্যমত শ্বেয়াৰ নকৰিব নিজৰ বিমানৰ সময়সূচী

**ই-সংবাদ, ৯ মে':** দেশত যুদ্ধসদৃশ পৰিস্থিতিৰ মাজতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ যাত্ৰীসকলৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। যাত্ৰীৰ সংখ্যা ব্যাপকভাৱে বৃদ্ধি পাবলৈ ধৰাত যাত্ৰাৰ আগতীয়াকৈ পৰিকল্পনা কৰিব পৰাকৈ বিশেষ সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান শেষাংশ ৯ পৃষ্ঠাত

# গুৱাহাটীত বিনামূলীয়া হ'ব পাৰ্কিং

## মহিলাৰ মাচুল ৰেহাই

**ই-সংবাদ, ৯ মে':** গুৱাহাটী পৌৰ নিগমে সাধাৰণ ব্যৱসায়ীক সহায় দিবলৈ কেইবাটাও ক্ষেত্ৰত মাচুল ৰেহাই দিয়াৰ কথা ঘোষণা কৰিছে। ব্যৱসায়ৰ অনুমতি প্ৰদানৰ প্ৰণালী সৰল কৰাৰ লগতে ক্ষুদ্ৰ শেষাংশ ৯ পৃষ্ঠাত

# অৰুণাচলৰ লংডিঙত ৰাজপথত বিদ্ৰোহ বিৰোধী প্ৰতিবাদ

**ই-সংবাদ, ৯ মে':** অৰুণাচলত বিদ্ৰোহী গোটৰ অতপালিত অতিষ্ঠ শিশু, মহিলা, বয়োজ্যেষ্ঠ নাগৰিক আজি ৰাজপথলৈ ওলাই আহিছে। অপহৰণ, জোৰ-জুলুম আৰু হত্যাকাণ্ড বন্ধ কৰাৰ দাবীত অৰুণাচল প্ৰদেশৰ লংডিং জিলাত শেষাংশ ৯ পৃষ্ঠাত

# যুদ্ধসদৃশ পৰিস্থিতৰ মাজতে চৰ্চাত নগাঁৱৰ এখন বিয়া

**ই-সংবাদ, বেৰেজীয়া, ৯ মে':** সমগ্ৰ ভাৰতবৰ্ষত এতিয়া যুদ্ধসদৃশ পৰিবেশ। এই যুদ্ধৰ প্ৰত্যক্ষ প্ৰভাৱৰ বাবে বহু ৰাজ্যত ‘হাই এলাৰ্ট’ জাৰি কৰা হৈছে। বন্ধ কৰি দিয়া হৈছে একাধিক জিলাৰ বিদ্যালয় আৰু বিমান বন্দৰ। মুঠতে সুৰক্ষামূলক ১৭ নং পৃষ্ঠাত

# চেলেংহাটত অবৈধ গাহৰি ভৰ্তি গাড়ী ৰহস্যজনকভাৱে এৰি দিলে আৰক্ষীয়ে

**ই-সংবাদ, মৰিয়নি, ৯ মে':** চেলেংহাটৰ গাভৰু বহলটিঙত বৃহস্পতিবাৰে নিশা এখন সন্দেহজনক বলেৰ' বাহন AS 23 CC 5785 ৰ বাবে চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় ৰাইজে সন্দেহজনকভাৱে চলি থকা বাহনখন ৰখাই থানাত খবৰ দিয়াৰ পিছত ১৭ নং পৃষ্ঠাত

# শেষবাৰলৈও মাতৃৰ মুখ চাবলৈ নাহিল নিষ্ঠুৰ কন্যা

## নলবাৰীৰ এক হৃদয়বিদাৰক ঘটনাই মৰ্মাহত কৰি তুলিছে সকলোকে

**ই-সংবাদ, বাঁহজানী, ৯ মে':** নলবাৰীৰ এক হৃদয়বিদাৰক ঘটনাই মৰ্মাহত কৰি তুলিছে সকলোকে। নিজ মাতৃৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতো এবাৰলৈও চাবলৈ নাহিল একমাত্ৰ কন্যা ৰেখা কলিতা। নলবাৰী বৰকুৰিহাৰ প্ৰভাৱতী তালুকদাৰে সুদীৰ্ঘ বছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল হাজো অঞ্চলৰ শ্ৰীকান্ত তালুকদাৰৰ স'তে। পিছে দুই পুত্ৰ-কন্যা এমাডিমা থকা অৱস্থাতে স্বামীক হেৰুৱাই দিকবিদিক হেৰুৱাই পেলাইছিল প্ৰভাৱতী তালুকদাৰে। পৰৱৰ্তী সময়ত দুই সন্তানক বুকুত বান্ধি লৈ নলবাৰীৰ মাতৃগৃহলৈ গুচি আহে মহিলাগৰাকী। পিছত বুদ্ৰুকুছিৰ নিজ গৃহ অঞ্চলতে থকা খাদী উদ্যোগত এটা সময় কাম কৰাৰ লগতে শেষাংশ ৯ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'সংযমী' ভাৰতক উচটাই পাকিস্তানে মাতিছে

সেন্দূৰ'ৰ পিছত প্ৰতিশোধ ল'বলৈ হাহাকাৰ কৰি পাকিস্তান সেনাই ৮ আৰু ৯ মে'ৰ নিশা ভাৰতীয় সামৰিক ঘাটি আৰু সেনা শিবিৰত ৩০০-৪০০ ড্ৰোন আৰু মিছাইলেৰে আক্ৰমণ চলায়। অৱশ্যে পাকিস্তানৰ এই আক্ৰমণ প্ৰতিহত কৰে ভাৰতীয় সেনাই। জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানী সেনাই সংঘটিত কৰা গোলাবৰ্ষণত দুজন সেনা জোৱান শ্বহীদ হয়। এই আক্ৰমণত নিহত হৈছে দুজন সাধাৰণ নাগৰিকো। উল্লেখ্য যে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত প্ৰত্যুত্তৰস্বৰূপে ৭ মে'ৰ নিশা পাকিস্তানৰ বুকুত 'অপাৰেচন সেন্দূৰ' চলাই ৯ টাকৈ সন্ত্ৰাসবাদী ঘাটি ধ্বংস কৰিছিল ভাৰতে। ইয়াৰ পিছতে দুয়োখন দেশৰ মাজত সংঘাত তীব্ৰতৰ হৈ পৰিছে, এতিয়া পূৰ্ণাংগ যুদ্ধৰ সম্ভাৱনাও বৃদ্ধি পাইছে। বৃহস্পতিবাৰে নিশা পাকিস্তানে লেহৰ পৰা ছাৰ ক্ৰিকলৈকে পশ্চিম সীমান্তত একাধিক আক্ৰমণ চলায়। জম্মু-কাশ্মীৰৰ সাম্বা, আৰ এছ পুৰা, অৰ্ণিয়া, হিৰানগৰ খণ্ডত প্ৰচণ্ড গোলাবৰ্ষণ সংঘটিত কৰে পাক সেনাই। সাম্বাতো প্ৰচণ্ড আৰ্টিলাৰী গুলী আৰু ড্ৰোন আক্ৰমণৰ খবৰ পোৱা গৈছে। পাকিস্তানে জম্মু, পাঠানকোট, উধামপুৰ, জলন্ধৰ, অমৃতসৰত সামৰিক ঘাটিক লক্ষ্য কৰি ড্ৰোন আৰু মিছাইল নিক্ষেপ কৰে। ভাৰতীয় বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই আঠটা ক্ষেপণাস্ত্ৰ আৰু একাধিক ড্ৰ'ন ধ্বংস কৰে। সূত্ৰই জনোৱা মতে, পাকিস্তানী এফ-১৬ যুঁজাৰু বিমান এখনো ভাৰতীয় বাহিনীয়ে গুলীয়াই ভূপতিত কৰে। গুজৰাটতো আটক কৰা হয় এখন পাকিস্তানী ড্ৰোন। ৰাজস্থানৰ জয়ছালমেৰত বিস্ফোৰণৰ শব্দ শুনা পোৱাৰ লগতে পাকিস্তানী ড্ৰোন ধ্বংস হোৱাৰ পিছত বোমাসদৃশ বস্তু উদ্ধাৰ হয়। পাকিস্তানৰ এই ধাৰাবাহিক আক্ৰমণৰ প্ৰচেষ্টা সন্দৰ্ভত শুকুৰবাৰে সংবাদমেল যোগে সবিশেষ ব্যক্ত কৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু প্ৰতিৰক্ষা বিভাগে। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে ভাৰতে নিজৰ চহৰখনক আক্ৰমণ কৰাৰ বাবে তেওঁলোকক দোষাৰোপ কৰিছে বুলি পাকিস্তানে দাবী কৰাটো এক উন্মাদ কল্পনা আৰু মিছা অপপ্ৰচাৰ। তেওঁ কয় যে পাকিস্তানে ভাৰতে নানকনা চাহাব গুৰুদ্বাৰত ড্ৰোন আক্ৰমণ চলাইছিল বুলি দাবী কৰিছে, যিটো সম্পূৰ্ণ মিছা। তেওঁ কয় যে এনে ভুৱা দাবীৰে ভাৰতত সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টিৰ প্ৰয়াস কৰিছে পাকিস্তানে। মিশ্ৰীয়ে পাকিস্তানৰ এই কাৰ্যক উত্তেজক বুলি অভিহিত কৰে। তেওঁ কয় যে ভাৰতে সংযত আৰু পৰিমিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। পাকিস্তানে এই আক্ৰমণক অস্বীকাৰ কৰাটো তেওঁলোকৰ দ্বিধাবোধৰ এক নতুন উদাহৰণ। মিশ্ৰীয়ে লগতে কয় যে পেহেলগাম আক্ ৰমণৰ বাবে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ বিবৃতিত উগ্ৰপন্থী সংগঠন দ্য ৰেজিষ্টেন্স ফ'ৰ্চ (টি আৰ এফ)ৰ নাম অন্তৰ্ভুক্ত কৰাত বাধা দিছিল পাকিস্তানে। তেওঁ পাকিস্তানৰ ইতিহাসৰ উদ্ধৃতি দি কয় যে তেওঁলোকে প্ৰায়ে সন্ত্ৰাসবাদীৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য কৰাৰ দৰে কাম কৰি আহিছে। চাছিদ মীৰৰ দৰে সন্ত্ৰাসবাদীক প্ৰথমে মৃত বুলি ঘোষণা কৰি শেষত আন্তঃৰাষ্ট্ৰীয় হেঁচাত পৰি গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হোৱা পাকিস্তানৰ পৰা আৰু কি আশা কৰিব পাৰি বুলিও কটাক্ষ কৰে মিশ্ৰীয়ে। ইফালে. কৰ্নেল ছোফিয়া কুৰেশ্বীয়ে কয় যে পাকিস্তানে তুৰ্কীত নিৰ্মিত এছিছগাৰ্ড ছংগাৰ ড্ৰোন ব্যৱহাৰ কৰিছিল, যিটো সম্ভৱতঃ চোৰাংচোৱা তথ্য সংগ্ৰহৰ বাবে প্ৰেৰণ কৰা হৈছিল। ভাৰতীয় সেনাই এই ড্ৰোনসমূহ ধ্বংস কৰিবলৈ সক্ষম হয়। তেওঁ কয় যে শুকুৰবাৰে পুৱা ভাৰতীয় বাহিনীয়ে পাকিস্তানৰ একাধিক এয়াৰ ডিফেন্স ৰাডাৰ আৰু ছিষ্টেমত আক্ৰমণ চলায়। ভাৰতৰ আক্ৰমণত লাহোৰৰ এয়াৰ ডিফেন্স ছিষ্টেম অক্ষম হৈ পৰে। কৰ্নেল কুৰেশ্বীয়ে কয় যে পাকিস্তানে ভাৰতৰ ১৫ টা স্থানত আক্ৰমণৰ চেষ্টা চলাইছিল, যিটো বিফল কৰিবলৈ সক্ষম হয় ভাৰতে। লগতে তেওঁ কয় যে অপাৰেচন সেন্দূৰত কোনো পাকিস্তানী সামৰিক ঘাটি লক্ষ্য কৰা হোৱা নাছিল, আৰু ভাৰতৰ আক্ৰমণ সম্পূৰ্ণৰূপে উগ্ৰপন্থী ঘাটিৰ ওপৰত কৰা হৈছে। উইং কমাণ্ডাৰ ব্যোমিকা সিঙে কয় যে ভাৰতীয় বায়ুসেনাই যথেষ্ট সংযম দেখুৱাইছে। ভাৰতে অসামৰিক বিমান পৰিবহণৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ কৰি দিছে যদিও পাকিস্তানে কৰাচী-লাহোৰ পথত অসামৰিক বিমান পৰিবহণ অব্যাহত ৰাখিছে। তেওঁ অভিযোগ কৰে যে পাকিস্তানে অসামৰিক বিমানক ঢাল হিচাপে ব্যৱহাৰ কৰি আছে, যিটো আন্তঃৰাষ্ট্ৰীয় বিমান সেৱাৰ বাবে বিপজ্জনক। ফ্লাইটৰাডাৰ ২৪ ৰ তথ্য দেখুৱাই তেওঁ কয় যে পঞ্জাৱ খণ্ডত হাই এলাৰ্টৰ সময়তো পাকিস্তানে নিজৰ আকাশমাৰ্গ বন্ধ কৰা নাছিল। পাকিস্তানৰ আক্ৰমণৰ প্ৰতিক্ৰিয়াস্বৰূপে ভাৰতে পাকিস্তানৰ চাৰিটা এয়াৰ ডিফেন্স ছাইটলৈ সশস্ত্ৰ ড্ৰোন প্ৰেৰণ কৰি এয়াৰ ডিফেন্স ৰাডাৰৰ এটা ধ্বংস কৰে। পাকিস্তানে নিয়ন্ত্ৰণ ৰেখাৰ সিপাৰে গধুৰ কেলিবাৰ আৰ্টিলাৰী আৰু সশস্ত্ৰ ড্ৰোনেৰে গোলাবৰ্ষণ কৰি ভাৰতীয় সৈন্যৰ ক্ষতি কৰে। কিন্তু ভাৰতৰ প্ৰত্যাক্ৰমণত পাকিস্তানী সেনাৰো যথেষ্ট লোকচান হয়। ইফালে, জম্মু-কাশ্মীৰত পাকিস্তানে গুলীচালনা কৰাৰ ফলত সাধাৰণ নাগৰিক আৰু জোৱানৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিছে। উৰি ছেক্টৰৰ ৰাজাৰৱানী গাঁৱত বৃহস্পতিবাৰে নিশা পাকিস্তানৰ আৰ্টিলাৰীৰ গুলীত নিহত হয় ৪৫ বছৰীয়া নাৰ্গিছ বানো। একে সময়তে, উৰিৰ ছালামাবাদ গাঁৱত পাকিস্তানৰ গোলাবৰ্ষণৰ ধোঁৱাৰ গোন্ধ এতিয়াও বিয়পি আছে বতাহত। পাকিস্তানী সেনাই চিলিকোট, কমলকোট, বনিয়াৰ, জিংগাল আৰু মহুৰাত একাধিক অসামৰিক বসতিস্থলীক লক্ষ্য কৰি আক্ৰমণ চলায়। ছালামাবাদৰ দুটা ঘৰ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ লগতে ১৩ বছৰীয়া কিশোৰী আৰু ৪ বছৰীয়া শিশুকে ধৰি চাৰিজন লোক আহত হয়। অন্যহাতে পাকিস্তানৰ সৈতে যুঁজি বৃহস্পতিবাৰে নিশা শ্বহীদ হ'ল দুজন ভাৰতীয় জোৱানো। জম্মু-কাশ্মীৰত শ্বহীদ হয় অন্ধ্ৰপ্ৰদেশৰ এম মুৰালি নাইক নামৰ জোৱানজন। ইয়াৰ পূৰ্বে হাৰিয়ানাৰ লেন্স নাইক দীনেশ কুমাৰ শ্বহীদ হৈছিল। ইফালে, সাম্বাত সীমান্ত পাৰ হৈ অনুপ্ৰৱেশ কৰিবলৈ চেষ্টা কৰি থকা অৱস্থাত নিৰাপত্তা বাহিনীয়ে ৭ জন উগ্ৰপন্থীক নিহত কৰে। পাকিস্তানী ৰেঞ্জাৰৰ সহায়ত অনুপ্ৰৱেশৰ চেষ্টা চলোৱা বুলি জানিবলৈ দিয়ে বিএছএফে। জম্মু আৰু শ্ৰীনগৰত জটিল প্ৰতিৰক্ষা আন্তঃগাঁথনিৰ সমীপত ড্ৰোন আৰু মিছাইল আক্ৰমণৰ খবৰ পোৱা গৈছে। ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাই এই ভাবুকি নিষ্ক্ৰিয় কৰি পেলায় যদিও ইয়াৰ ফলত চহৰসমূহত বিদ্যুৎ বিচ্ছিন্ন হৈ পৰে। ইফালে সীমান্তৱৰ্তী অঞ্চলসমূহত এই যুদ্ধ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চণ্ডীগড় প্ৰশাসনে শুকুৰবাৰে সন্ধিয়া ৭ বজাৰ ভিতৰত সকলো দোকান বন্ধ কৰিবলৈ নিৰ্দেশ জাৰি কৰে। গুজৰাটৰ গৃহমন্ত্ৰী হৰ্ষ সংঘৱীয়ে কয় যে ১৫ মে' পৰ্যন্ত কোনো অনুষ্ঠানতে আতচবাজী বা ড্ৰোনৰ অনুমতি দিয়া নহ'ব। ৰাজস্থানৰ বাৰমেৰ জিলাতো ড্ৰোনৰ উৰণ নিষিদ্ধ কৰা হৈছে আৰু সকলো ড্ৰোন আৰক্ষীৰ ওচৰত জমা দিবলৈ কোৱা হৈছে। দুমাহৰ বাবে আতচবাজীৰ ওপৰতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। ইণ্ডিগ' এয়াৰলাইন্সে শ্ৰীনগৰ, জম্মু, অমৃতসৰ, লেহ, চণ্ডীগড়, ধৰমশালা, বিকানেৰ, যোধপুৰ, কিশানগড় আৰু ৰাজকোটলৈ যোৱা বিমান সেৱা ১০ মে'লৈ বাতিল কৰিছে। জম্মু-কাশ্মীৰৰ শিক্ষানুষ্ঠানসমূহ শুকুৰবাৰ আৰু শনিবাৰে বন্ধ হৈ আছে। পঞ্জাৱৰ ফিৰোজপুৰ, পাঠানকোট, ফাজিলকা, অমৃতসৰ, টাৰ্ন তৰণ, গুৰুদাসপুৰ জিলাৰ শিক্ষানুষ্ঠানসমূহ অহা ১১ মে'লৈকে বন্ধ থাকিব।ৰাজস্থানৰ শ্ৰীগংগানগৰ, বিকানেৰ, যোধপুৰ, জয়ছালমেৰ, আৰু বৰমেৰ জিলাতো বিদ্যালয়-মহাবিদ্যালয়সমূহ বন্ধ কৰি দিয়া হৈছে। জম্মুৰ জম্মু, চাম্বা, কঠুৱা, ৰাজৌৰী আৰু পুঞ্চ জিলাত শিক্ষানুষ্ঠান বন্ধ হৈ আছে। হাৰিয়ানাৰ পঞ্চকুলাত সম্পূৰ্ণ ব্লেকআউট কাৰ্যকৰী কৰা হৈছে। জলন্ধৰ আৰু পঞ্জাৱৰ চাম্বাতো ব্লেকআউট জাৰি কৰা হৈছে। এই যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শুকুৰবাৰে নতুন দিল্লীৰ ছাউথ ব্লকত ৰাজনাথ সিঙে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰে, য'ত প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহান, সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী, এয়াৰ চীফ মাৰ্শ্বাল এ পি সিং আৰু প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল আৰু গৃহ সচিব গোবিন্দ মোহনৰ সৈতে বৈঠকত মিলিত হয়। তেওঁ গুৰুত্ব আৰোপ কৰে যে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়ত সকলো মন্ত্ৰালয় আৰু সংস্থাৰ মাজত নিৰৱচ্ছিন্ন সমন্বয় থাকিব লাগিব। তেওঁ জৰুৰীকালীন সঁহাৰি আৰু আভ্যন্তৰীণ যোগাযোগ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, কৰ্ণাটক কংগ্ৰেছেও শুকুৰবাৰে কে আৰ চাৰ্কলৰ পৰা বেংগালুৰুৰ মিনস্ক চৌহদলৈ ত্ৰিৰংগা পদযাত্ৰা কৰি সেনাবাহিনীলৈ সমৰ্থন প্ৰকাশ কৰে। ইফালে, ভাৰত-পাকিস্তান সীমান্তত চলি থকা উত্তেজনাৰ মাজতে কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে ই-কমাৰ্চ প্লেটফৰ্মত অকৰ্তৃত্বশীল ৱাকি-টকি বিক্ৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে ছ'চিয়েল মিডিয়া পোষ্টত স্পষ্ট কৰি এই কথা কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পাকিস্তানক সমৰ্থন কৰা দুজনক ধুবুৰীত

ইতিমধ্যে কঠোৰ হৈছে অসম চৰকাৰ। অসম আৰক্ষীয়ে পাকিস্তানক সমৰ্থন কৰা লোকসকলক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰিছে। তাৰ মাজতে এইবাৰ নামনি অসমৰ ধুবুৰীত জিলাত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীয়ে। সামাজিক মাধ্যমত সাম্প্ৰদায়িক বিদ্বেষ সৃষ্টি হ'ব পৰা উচটনিমূলক আৰু পাকিস্তানক সমৰ্থন জনোৱাৰ সন্দেহত দুয়োজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গৌৰীপুৰ থানাৰ অন্তৰ্গত এলেকাৰ আলোমগঞ্জৰ আবুবিন মিৰাজ উদ্দিন শ্বেখ আৰু পূবেৰ গাঁৱৰ আৰিফ ৰহমানক গ্ৰেপ্তাৰ কৰা হৈছে। আজি পুৱা তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। তেওঁলোকৰ বিৰুদ্ধে ফেচবুক একাউন্টৰ জৰিয়তে প্ৰচাৰিত উচটনিমূলক ভিডিঅ' শ্বেয়াৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। আৰক্ষীৰ মতে, এই ধৰণৰ কাৰ্যৰ দ্বাৰা সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি হোৱাৰ আশংকা থাকে। সন্দেহজনক পোষ্টক লৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে কয় যে শ্বেখ আৰু ৰহমানৰ বিৰুদ্ধে বিভিন্ন সম্প্ৰদায়ৰ মাজত বিভাজন সৃষ্টি কৰা আৰু শান্তি ভংগ কৰাৰ অভিযোগত আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসমৰ বাংলাদেশ সীমান্তত ড্ৰোন উদ্ধাৰ

তাৰ মাজতে আজি বাংলাদেশ সীমান্তত এটা ড্ৰোন উদ্ধাৰ হৈছে। বৰাক উপত্যকাৰ শ্ৰীভূমিৰ চৰবজাৰ এলেকাত এটা ড্ৰোন উদ্ধাৰ হয়। ড্ৰোন উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে ড্ৰোনটো লক্ষ্য কৰি আৰক্ষীক অৱগত কৰাত আৰক্ষী দল ঘটনাস্থলীত উপস্থিত হৈ ড্ৰোনটো উদ্ধাৰ কৰি থানালৈ নিয়ে। প্ৰাথমিক তদন্তত অনুমান কৰা হৈছে যে ড্ৰোনটো বাংলাদেশৰ পৰা পৰিচালনা কৰা হ'ব পাৰে। এই সন্দেহৰ ভিত্তিত আৰক্ষীয়ে বিষয়টো অধিক গভীৰভাৱে তদন্ত আৰম্ভ কৰিছে। বিশেষকৈ সীমান্তৰ ওচৰৰ এলেকাসমূহত এনেধৰণৰ সন্দেহজনক গতিবিধিৰ বাবে সতৰ্কতা বৃদ্ধি কৰা হৈছে। ঘটনাৰ লগে লগে আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকলে এলেকাটো পৰিদৰ্শন কৰে আৰু সুৰক্ষা ব্যৱস্থা কঠোৰ কৰাৰ নিৰ্দেশ দিয়ে। ড্ৰোনটোত কোনো বিস্ফোৰক বা বিশেষ উপকৰণ আছেনে নাই সেই সন্দৰ্ভত ব'ম্ব স্ক'ৱাডে পৰীক্ষা আৰম্ভ কৰিছে। এই ঘটনাই শ্ৰীভূমিত উদ্বেগৰ পৰিৱেশ সৃষ্টি কৰিছে। আৰক্ষীয়ে ৰাইজক অযথা আতংকিত নোহোৱাৰ অনুৰোধ জনাইছে। সন্দেহজনক ব্যক্তি বা সামগ্ৰী দেখা পালে তৎক্ষণাৎ আৰক্ষীক জনাবলৈ আহ্বান জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত বিনামূলীয়া হ'ব পাৰ্কিং

ব্যৱসায়ীৰ মাচুল হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। গুৱাহাটী পৌৰ নিগমে সাধাৰণ ব্যৱসায় অনুমতিৰ বাবে ট্ৰেড লাইচেন্সৰ অন্তৰ্গত ৭ হাজাৰৰ পৰা হ্ৰাস কৰি ১৫০ ৰ তললৈ নিয়াৰ কথা ঘোষণা কৰে। এই পদক্ষেপৰ জৰিয়তে আবেদন প্ৰক্ৰিয়া অধিক সৰল আৰু সহজসাধ্য হ'ব বুলি আশা কৰা হৈছে। সৰু ব্যৱসায়ী, বিশেষকৈ ক্ষুদ্ৰ উদ্যোগবোৰৰ বাবে পৌৰ নিগমে পাণ দোকান আৰু চাউল-তেলৰ দোকান যেনে ১০০ বৰ্গফুটৰ তলৰ সৰু প্ৰতিষ্ঠানবোৰৰ বাৰ্ষিক ব্যৱসায় অনুমতি মাচুল ১,৭৫০ টকাৰ পৰা হ্ৰাস কৰি এহাজাৰ টকা কৰিছে। লগতে ১ জুনৰ পৰা দুচকীয়া আৰু তিনি-চকীয়া বাহনৰ বাবে পাৰ্কিং বিনামূলীয়া কৰা হ'ব। দৈনন্দিন যাত্ৰীসকলৰ ওপৰত কৰৰ ভাৰ হ্ৰাস আৰু পৰিৱেশবান্ধৱ পৰিবহণৰ প্ৰচাৰত সহায় কৰিবলৈ পৌৰ নিগমে ঘোষণা কৰিছে। ১ জুনৰ পৰা পৌৰ নিগমে নিবিদাত চলা সকলো পাৰ্কিং লটত দুচকীয়া আৰু তিনিচকীয়া বাহনৰ বাবে বিনামূলীয়া পাৰ্কিং সুবিধা উপলব্ধ হ'ব। নিগমে জানিবলৈ দিয়া মতে, এই পদক্ষেপে ৰাজহ ৰেহাই হোৱাৰ লগতে প্ৰৱেশ সহজ কৰাৰ লগতে নগৰ অভ্যন্তৰীণ যাত্ৰাৰ খৰচো কমিব। সমাজৰ পিছপৰা অংশৰ মহিলাসকলক সবলীকৰণ কৰাৰ লক্ষ্যৰে নিগমৰ অধীনত থকা বজাৰসমূহত ব্যৱসায় কৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলাৰ বাবে বজাৰ মাচুল ৰেহাই ঘোষণা কৰিছে। এই ৰেহাই ১ জুন, ২০২৫ ৰ পৰা কাৰ্যকৰী হ'ব আৰু ব্যক্তিসকলক চিনাক্ত কৰি পৰিচয়পত্ৰ প্ৰদান কৰা হ'ব। গুৱাহাটী পৌৰ নিগমৰ বিষয়াসকলে এই সংস্কাৰসমূহ গুৱাহাটীত এক ন্যায়সংগত নগৰ পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়াস কৰিছে। সকলো অংশীদাৰ, ব্যৱসায়ী, বিক্ৰেতা আৰু যাত্ৰীসকলক ইয়াৰ সুফল উপভোগ কৰিবলৈ আহ্বান জনাইছে পৌৰ নিগমে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটী বিমানবন্দৰত সতৰ্কতা জাৰি

জনাইছে কৰ্তৃপক্ষই। বিমানবন্দৰ সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ আছে যদিও নিৰাপত্তা ব্যৱস্থা অধিক কঠোৰ হোৱাৰ বাবে চেক-ইন আৰু সুৰক্ষা নিৰীক্ষণত সময় অধিক লাগিব পাৰে বুলি যাত্ৰীক অৱগত কৰিছে কৰ্তৃপক্ষই। বিমানবন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক পৰামৰ্শ দি কয় যে উৰণৰ নিৰ্ধাৰিত সময়ৰ আগতেই হাতত বেছি সময় লৈ বিমানবন্দৰত উপস্থিত হওক। যাতে কোনো উৰণ বাধাগ্ৰস্ত নহয়। এজন মুখপাত্ৰই কয় যে নিৰাপত্তা ব্যৱস্থাসমূহ অধিক কঠোৰ কৰা হোৱাৰ ফলত অপেক্ষাৰ সময় বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আমি সকলো যাত্ৰীক তেওঁলোকৰ নিজ নিজ এয়াৰলাইনৰ সৈতে যোগাযোগ ৰাখি আৰু কেৱল চৰকাৰী উৎসৰ জৰিয়তে তথ্য অৱগত হৈ থাকিবলৈ অনুৰোধ জনাইছো। নিৰ্বিঘ্ন যাত্ৰা নিশ্চিত কৰিবলৈ যাত্ৰীসকলক কিছু নিৰ্দিষ্ট কৰিবলগীয়া আৰু নকৰিবলগীয়া কাৰ্য অনুসৰণ কৰিবলৈ অনুৰোধ কৰা হৈছে। যেনে আগতীয়াকৈ উপস্থিত হ'ব আৰু সুৰক্ষা পৰীক্ষাৰ বাবে যথেষ্ট সময়ৰ দৰকাৰ হ'ব, বিমানবন্দৰ আৰু নিৰাপত্তাত জড়িত জোৱানৰ সৈতে সহযোগ কৰা, গুৱাহাটী বিমানবন্দৰৰ ছ'চিয়েল মিডিয়া হেণ্ডুলসমূহ অনুসৰণ কৰি ৰিয়েল-টাইম তথ্য লাভ কৰিব, নিজ এয়াৰলাইনৰ সৈতে যোগাযোগ কৰি উৰণ-সম্পৰ্কীয় তথ্য লাভ কৰিব। দেশজুৰি স্পৰ্শকাতৰ নিৰাপত্তা পৰিৱেশৰ প্ৰেক্ষাপটত বিমানবন্দৰ সম্পৰ্কীয় তথ্য সামাজিক মাধ্যমত শ্বেয়াৰ নকৰিবলৈ দৃঢ়ভাৱে কোৱা হৈছে। গুৱাহাটী বিমান বন্দৰ কৰ্তৃপক্ষই কয় যে নিৰ্দিষ্ট সামগ্ৰী, বিশেষকৈ লিকুইড, এয়েৰ'ছ'ল আৰু জেল আদি নিষিদ্ধ কৰা হৈছে। নিষিদ্ধ সামগ্ৰীৰ ভিতৰত আছে কৰ্পূৰ, ই-চিগাৰেট, স্প্ৰে পেইণ্ট আৰু যিসকল ডিভাইচত অত্যধিক লিথিয়াম বেটাৰী থাকে। এজন বিষয়াই কয় যে অতি সাম্প্ৰতিক সময়ত কিছুমান যাত্ৰীয়ে অসাৱধানতাৰে নিষিদ্ধ সামগ্ৰী কঢ়িয়াই অনা দেখা গৈছে। আমি সকলো যাত্ৰীক বিমানবন্দৰলৈ অহাৰ আগতেই তেওঁলোকৰ এয়াৰলাইনৰ পৰা পৰামৰ্শ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অৰুণাচলৰ লংডিঙত ৰাজপথত বিদ্ৰোহ

আজি ৰাইজ ৰাজপথলৈ ওলাই আহে। ঐক্যবদ্ধ শান্তি ৰেলী উলিয়াই বিদ্ৰোহীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি বহু বছৰীয়া যন্ত্ৰণাৰ অৱসান বিচাৰি জনসাধাৰণে ঐক্যবদ্ধ প্ৰতিবাদ সাব্যস্ত কৰি শান্তি বাহাল কৰাৰ দাবী জনাইছে। ৰানেছা কাউন্সিলৰ নেতৃত্বত শিশু, মহিলা, বৃদ্ধসহ কেইবাশতাধিক লোক উপস্থিত থকা অশান্তিময় পৰিৱেশৰ অৱসান দাবী কৰে। ৰেলীত ৰানেছা ৰাংঘাম কাউন্সিল, লংডিং জিলা ছাত্ৰ সন্থা, গাঁওবুঢ়া, জিলা পৰিষদৰ সভাপতি, লংডিং, কানুবাৰী, পংচাউ, টিছা আৰু ৰাক্কাৰ বজাৰ কল্যাণ সমিতিসমূহৰ প্ৰতিনিধিয়ে অংশ লয়। প্ৰতিবাদকাৰীসকলে বিদ্ৰোহী ৰোধ কৰক, ৰক্তপাত ৰোধ কৰক, লংডিঙক শান্তি লাগে আদি শ্ল'গানসম্বলিত বেনাৰ আৰু পোষ্টাৰ হাতে হাতে লৈ প্ৰতিবাদ জনায়। প্ৰতিবাদকাৰীসকলে উপায়ুক্ত বেকিৰ ন্যোৰাকক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ দাখিল কৰি বিদ্ৰোহী কাৰ্যকলাপ বন্ধ কৰিবলৈ চৰকাৰক তৎপৰ হোৱাৰ আহ্বান জনায়। এই ৰেলীত অংশগ্ৰহণ কৰা এগৰাকী বয়োজ্যেষ্ঠ নাগৰিকে কয় যে আমাৰ বিদ্ৰোহী আৰু সুৰক্ষা বাহিনীৰ মাজত মৰণ হৈছে। সাধাৰণ ৰাইজ বলি হ'ব লগা হৈছে। সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বলবৎ হৈ থকাত ২০১৮ চনৰ পৰা এতিয়ালৈকে জিলাখনত ৯০ৰো অধিক অপহৰণৰ ঘটনা সংঘটিত হৈছে। যি জিলাখনৰ সুৰক্ষা ওপৰত এক গুৰুতৰ প্ৰশ্ন।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'জিলাই জিলাই চিকিৎসা মহাবিদ্যালয়

উপস্থিত থাকি নিজৰ ভাষণত এইদৰে কয় মন্ত্ৰীগৰাকীয়ে। ভাষণৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে সভাত উপস্থিত থকা সকলোকে নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে দুবছৰ পূৰ্বে আজিৰ এই দিনটোতে আমি অনুমতি পত্ৰ (LOP) লাভ কৰিছিলো। আজি দুটা বছৰৰ ব্যৱধানতে আমি সফলতাৰ বাট বুলিব পাৰিছো। চিকিৎসা মহাবিদ্যালয়খনে দুটা বছৰ সুন্দৰকৈ অতিক্ৰম কৰাৰ কাৰণে মন্ত্ৰীগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে নলবাৰী জিলা আৰু দাঁতি কাষৰীয়া অঞ্চলৰ ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত NMCH-ৰ সফলতাত অৰিহণা যোগোৱা অধ্যাপক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীকে ধৰি ইয়াৰ লগত জড়িত সকলোকে নিষ্ঠাসহকাৰে নিজৰ দায়িত্ব পালন কৰাৰ বাবে অভিনন্দন তথা ধন্যবাদ জ্ঞাপন কৰে। বৰ্তমান এই চিকিৎসা মহাবিদ্যালয়খনে বহুতৰ জীৱন পৰিৱৰ্তন কৰাই নহয়, আগন্তুক প্ৰজন্মৰ বাবেও এক সুস্থ আৰু উজ্জ্বল ভৱিষ্যত গঢ় দিয়াৰ প্ৰতিশ্ৰুতি বহন কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে নলবাৰীবাসী ৰাইজৰ কাৰণে চিকিৎসা মহাবিদ্যালয়খন এক আশাৰ বতৰা আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সুদূৰপ্ৰসাৰী চিন্তা আৰু নলবাৰাৰীৰ প্ৰতি থকা অগাধ মৰমে মহাবিদ্যালয়খন এই পৰ্যায়ত আজি উপনীত হ'বলৈ সক্ষম হৈছে। অসমৰ প্ৰত্যেকখন জিলাতে একো একোখনকৈ চিকিৎসা মহাবিদ্যালয় গঢ়াৰ মুখ্যমন্ত্ৰীৰ এটা ডাঙৰ সপোন আছিল। সেয়ে মুখ্যমন্ত্ৰীয়ে নলবাৰীতো ক্ষীপ্ৰতাৰে পদক্ষেপ গ্ৰহণ কৰি চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ কাম আৰম্ভ কৰিছিল। মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহিবিদ্যালয়খন কেনেদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আজিৰ এই অৱস্থাত উপনীত হৈছে সেই বিষয়ে ব্যাখ্যা দাঙি ধৰে। তেওঁ কয় যে ভাৰতবৰ্ষৰ হয়তো এনেকুৱা এখন ঠাই নোলাব, য'ত এখন ৰাজ্যিক চিকিৎসালয়ক চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা হ'ব পাৰে। দক্ষিণ গাঁও ৰাজ্যিক চিকিৎসালয়খনক কেনেকৈ পৰৱৰ্তী সময়ত এখন চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰা হ'ল মন্ত্ৰীগৰাকীয়ে সেই বিষয়ে ৰাইজক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ ভূমি পূজনৰ স্মৃতি ৰোমন্থন কৰি কয় যে যিসময়ত এই চিকিৎসা মহাবিদ্যালয়খনৰ ভূমি পূজন কৰিবলৈ আহিছিলো, সেই সময়ত 'কা' আন্দোলনৰ মাজেৰে, হেঁচা-ঠেলা কৰি ইয়ালৈ আহিছিলো। বহু সংঘাতৰ মাজেৰে এই মহাবিদ্যালয়খন আৰম্ভ হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে নলবাৰী চিভিল হাস্পতালখন ইয়াৰ লগত সমাহিত কৰি যেতিয়া নলবাৰী চিকিৎসা মহাবিদ্যালয়খন আৰম্ভ কৰাৰ কথা কোৱা হৈছিল তেতিয়া এচাম মানুহৰ আন্দোলন, এচাম মানুহৰ বিভিন্ন ধৰণৰ বক্তব্যই ৰাজনৈতিকভাৱে আমাক বহুত অসুবিধাত পেলাইছিল। তেওঁ কয় যে যেনেকৈ সন্তান এটা প্ৰসৱ কৰাৰ আগতে মাতৃয়ে প্ৰসৱ বেদনা ল'ব লাগে, তেনেকৈ আমিও ভাবি লৈছিলো যে কিছু ঘাত-প্ৰতিঘাত থাকিব। কিন্তু চিকিৎসা মহাবিদ্যালয়খন কেনেকৈ পূৰ্ণাংগ ৰূপ দিব পাৰো আমাৰ সেয়াই লক্ষ্য আছিল। মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰশাসনিক বিভাগৰ লগত জড়িত লোকসকলক উদ্দেশ্যি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। এই চিকিৎসা মহাবিদ্যালয়খনৰ ব্যৱস্থাটোক সঠিক ৰূপত ল'বৰ কাৰণে প্ৰশাসনত থকা লোকসকল প্ৰশাসনীয় দক্ষতাৰে কঠোৰ হ'ব লাগিব বুলি তেওঁ উল্লেখ কৰে। আনহাতে, ইয়াৰ লগত জড়িত চিকিৎসক, নাৰ্ছ তথা কৰ্মচাৰীসকলক উদ্দেশ্যিও তেওঁ ভাষণ দাঙি ধৰে। এই চিকিৎসা মহাবিদ্যালয়খনক কেনেদৰে এখন আগশাৰীৰ চিকিৎসা মহাবিদ্যালয় হিচাপে গঢ়ি তুলিব পাৰি সকলোকে সেই লক্ষ্য আগত লৈ কাম কৰি যাবলৈ তেওঁ আহ্বান জনায়। চিকিৎসকলক উদ্দেশ্যি তেওঁ কয় যে আমি যি বৃত্তিতে নাথাকো কিয় আমাৰ দায়িত্ব হ'ল দেশ সেৱা বা ৰাষ্ট্ৰ সেৱা। চিকিৎসকসকলক সেৱাৰ মনভাৱেৰে ৰাইজৰ কাম কৰি যাবলৈ তেওঁ আহ্বান জনায়। এই অনুষ্ঠানত DME-ৰ সঞ্চালক ড০ অনুপ কুমাৰ বৰ্মন, NMCH-ৰ অধ্যক্ষ বাবুল কুমাৰ বেজবৰুৱা, SSUHS-ৰ পঞ্জীয়ক (শিক্ষা) ড০ ৰকেট চন্দ্ৰ ব্ৰহ্ম, নলবাৰী জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড০ কৈলাশ ডেকা, NMCH-ৰ উপাধ্যক্ষ ড০ বস্তি বৰা, NMCH-ৰ অধীক্ষক ড০ মাধৱ ৰাজবংশী তথা অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শেষবাৰলৈও মাতৃৰ মুখ চাবলৈ নাহিল

পুৱাৰ ভাগত টিউচন কৰি দুই পুত্ৰ কন্যাক ডাঙৰ কৰিছিল। পৰৱৰ্তী সময়ত পুত্ৰক বিবাহ কৰোৱাই দিয়াৰ লগতে কন্যা ৰেখা কলিতাকো বিবাহ সম্পন্ন কৰাই দিয়ে। দীৰ্ঘ বছৰ তেনেকৈয়ে চলি অহাৰ পিছত কিছু বছৰ পূৰ্বে পুত্ৰৰ মৃত্যু ঘটে। পুত্ৰ শোকত দগ্ধ হৈ মাতৃ প্ৰভাৱতী তালুকদাৰে উচ্চ ৰক্তচাপত ভুগি দেহৰ এটা অংশ বিকল হৈ পৰে। লাহে লাহে বোৱাৰীৰ পৰা এলাগী হৈ পৰে ৭০ উৰ্ধ্বৰ বৃদ্ধাগৰাকী। বোৱাৰী, নিজৰ জী-জোঁৱাই, নাতি-নাতিনীকে ধৰি আত্মীয়-স্বজনৰ পৰা লাহে লাহে এলাগী হৈ পৰে বৃদ্ধাগৰাকী। অৱশেষত দুজন লোকৰ সহায়ত এদিন নলবাৰী সদৰ থানাত কোনোমতে উপস্থিত হয় বৃদ্ধা প্ৰভাৱতী তালুকদাৰ। বৃদ্ধাগৰাকীক লৈ বিপাঙত পৰে নলবাৰী সদৰ থানাৰ আৰক্ষী। আৰক্ষীৰ অনুৰোধমৰ্মে অৱশেষত বৃদ্ধাগৰাকীৰ আশ্ৰয়, ভৰণ-পোষণ আৰু চিকিৎসাৰ দায়িত্ব লয় সাংবাদিক মজিবুৰ ৰহমানে। সাংবাদিক ৰহমানৰ পৰিচালনাত চলি থকা শান্তি নিৱাস বৃদ্ধাশ্ৰমত বৃদ্ধাগৰাকীয়ে পাইছিল জীয়াই থকাৰ উশাহ। পৰৱৰ্তী সময়ত সাংবাদিক ৰহমানে বৃদ্ধাগৰাকীৰ জীয়েক ৰেখা কলিতা আৰু আত্মীয়-স্বজনক বৃদ্ধাক চমজি লবলৈ অনুৰোধ জনাইছিল যদিও কোনেও চমজি ল'বলৈ মান্তি নহ'ল। যোৱা তিনিদিন ধৰি বৃদ্ধাগৰাকী অসুস্থ হৈ মৃত্যু যন্ত্ৰণাত থকাৰ কথা জীয়েক আৰু আত্মীয়-স্বজনক জনাইছিল যদিও এবাৰলৈও চাবলৈ নাহিল জীয়েক ৰেখা কলিতাকে ধৰি আত্মীয়। অৱশেষত কন্যাৰ মুখ চোৱাৰ হেঁপাহ মনত লৈয়ে আজি বিয়লিৰ ভাগত শেষ নিশ্বাস ত্যাগ কৰে প্ৰভাৱতী তালুকদাৰে। বৃদ্ধাগৰাকীৰ মৃত্যুৰ খবৰ তেওঁৰ একমাত্ৰ জীয়ৰী ৰেখা কলিতা আৰু আত্মীয়-স্বজনক জনোৱা হৈছিল যদিও শেষবাৰৰ বাবেও চাবলৈ নাহিল একমাত্ৰ কন্যা নাতি-নাতিনীসহ আত্মীয়-স্বজন। শেষত শান্তি নিৱাস বৃদ্ধাশ্ৰমৰ আৱাসীসকলে শেষ শ্ৰদ্ধা জনোৱাৰ অন্তত আজি সন্ধিয়াৰ ভাগত নলবাৰীৰ ৰাজহুৱা শ্মশানত বৃদ্ধাগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে সাংবাদিক মজিবুৰ ৰহমানে। বৈদিক ৰীতি-নীতি মতে সাংবাদিক মজিবুৰ ৰহমানে বৃদ্ধাৰ মুখাগ্নি কৰে অনেক লোকৰ উপস্থিতিত। সাংবাদিক ৰহমানৰ এই কাৰ্যত সহযোগিতা আগবঢ়ায় সাংবাদিক জ্যোতিষ্মান শৰ্মা, উদ্দীপ্ত কুমাৰ, শ্মশান বন্ধু নবীন ডেকাকে ধৰি বিভিন্নজনে।




অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰিবলৈ অমৃতসৰৰ দোকানত গ্ৰাহকৰ ভিৰ , ফটো শুকুৰবাৰৰ

## উত্তৰ-পশ্চিম প্ৰান্তৰ কেবাখনো ৰাজ্যত কটকটীয়া নিৰাপত্তা

# ‘অপাৰেচন সেন্দূৰ’ৰ পাছত ‘হাই এলাৰ্ট’ত সমগ্ৰ দেশ

**নতুন দিল্লী, ৯ মে’:** ভাৰত-পাক সংঘাতৰ পৰিপ্ৰেক্ষিতত দেশজুৰি বিশেষ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেনাবাহিনীৰ সকলো জোৱানৰ ছুটী বাতিল কৰাৰ পাছত দিল্লীত সকলো চৰকাৰী বিষয়া-কৰ্মচাৰীৰ ছুটী বাতিল কৰা হৈছে। ৰাজধানী চহৰখনত নিৰাপত্তা সুনিশ্চিত কৰিবলৈ শ্বপিং মল, বজাৰ, মেট্ৰ’ ষ্টেশ্যনকে ধৰি জনসমাগম হোৱা বিভিন্ন ঠাইত ছিকিউৰিটী চেকিং চলোৱা হৈছে। লগতে সক্ৰিয় হৈ আছে ব’ম ডিছপজেল স্কোৱাড। ৰাজধানী চহৰখনৰ বিভিন্ন স্থানত সন্দেহযুক্ত সামগ্ৰীৰ বিৰুদ্ধে অভিযান চলাই থকা হৈছে। জিলা পৰ্যায়তো সক্ষম হৈ আছে প্ৰশাসন। যিকোনো জৰুৰী অৱস্থাৰ বাবে দিল্লীৰ জিলাসমূহত খাদ্যবস্তু, ঔষধ আদি সাজু কৰি ৰখা হৈছে। স্পৰ্শকাতৰ অঞ্চলসমূহত আৱশ্বীয়ে পেট্ৰলিং বৃদ্ধি কৰা বুলিও জানিব পৰা গৈছে। আনহাতে উত্তৰ ভাৰতৰ সীমান্তৱৰ্তী ৰাজ্য পাঞ্জাৱ, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, হাৰিয়ানা আৰু ৰাজস্থানত বন্ধ ৰখা হৈছে শিক্ষানুষ্ঠানসমূহ। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইনষ্টিটিউট অব চাৰ্টাৰ্ড একাউণ্টেণ্টছ অব ইণ্ডিয়াই ৯ ৰ পৰা ১৪ মে’ৰ ভিতৰত অনুষ্ঠিত হবলগীয়া ইয়াৰ সকলো পৰীক্ষা পিছুৱাই দিয়াৰ কথা ঘোষণা কৰিছে। সীমান্তত পাকিস্তানৰ নিৰন্তৰ আক্ৰমণৰ প্ৰচেষ্টাৰ পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰৰ কুপৱাৰা জিলাৰ কাৰনাহ অঞ্চলৰ অধিকাংশ লোকক সুৰক্ষিত স্থানলৈ আঁতৰাই পঠিওৱা হৈছে। ৰাজস্থানৰ কেইবাখনো সীমান্তৱৰ্তী জিলাত ৰে’ড এলাৰ্ট জাৰি কৰা হৈছে আৰু নিশা ৯ বজাৰপৰা পুৱা ৪ বজালৈ ব্লেক আউটৰ নীতি-নিয়ম মানি চলিবলৈ সৰ্বসাধাৰণক পৰামৰ্শ দিয়া হৈছে। গুজৰাটতো আৰক্ষীৰ ছুটী বাতিল কৰা হৈছে আৰু উপকূলীয় অঞ্চলসমূহত পেট্ৰ’লিং বঢ়াই দিয়া হৈছে। লগতে বিশেষ নীৰিক্ষণত ৰখা হৈছে জামনগৰ, মৰবি আৰু দেৱভূমি দ্বাৰকা। পাকিস্তানৰ সৈতে ৫০০ কিলোমিটাৰ আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বটোৱাৰা কৰা পাঞ্জাৱত আৰক্ষীৰ ছুটী বাতিল কৰা হৈছে আৰু ফিৰোজপুৰ, পাঠানকোট, অমৃতসৰ আদিত হাই এলাৰ্ট জাৰি কৰা হৈছে। ইফালে শেহতীয়া তথ্য মতে স্পৰ্শকাতৰ অঞ্চলত থকা ২৪ টা বিমান বন্দৰ ১৪ মে’ পৰ্যন্ত বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে।

# ১৪ মে’লৈ বন্ধ থাকিব দেশৰ ২৪টা বিমান বন্দৰ

**নতুন দিল্লী, ৯ মে’:** ১৪ মে’ পৰ্যন্ত বন্ধ থাকিব দেশৰ ২৪ টা বিমান বন্দৰ। শেহতীয়া যুদ্ধকালীন পৰিস্থিতিৰ বাবে দেশৰ ২৪ টা স্পৰ্শকাতৰ বিমানবন্দৰ ১০ মে’ৰ পৰিৱৰ্তে ১৪ মে’লৈকে বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা বুলা অসামৰিক বমানসেৱা মন্ত্ৰালয়ে আজি ঘোষণা কৰে। চণ্ডীগড়, শ্ৰীনগৰ, অমৃতসৰ, লুধিয়ানা, ভুণ্টাৰ, কিশনগড়, পাটিয়ালা, ছিমলা, জয়ছালমেৰ, পাঠানকোট, জম্মু, বিকানেৰ, লেহ, পোৰবন্দৰকে ধৰি কেইবাখনো চহৰৰ বিমানবন্দৰসমূহ অসামৰিক বিমান সেৱাৰ বাবে বন্ধ ৰখা হৈছে। ইফালে ইণ্ডিগ’ৰে ব্যক্তিগতভাৱে শ্ৰীনগৰ, জম্মু, অমৃতসৰ, লেহ, চণ্ডীগড়, ধৰ্মশালা, বিকানেৰ, যোধপুৰ, কিশনগড়, আৰু ৰাজকোটৰপৰা চলা বিমান সেৱা ১০ মে’ পৰ্যন্ত বন্ধ ৰাখিব বুলি ঘোষণা কৰিছে। নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰি তোলাৰ বাবে বিমান সেৱাত ব্যাঘাত জন্মা বুলি দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমান বন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।


# পাক হেকাৰক ৰুধিবলৈ সাজু ভাৰতৰ বেংক প্ৰতিষ্ঠান

**নতুন দিল্লী, ৯ মে’:** ভাৰতীয় বেংক আৰু বীমা কোম্পানীসমূহে আজি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰামনক আশ্বাস দিছে যে তেওঁলোকে পাকিস্তানী হেকাৰ দ্বাৰা যিকোনো চাইবাৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সাজু আৰু এণ্টি-ডি-ড’ছৰ দৰে পদ্ধতিৰে সম্পূৰ্ণৰূপে সজ্জিত হৈ আছে। ৰাজহুৱা ক্ষেত্ৰ আৰু ব্যক্তিগত বেংক আৰু বীমা কোম্পানীৰ শীৰ্ষ বয়সকলে সীতাৰমণে আহ্বান কৰা বৈঠকত নিশ্চিত কৰে যে চাইবৰ সুৰক্ষা আৰু বিপদ নাশ পৰিৱেশসমূহক আটাইতকৈ উচ্চতৰ স্তৰত অন্তৰ্ভুক্ত কৰি মক ড্ৰিল অনুষ্ঠিত কৰা হৈছে।

# ভুৱা বাতৰি দেখি আতংকিত নহ’ব, দেশত মজুত আছে পৰ্যাপ্ত খাদ্যশস্য: প্ৰহ্লাদ যোশী

**নতুন দিল্লী, ৯ মে’:** যুদ্ধসদৃশ পৰিস্থিতিৰ মাজত দেশবাসীলৈ ডাঙৰ সকাহ। পৰিস্থিতি জটিল হলেও খাদ্যৰ নাটনি নহয় দেশত। দেশৰ খাদ্যভাণ্ডাৰত মজুত আছে প্ৰয়োজনতকৈয়ো বেছি খাদ্য সামগ্ৰী। ভাৰত-পাক সংঘাতৰ মাজত দেশত খাদ্যবস্তুৰ নাটনি হোৱা বুলি বিয়পি পৰা এক ভুৱা বাতৰিক মিছা বুলি ব্যক্ত কৰি এই কথা প্ৰকাশ কৰে কেন্দ্ৰীয় খাদ্যমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে। অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰ্যাপ্ত ষ্টক থকা বুলি তেওঁ মন্তব্য কৰে। তেওঁ দেশবাসীক অদৰকাৰত অত্যধিক সামগ্ৰী সংগ্ৰহ নকৰিবলৈ পৰামৰ্শ দিয়ে আৰু ভুৱা বাতৰিত গুৰুত্ব নিদিবলৈ আহ্বান জনায়। এইখিনি সময়ত ধৈৰ্য, একতা আৰু সতৰ্কতা আটাইতকৈ প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। লগতে তেওঁ দেশবাসীক ৰাষ্ট্ৰৰ ওপৰত বিশ্বাস ৰাখিবলৈ আহ্বান জনাই কয় যে ভাৰত কেৱল সুৰক্ষিতই নহয় সকলো প্ৰত্যাহ্বানৰ মোকাবিলা কৰিব পৰাকৈ সক্ষম।

# কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ সকলো ছুটী বাতিল




**নতুন দিল্লী, ৯ মে’:** সকলো ছুটি বাতিল কৰিছে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে। ভাৰত-পাকিস্তানৰ উত্তেজনাৰ বাবে শুকুৰবাৰে জাৰি কৰা গাইডলাইনত কোৱা হৈছে যে পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে কোনো স্বাস্থ্য বিষয়াক কোনো ধৰণৰ ছুটি, আনকি ষ্টেচন লিভো প্ৰদান কৰা নহ’ব। চিকিৎসাজনিত জৰুৰীকালীন অৱস্থাৰ বাহিৰে আন কোনো ছুটি দিয়া নহ’ব বুলি মন্ত্ৰণালয়ে বিবৃতিত কয়। গাইডলাইনত উল্লেখ কৰা হৈছে যে ইতিমধ্যে দিয়া সকলো ছুটি বাতিল কৰা হ’ব। আনকি বৰ্তমান ছুটীত থকাসকলকো শীঘ্ৰে কামত যোগদান কৰিবলৈ কোৱা হৈছে। এই নিৰ্দেশনাক অত্যন্ত জৰুৰী আৰু বাধ্যতামূলক বুলি অভিহিত কৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে এই পদক্ষেপক সংকটৰ ইংগিত হিচাপেও গণ্য কৰা হৈছে।

# অপাৰেচন সেন্দূৰক উচ্চ প্ৰশংসা পাকিস্তানী মহিলাৰ

**নতুন দিল্লী, ৯ মে’:** অপাৰেচন সেন্দুৰক সমৰ্থন জনালে এগৰাকী পাকিস্তানী মহিলাই। যোৱা ২৬ বছৰ ধৰি স্বামীৰ সৈতে কলকাতাত বসবাস কৰা পাকিস্তানৰ আছিফা নৌৰিন নামৰ মহিলাগৰাকীয়ে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ অভিযানত পূৰ্ণ সমৰ্থন আগবঢ়োৱা বুলি মন্তব্য কৰে। তেওঁ কয় যে যদি তোমাক কোনোবাই আঘাত কৰে তেতিয়া তুমি ওলোটাই আঘাত কৰাটো একো বেয়া কথা নহয়। উল্লেখ্য, আছিফাৰ ১৯৯৯ চনত ভাৰতৰ মহম্মদ আব্দুল্লা কুৰেশ্বিৰ সৈতে বিবাহ হৈছিল আৰু তেতিয়াৰ পৰা তেওঁ ভাৰততে বাস কৰি আছে। সংবাদ মাধ্যমৰ এক সাক্ষাতকাৰত তেওঁ ভাৰত চৰকাৰৰ পদক্ষেপক পাকিস্তানৰ বাবে উচিত শিক্ষা বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে ভাৰতত মুছলমান অসুৰক্ষিত বুলি কোৱা কথাষাৰ সত্য নহয়। নিজে কেইবা দশক ধৰি ভাৰতত থকাৰ কথা উল্লেখ কৰি কয় যে ভাৰতত মুছলমানসকল শান্তিত আছে।

# ডিব্ৰুগড়ৰ জেউতি মৰল মইনা পাৰিজাতৰ অষ্টম বাৰ্ষিক শিশু সমাৰোহ সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ৯ মে':** ডিব্ৰুগড় চিৰিংচাপৰিস্থিত 'জেউতিমৰল মইনাপাৰিজাত'ৰ অষ্টম বাৰ্ষিক শিশু সমাৰোহখন স্থানীয় লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হৈ যায়। জেউতি মৰল মইনা পাৰিজাতৰ সভানেত্ৰী তথা ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদিকা মামনি শৰ্মা আৰু জেউতি মৰল মইনা পাৰিজাতৰ সম্পাদিকা জিন্তিমণি শইকীয়াই আঁত ধৰা দিনজোৰা কাৰ্যসূচীৰ পুৱাৰ ভাগত পতাকা উত্তোলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে পাৰিজাতখনৰ মন্ত্ৰীসভাৰ প্ৰধানমন্ত্ৰী মইনা আয়ুশ্ৰী বৰগোহাঁয়ে আৰু সহযোগ কৰে প্ৰাক্তন মইনা আৰোহণ শইকীয়াই। বন্তি প্ৰজ্বলন কৰে মইনা ৰিয়না ভূঞাই, স্মৃতি তৰ্পণ কৰে মইনা ভাব্যা বৰুৱা আৰু পুষ্প অৰ্পণ কৰে প্ৰাক্তন মইনা অনিন্দিতা শৰ্মাই। মইনাসকলৰ দ্বাৰা হস্তনিৰ্মিত হস্তক'লাৰ এখনি সুন্দৰ প্ৰদৰ্শনীৰ শুভাৰম্ভ কৰে মইনা ৰিশিতা গগৈয়ে। মইনাসকলৰ প্ৰতিভা প্ৰদৰ্শনেৰে এটি সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰে মইনা অৰুণাভ বৰবৰাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত মুকলি সভাখনিত স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ লগতে ডিব্ৰুগড় জিলা মইনা পাৰিজাত, ডিব্ৰুগড় আঞ্চলিক মইনা পাৰিজাতৰহৈ ক্ৰমে ৰঞ্জন দত্ত, হিৰণ্য সেনাপতি, পাপৰি শইকীয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদিকা মিনাক্ষী দাস বৰুৱা, বিশিষ্ট গীতিকাৰ মহানন্দ গগৈ, বিশিষ্ট চিত্ৰ শিল্পী নিবেদিতা চুতীয়া আৰু বিশিষ্ট কবি আবৃত্তিকাৰ বিবিজান দত্তৰ লগতে বহুতো গণ্য মান্য ব্যক্তিৰ উপস্থিতিয়ে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মইনাসকলৰ প্ৰতিনিধিত্বত অনুষ্ঠিত মুকলি সভাখনিত সভাপতিত্ব কৰে মইনা উদয় তেজ হাজৰিকাই। নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে অতিথি মইনা বাণীপুৰ মইনা পাৰিজাতৰ ভাৰ্টিকা নেওগ আৰু জেউতিমৰল মইনা পাৰিজাতৰ মইনা ক্ৰমে ঋতম ৰাজ হাজৰিকা আৰু নিশ্চিত প্ৰাণ বৰুৱাই মইনাৰ মৌ-মাতত আসন গ্ৰহণ কৰে ক্ৰমে মইনা প্ৰাপ্তী দত্ত, পূৰবী মণ্ডল, আৰ্যনীল নাথ, সমাদৃতা নাথে। সুন্দৰ সুন্দৰ বক্তব্য প্ৰদানেৰে মইনাসকলে সকলোকে আপ্লুত কৰে লগতে জেউতি মৰল মইনা পাৰিজাতৰ পৰিচালক-পৰিচালিকা পৰিমল বৰা আৰু জুলী দত্তৰ নেতৃত্বত অভিভাৱিকাসকল আৰু মইনাসকলে পৰিৱেশন কৰা বৰগীত, দিহানাম, বিয়ানাম আদি পৰিৱেশনে অনুষ্ঠানটি অধিক আকৰ্ষণীয় কৰি তোলে। এই অনুষ্ঠানতে পাৰিজাতখনৰ হাতে লিখা আলোচনী 'চোতাল'ৰ ২য় সংখ্যা উন্মোচন কৰে ডিব্ৰুগড় জিলা মইনাপাৰিজাতৰ উপসভাপতি ৰঞ্জন দত্তই। ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ মইনাৰ স্থান লাভ কৰে মইনা ভাব্যা বৰুৱাই। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি যোৱা ২৪ এপ্ৰিল আৰু ২৫ এপ্ৰিল, ২০২৫ তাৰিখে অনুষ্ঠিত হৈ যোৱা বিভিন্ন প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক এই সভাতে পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। পাৰিজাতৰ অভিভাৱিকা, পৰিচালিকাসকলৰ দিহা নাম পৰিৱেশনে উপস্থিতসকলক মন্ত্ৰমুগ্ধ কৰে। জেউতিমৰল মইনা পাৰিজাতৰ সভানেত্ৰী তথা ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদিকা মামনি শৰ্মাই সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই উপস্থিত সকলোকে সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি মইনা পাৰিজাতখনিৰ উত্তৰণ কামনা কৰে।

# তামাৰহাটৰ ডিংডিঙাত ইউপিপিএলৰ বিশাল বাইক ৰেলী

**ই-সংবাদ, তামাৰহাট, ৯ মে':** তামাৰহাটৰ ডিংডিঙাত ইউ পি পি এল দলে এক বিশাল বাইক ৰেলী উলিয়ায়। মটৰ চাইকল, চাৰিচকীয়া বাহনত দলীয় পতাকা ওলোমাই ডিংডিঙা ঠাকুৰপুৰৰ পৰা পৰা শ্ৰীৰামপুৰ লৈকে বৃহৎ বাইক ৰেলী উলিয়ায় ইউ পি পি এলৰ কৰ্মকৰ্তাই। প্ৰমোদ বড়োৰ বলিষ্ঠ নেতৃত্বত বিটিআৰত যি ভাতৃত্ব আৰু সমন্বয়ৰ প্ৰতীক গঢ়ি উঠিছে তাৰে ধন্যবাদ স্বৰূপে বিভিন্ন ব্লকে ব্লকে ইউ পি পি এলৰ কৰ্মকৰ্তাসকলে উলিয়ায় এই বাইক ৰেলী। সমান্তৰালভাৱে বিটিআৰৰ কাৰ্যবাহী সদস্য উইলছন হাছদাৰ নেতৃত্বত শ্ৰীৰামপুৰ ব্লক ইউ পি পিএলৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে এই কাৰ্যসূচী। ডিংডিঙা ঠাকুৰপুৰৰ পৰা চাৰি শতাধিক মটৰ চাইকেলৰ ৰেলী উলিয়াই সমষ্টিটোৰ বিভিন্ন স্থান পৰিভ্ৰমণ কৰি শ্ৰীৰামপুৰত উপস্থিত হয়। আনহাতে, ভাৰতীয় সৈনিকে পাকিস্তানক কৰা আক্ৰমণ সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত বিটিআৰৰ কাৰ্যবাহী সদস্য উইলছন হাছদাই তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। 'বহুত যুক্তিসম্পন্ন প্ৰতি উত্তৰ ভাৰতৰ। এই প্ৰতি উত্তৰ প্ৰয়োজন আছিল। এই প্ৰতি উত্তৰৰ বাবে দেশবাসীয়ে আশা কৰি আছিল। পাকিস্তানক প্ৰতি উত্তৰ দিয়াটো ভাৰত চৰকাৰৰ দায়িত্ব আছিল আৰু এই দায়িত্ব ভাৰত চৰকাৰে পালন কৰিছে। ভাৰতৰ ওপৰত যিসকলে কু-নজৰ ৰাখিব তাক এনেদৰেই প্ৰতি উত্তৰ দিব লাগে।'- এই বুলি মন্তব্য কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য উইলছন হাছদাই।

# তুলসীবাৰীত বজৰং দলৰ বিজয় উৎসৱ পালন

**ই-সংবাদ, ৰঙিয়া, ৯ মে':** পেহেলগামত হিন্দু নাগৰিকৰ হত্যাৰ প্ৰতিশোধ কল্পে ভাৰত চৰকাৰ আৰু সেনাবাহিনীয়ে গ্ৰহণ কৰা অপাৰেচন সেন্দূৰৰ সফলতাত প্ৰশংসা আৰু আনন্দ প্ৰকাশ কৰি আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ আৰু ৰাষ্ট্ৰীয় বজৰংগ দলে যোৱা নিশা ৰঙিয়াৰ তুলসীবাৰীত বিজয় উৎসৱ পালন কৰে। ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথত সংগঠন দুটাৰ নেতৃবৃন্দৰ লগতে কৰ্মীসকল সমবেত হৈ ফটকা ফুটাই হৰ্ষ উল্লাস কৰে। ভাৰত মাতা কি জয়, বন্দে মাতৰম, ভাৰতীয় সেনা জিন্দাবাদ, জয় শ্ৰী ৰাম আদি ধ্বনিৰে পৰিৱেশ মুখৰিত কৰি তোলে। সংগঠনদ্বয়ৰ ৰঙিয়া জিলা সমিতিৰ উদ্যোগত ৰূপায়িত কাৰ্যসূচীত ৰাষ্ট্ৰীয় বজৰংগ দলৰ ৰাজ্যিক সভাপতি দীনেশ কলিতাই অংশগ্ৰহণ কৰি ভাৰতীয় সেনাৰ সফলতাত আনন্দ প্ৰকাশ কৰে। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা উদ্যোগৰো তেওঁ শলাগ লয়। নেতাগৰাকীয়ে সাংগঠনিক যোজনা অনুসৰি সীমা আৰু নিকটৱৰ্তী চহৰৰ পৰা গাঁৱৰ নিৰাপদ স্থানলৈ নাগৰিকক স্থানান্তৰিত কৰি নিবাস আৰু ভোজনৰ ব্যৱস্থা গ্ৰহণ কৰা বুলি সদৰি কৰে। লগতে সেনা জোৱান আৰু আহত নাগৰিকৰ বাবে এক লাখকৈ ইউনিট ৰক্ত দানৰো উদ্যোগ লোৱা বুলি জানিবলৈ দিয়ে। এইক্ষেত্ৰত ৰঙিয়া জিলা সমিতিৰ তত্ত্বাৱধানত এহেজাৰ ইউনিট ৰক্তদানৰ পদক্ষেপ গ্ৰহণ কৰা বুলিও প্ৰকাশ কৰে নেতাগৰাকীয়ে।

# যোৰহাটৰ ককিলামুখৰ ৫ নং শৈলবান্ধত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, পশ্চিম যোৰহাট, ৯ মে':** যোৰহাট সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ককিলামুখ অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ ৫ নং শৈল্যবান্ধত কালি এগৰাকী অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় একাংশই শৈল্যবান্ধত মৃতদেহটো ওপঙি থকা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলিত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। প্ৰায় ৫৫ বছৰীয়া মহিলা গৰাকীৰ এখন হাত চাদৰেৰে বান্ধি থোৱালৈ লক্ষ্য কৰি মহিলা গৰাকীক কোনো লোকে হত্যা কৰি নদীত পেলাই দিয়াৰ সন্দেহ কৰিছে ৰাইজে। ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ছৈখোৱাৰ ধলাত বিধ্বংসী অগ্নিকাণ্ড, জ্বলি ছাই হ'ল তিনিটাকৈ বাসগৃহ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৯ মে':** তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ অন্তৰ্গত ধলা বজাৰত কালি সন্ধিয়া প্ৰায় ৬ বজাত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয় । অগ্নিকাণ্ডৰ ফলত তিনিটাকৈ ঘৰ সম্পূৰ্ণভাৱে জ্বলি ভস্মীভূত হয়। জানিব পৰা মতে, ধলা বজাৰ নিৱাসী মনোজ জয়চোৱালৰ ঘৰৰ পৰা উক্ত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। দপদপকৈ লগা জুইৰ লেলিহান শিখাই নিমিষতে তিনিটাকৈ বাসগৃহ ভস্মীভূত কৰি তোলে। অগ্নিকাণ্ড সূত্ৰপাত হোৱাৰ লগে লগেই স্থানীয় ধলা বজাৰৰ লোকে জুই নুমুৱাবলৈ চেষ্টা কৰি থাকোঁতেই বিধ্বংসী জুইৰ লেলিহান শিখাই কাষৰে পৃথীৰাজ ছেত্ৰীৰ ঘৰলৈ বিয়পি পৰাত দুটা ঘৰ দাও দাওকৈ জ্বলিবলৈ ধৰে। ৰাইজে পানী, বালি আদি ছটিয়াই জুই কিছু নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱাৰ সময়তেই ধলা বজাৰৰ পৰা প্ৰায় ২৫ কিঃ মিঃ নিলগৰ ডুমডুমাৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি উপস্থিত হোৱাত অধিক ক্ষয়-ক্ষতিৰ পৰা ৰাইজ ৰক্ষা পৰে। ওচৰা-উচৰিকৈ থকা ঘৰবোৰত ৰাইজ সোমাবলৈ সুবিধা নোপোৱাৰ বাবে জুই নিয়ন্ত্ৰণ কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। আনহাতে যোৱা দীৰ্ঘদিন ধৰি ছৈখোৱা (ধলা) ত এটা অগ্নিনিৰ্বাপক বাহিনীৰ কেন্দ্ৰ স্থাপন কৰিবৰ বাবে ৰাইজে বাৰম্বাৰ দাবী উত্থাপন কৰি আহিছে যদিও এইক্ষেত্ৰত বিজেপি চৰকাৰখনে অকণো গুৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে ছৈখোৱাবাসীয়ে। দীৰ্ঘদিন ধৰি শদিয়া



বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি অহা তথা বিধানসভাত আজিলৈকে "টু" এটাও উচ্চাৰণ নকৰা অকৰ্মণ্য তথা কমিছনৰ অংকত ব্যস্ত বিধায়ক বলীন চেতিয়াৰ ভূমিকাকো ৰাইজে যথেষ্ট সমালোচনা কৰিছে। ডুমডুমাৰ পৰা প্ৰায় আধা ঘণ্টা আৰু চপাখোৱা (শদিয়া) ৰ পৰা প্ৰায় ৪৫ মিনিটৰ ভিতৰত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি পাব লাগিছিল যদিও নিৰ্দিষ্ট সময়তকৈ পলমকৈ দুখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত আহি উপস্থিত হোৱাক লৈ ৰাইজে ক্ষোভ প্ৰকাশ কৰা পৰিলক্ষিত হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই। অগ্নিকাণ্ডৰ ফলত কেইবা লক্ষাধিক টকা মূল্যৰ সম্পত্তি জুইত জাহ যায়।

# স্বাৱলম্বিতাৰ অনন্য নিদৰ্শন দাঙি ধৰিছে মথুৰাপুৰৰ বাবুল ইছলামে

## তামোল-পাণ বিক্ৰীৰ পৰা এক অসাধাৰণ যাত্ৰা






**ই-সংবাদ, মথুৰাপুৰ, ৯ মে':** বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি জীৱন সংগ্ৰামেৰে স্বাৱলম্বিতাৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে মথুৰাপুৰৰ এজন যুৱকে। যুৱকজনে আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছে 'বাউলী পুখুৰী টি-ফেক্টৰী' নামৰ চাহপাত তৈয়াৰ কৰা এটা ফেক্টৰী। এই যুৱকজনৰ দৃঢ়তা, অদম্য মনোবল আৰু কৰ্মস্পৃহা যুৱ প্ৰজন্মৰ বাবে হ'ব পাৰে প্ৰেৰণাৰ উৎস। কঠোৰ পৰিশ্ৰম, একাগ্ৰতা তথা দৃঢ় মনোবলেৰে আগুৱাই যুৱকজনে দেখুৱাইছে স্বাৱলম্বিতাৰ এক উৎকৃষ্ট নিদৰ্শন। এই সংগ্ৰামী যুৱকজনেই হৈছে চৰাইদেউ জিলাৰ মথুৰাপুৰৰ ৰফিক ইছলাম ওৰফে বাবুল। অঞ্চলটোত সকলোৰে মাজত যুৱকজন 'বাবুল' বুলিহে পৰিচিত। এটা সময়ত বাবুলৰ ঘৰখনত উপাৰ্জন কৰা কোনো ব্যক্তি নাছিল। বাবুলৰ দেউতাক লালবন নামেৰে সকলোৰে মাজত চিনাকি। বাবুলৰ দেউতাকে মথুৰাপুৰ মছজিদত মোৱাজ্জীম অৰ্থাৎ মছজিদ চোৰা-চিতা কৰা আৰু আজান দিয়াৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ বিনিময়ত ক্ষুদ্ৰ কিবা এটা পাৰিতোষিক তেওঁক ৰাইজে আগবঢ়াইছিল। পিছলৈ দেউতাক নৰিয়াত পৰাত এটা বৃহৎ পৰিয়াল পোহপাল দিয়াত অতি কষ্ট হৈ পৰিছিল লালবনৰ। সেই সময়ত স্কুলত পঢ়ি থকা বাবুলে তিনিদিন স্কুলত ক্লাচ কৰে আৰু বাকী তিনিদিন পকা মিস্ত্ৰীৰ সৈতে যোগালি হিচাপে হাজিৰা কাম কৰি ঘৰখনৰ খোৰাকী উলিয়াইছিল। পিছলৈ তিনিজনকৈ ল'ৰা ডাঙৰ হৈ অহাত তিনিওজনে ঘৰখনৰ দায়িত্ব বুজি বিভিন্ন সৰু সুৰা ব্যৱসায়, চাকৰি কৰি দেউতাকৰ পৰা ঘৰখনৰ সম্পূৰ্ণ দায়িত্ব মূৰ পাতি লয়। বাবুলে প্ৰথমে সৰু টেবুল এখনতে কটা তামোল-পাণ বিক্ৰী কৰিছিল আৰু পিছত গোটা তামোলৰ ব্যৱসায় আৰম্ভ কৰি লাহে লাহে নিজাকৈ চাহখেতি কৰিবলৈ আৰম্ভ কৰে। আৰু ইয়াৰ কিছু বছৰ পিছত এটা ইটা ভাটা আৰম্ভ কৰে। আজি পুনৰ বাবুলৰ এক নতুন পৰিকল্পনা বাস্তৱ ৰূপ দেখা পোৱা গ'ল- মথুৰাপুৰত ঐতিহাসিক বাউলী পুখুৰীৰ নামকৰণেৰে 'মেৰ্ছাছ বাউলী পুখুৰী টি ফেক্টৰী'। চাহপাত তৈয়াৰ কৰা এই চাহ ফেক্টৰীটো বৃহস্পতিবাৰে মথুৰাপুৰত ফিটা কাটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা। অতি দৰিদ্ৰ পৰিয়ালৰ বাবুলৰ আজিৰ এই স্বাৱলম্বিতাৰ নিদৰ্শনে সকলোকে অভিভূত কৰে। যিজন বাবুলে আনৰ ঘৰত দিন হাজিৰা কৰিছিল আজি সেইজন বাবুলে আজি বহুজনক কৰ্মসংস্থাপন দি আহিছে। বাবুলে ইয়াকে প্ৰমাণ কৰি দেখুৱালে যে চেষ্টাৰ অসাধ্য একো নাই।

# মাৰ্ঘেৰিটাত বীৰ ভাৰতীয় সৈনিকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৃষক সভা, এআইৱাইএফৰ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৯ মে':** নিখিল ভাৰত কৃষক কৃষক সভাৰ (AIKS) অসম ৰাজ্যিক কমিটি আৰু নিখিল ভাৰত যুৱ ফেডাৰেচন (AIYF) ৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ উদ্যোগত বৃহস্পতিবাৰে ভাৰত পাকিস্তানৰ কাশ্মীৰ সীমান্তত শ্বহীদ ভাৰতীয় সেনাসকলৰ প্ৰতি মাৰ্ঘেৰিটাৰ লিডুত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উল্লেখ্যে যে ভাৰতীয় সেনাবাহিনীয়ে পাকিস্তানী সন্ত্ৰাসবাদী বিৰুদ্ধে ৭ মে'ৰ নিশা "অপাৰেচন সিন্দূৰ" নামেৰে এক সফল অভিযান সম্পন্ন কৰিছিল। ভাৰতীয় সেনাৰ এই সফল সামৰিক অভিযানৰ পিছতে পাকিস্তানৰ সৈন্যই অপ্ৰৰোচিতভাৱে সীমান্তত ভাৰতীয় লোকৰ আবাসলৈ লক্ষ্য কৰি গুলীচালনা কৰাত সাহসেৰে ইয়াৰ প্ৰত্যুত্তৰ দি কেইবাগৰাকী সেনা শ্বহীদ হ'বলগীয়া হয়। পাকিস্তানৰ সৈন্য গুলীচালনাত শ্বহীদ হৈছিল অসম সন্তান বীৰ লেন্স নায়ক দীনেশ কুমাৰ শৰ্মা। শ্বহীদ বীৰজনক শ্ৰদ্ধাঞ্জলি জনাই ১ মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। প্ৰতিগৰাকী বীৰ ভাৰতীয় সৈনিকসকলৰ সাহস আৰু বীৰত্বক মাৰ্ঘেৰিটাৰ লিডুত শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। নিখিল ভাৰত কৃষক কৃষক সভাৰ আৰু নিখিল ভাৰত যুৱ ফেডাৰেচনৰ উদ্যোগত লিডুৰ তিনিআলি বাছ আস্থানত অনুষ্ঠিত শ্ৰদ্ধা জ্ঞাপন অনুষ্ঠানত লিডুৰ বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। উক্ত শ্ৰদ্ধা জ্ঞাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি নিখিল ভাৰত কৃষক কৃষক সভাৰ অসম ৰাজ্যিক কমিটিৰ সহকাৰী সম্পাদক সঞ্জীৱ গাংগুলীয়ে "অপাৰেচন সিন্দূৰ' সফল ৰূপায়নৰ বাবে ভাৰতীয় সেনাক ভূয়সী প্ৰশংসা কৰে। গাংগুলীয়ে পাকিস্তানৰ বিৰুদ্ধে আন্তৰ্জাতিক পৰ্যায়ত কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে হেঁচা প্ৰয়োগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। নিখিল ভাৰত কৃষক সভা আৰু নিখিল ভাৰত যুৱ ফেডাৰেচন ভাৰতীয় সেনাক পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও কয়।

## পৰ্বতঝোৰাৰ কাজিগাঁৱৰ গুৰুধামত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ৮৮ সংখ্যক মৃত্যু বাৰ্ষিকী পালন



**ই-সংবাদ, পৰ্বতঝোৰা, ৯ মে':** দিনজোৰা কাৰ্যসূচীৰে কালি বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁৱত থকা গুৰুধামত গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ৮৮ সংখ্যক মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। এই অনুষ্ঠান কালি পুৱাৰে পৰা এক আধ্যাত্মিক পৰিৱেশৰ মাজত অনুষ্ঠিত কৰা হয়। এই উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে ব্ৰহ্ম ধৰ্মৰ প্ৰতিষ্ঠাপক তথা সমাজ সংস্কাৰক গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ আশ্ৰম তথা গুৰুধামত অসমৰ বিভিন্ন ঠাইৰ পৰা ব্ৰহ্ম ধৰ্মৰ অনুৰাগীসকল সমবেত হৈ ব্ৰহ্ম ধৰ্মীয় ৰীতি-নীতি অনুসৰি গুৰুদেৱক স্মৰণ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কালিৰ এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ইউ জি ব্ৰহ্ম। মন্ত্ৰী ইউ জি ব্ৰহ্মই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পিছত গুৰুধামৰ উন্নয়ন আৰু সংৰক্ষণৰ বাবে বিভিন্ন চৰকাৰী অনুদান আগবঢ়োৱাৰ বিষয়ে উল্লেখ কৰে। লগতে গুৰুধামৰ কাষেদি বৈ যোৱা নৈৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে ছয়েল কনজাৰ্ভেচন বিভাগৰ পৰা ৫০ লাখ ৭০ হাজাৰ টকা অনুদানেৰে নিৰ্মাণ হ'বলগীয়া বান্ধৰ আধাৰশিলাও স্থাপন কৰে। পিছত অনুষ্ঠিত মুকলি সভাত গুৰুদেৱৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি সমাজ সংস্কাৰৰ ক্ষেত্ৰত বিশেষকৈ বড়ো জাতিৰ সামাজিক তথা শৈক্ষিকভাৱে উত্তৰণ কৰাৰ ক্ষেত্ৰত গুৰুদেৱে দেখুৱাই যোৱা আদৰ্শ পৰৱৰ্তী হাজাৰ হাজাৰ বছৰ ধৰি সকলোৱে এই আদৰ্শ অনুসৰণ কৰি যাব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰী ইউ জি ব্ৰহ্মই এটা সময়ত বড়ো সমাজত থকা কুসংস্কাৰ আঁতোৰাই শিক্ষাৰ প্ৰচলন কৰি আজি এক সু-সভ্য তথা বিশ্ব দৰবাৰত বড়ো জাতিক সুপৰিচিতি লাভ কৰাৰ ক্ষেত্ৰত গুৰুদেৱৰ অৱদান অপৰিসীম বুলি উল্লেখ কৰে। লগতে বিটিআৰ চৰকাৰৰ পৰা আৰ্থিক অনুদানেৰে গুৰুধামৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে কাম কৰাৰ পৰিকল্পনা যুগুত কৰা হৈছে বুলি উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত অসমৰ বিভিন্ন ঠাইৰ পৰা যথেষ্ঠ সংখ্যক ভক্তপ্ৰাণ লোকৰ সমাগম ঘটে।

### ৰাজনৈতিক দলৰ সৈতে জিলা আয়ুক্ত স্বপ্নীল পালৰ বৈঠক

# পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনাৰ প্ৰস্তুতি তিনিচুকীয়া জিলা প্ৰশাসনৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৯ মে':** পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনাৰ ব্যৱস্থা সম্পৰ্কত তিনিচুকীয়া জিলাৰ সকলো পঞ্জীকৃত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে কালি জিলা আয়ুক্ত স্বপ্নীল পালে এখন গুৰুত্বপূৰ্ণ সভাত মিলিত হ'য়। সভাত ভোটগণনা সুকলমে, স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে ৰাজনৈতিক দল তথা প্ৰাৰ্থীসকলৰ পালনীয় দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অতিৰিক্ত আয়ুক্ত লীনা পাৱে আৰু পংকজ চমুৱা, ভাৰপ্ৰাপ্ত নিৰ্বাচনী বিষয়া বন্বী কুমাৰী আৰু সকলো পঞ্জীকৃত ৰাজনৈতিক দলৰ প্ৰতিনিধি উপস্থিত থাকে। সভাত আয়ুক্ত পালে সকলো ৰাজনৈতিক দলৰ পৰা সহায়-সহযোগিতা কামনা কৰে। কালি অনুষ্ঠিত আন এখন বৈঠকত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনৰ সকলো কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতে ভোট গণনাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। উল্লেখ্য যে, ৰাজ্যৰ অন্যান্য অংশৰ লগতে অহা ১১ মে' ত তিনিচুকীয়া জিলাতো পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৮ বজাৰ পৰা জিলা সদৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰংৰোমৰ উপৰিও তিনিওখন সমজিলা (শদিয়া, ডুমডুমা আৰু মাৰ্ঘেৰিটা) তে একেসময়তে সমান্তৰালভাৱে ভোট গণনা কৰা হ'ব। মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত একমাত্ৰ আঞ্চলিক মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়ত এলেকাত থকা চাৰিখন জিলা পৰিষদৰ বাবে মাৰ্ঘেৰিটা সমজিলা আয়ুক্তৰ কাৰ্যালয় চৌহদ, ডুমডুমা সমজিলাৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদ সমষ্টিৰ বাবে ডুমডুমা মহাবিদ্যালয়ত, শদিয়া সমজিলাৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদ সমষ্টিৰ বাবে চপাখোৱাত থকা সমজিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত আৰু তিনিচুকীয়া, মাকুম আৰু ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ১০ টা জিলা পৰিষদ সমষ্টিৰ বাবে তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰংৰোমত ভোট গণনা কৰা হ'ব। প্ৰতিটো জিলা পৰিষদ সমষ্টিৰ বাবে একোটাকৈ গণনা কক্ষ স্থাপন কৰা হৈছে। একোটা এনে কক্ষত ১০ খনকৈ টেবুল ৰখা হৈছে। প্ৰতিটো জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত ৩ ৰ পৰা ৪ খন লৈকে গাঁও পঞ্চায়ত আছে। প্ৰতিখন গাঁও পঞ্চায়তৰ অধীনত আছে ১০ টাকৈ ৱাৰ্ড। উল্লেখ্য যে, অহা ১১ মে'ত হ'বলগীয়া ভোট গণনাত তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটযুদ্ধত অৱতীৰ্ণ হোৱা জিলা পৰিষদত ৬৬ জন, আঞ্চলিক পঞ্চায়তত ১৯০ জন আৰু গাঁও পঞ্চায়ত ৱাৰ্ডত ১৯৯৮ জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। ইতিমধ্যে ১০ আঞ্চলিক পঞ্চায়ত আৰু ৯৪ ৱাৰ্ডত প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। ফলাফল নিশালৈকে প্ৰকাশৰ সম্ভাৱনা আছে।

# ৰঙিয়াৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, সমাজকৰ্মী সবিতা মজুমদাৰক সম্বৰ্ধনা

**ই-সংবাদ, ৰঙিয়া, ৯ মে':** তামুলপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, কামৰূপ জিলা লেখিকা সমাজৰ সভাপতি তথা বিশিষ্টা সমাজকৰ্মী সবিতা মজুমদাৰক বুধবাৰে সন্ধিয়া সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কামৰূপ জিলা লেখিকা সমাজৰ উদ্যোগত ৰঙিয়াৰ তিনিআলিস্থিত বাসগৃহত এই উপলক্ষে অনুষ্ঠিত কৰা হয় এখন সভা। সংগঠনটোৰ উপ-সভাপতি অনুপমা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত তথা ৰীণা মহন্তই আঁত ধৰা সভাত সংগঠনটোৰ উপদেষ্টা সংস্কৃতিৰ পূজাৰী পংকজ পল্লৱ শৰ্মাই বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে। নিজৰ ভাষণত শৰ্মাই সবিতা বৰ্মন মজুমদাৰৰ কৰ্মজীৱনৰ আলোকপাত কৰে। সভাত বিশিষ্ট অধিবক্তা চৈয়দ মোস্তাফা আহমেদ, বিদ্যা জ্যোতি বিদ্যা নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতা, নলবাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰীতা পাচনি, সিদ্ধি নাথ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ডলী কলিতা, বিশিষ্ট সমাজকৰ্মী মনালিছা গোস্বামী আৰু প্ৰতিমা দাস আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, সবিতা বৰ্মন মজুমদাৰে যোৱা ৩০ এপ্ৰিলত কৰ্মজীৱনৰ পৰা অৱসৰ লয়। তেওঁক উক্ত অনুষ্ঠানত ফুলাম গামোচা, মানপত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়।

# ছিপাঝাৰত খাদ্যত বিষক্ৰিয়া, আক্ৰান্ত অৰ্ধশতাধিক

**ই-সংবাদ, ছিপাঝাৰ, ৯ মে':** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত নায়কপাৰাত কালি খাদ্যত বিষক্ৰিয়া হৈ অৰ্ধশতাধিক লোক আক্ৰান্ত হোৱাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। এই ঘটনাত আক্ৰান্ত পুৰুষ-মহিলাকে ধৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় ২৩ গৰাকীকৈ অসুস্থ হৈ পৰা লোকক। ঘটনাৰ বিৱৰণী অনুসৰি, বুধবাৰে ইয়াৰ ঐতিহাসিক বলদেৱ পুখুৰীৰ পাৰস্থিত শিৱ মন্দিৰত আগন্তুক জেঠমহীয়া গোঁসাইৰ কাজ সম্বন্ধীয় আলোচনাৰ বাবে সমবেত হৈছিল চুবুৰীটোৰ প্ৰায় ৫০ গৰাকী লোক। আলোচনাৰ অন্তত সকলোৱে মাহ-প্ৰসাদ খাই ঘৰা-ঘৰি গৈছিল যদিও পুৱতি নিশাৰ পৰা মাহ-প্ৰসাদ খোৱা সকলো লোকেই শৌচ, বমি আৰু তীব্ৰ জ্বৰত আক্ৰান্ত হোৱাত একাংশ আক্ৰান্তক ছিপাঝাৰ সামূহিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে, চিকিৎসালয়খনৰ স্বাস্থ্য কৰ্মীসকলে আক্ৰান্তসকলক চিকিৎসা চলাই থকাৰ সমান্তৰালভাৱে একাংশ আক্ৰান্তক ঘৰলৈ গৈয়ো চিকিৎসা আগবঢ়াইছে। চিকিৎসালয়ত ভৰ্তি হোৱা লোকসকল হ'ল ক্ৰমে জিন্তু শৰ্মা(২৫), ত্ৰিদিৱ শৰ্মা(৩৫), নিজৰা দেৱী(৪৮), মৰমী দেৱী(২৭), ধ্যানজ্যোতি গৌতম(১৩), ৰুমা দেৱী(৪৫), সত্য শৰ্মা(৫৮), জুবলী শৰ্মা(১৪), দামোদৰ শৰ্মা(৪৬), দেৱেন শৰ্মা(৭৮), ৰুমী দেৱী(৩৪), দিক্ষিতা শৰ্মা(১৪), মিতুমণি শৰ্মা(২৭), নীলকান্ত শৰ্মা(৬৫), অলকা দেৱী(৪৫), দ্বিজেন শৰ্মা(৪৫), ৰেৱতী দেৱী(৬০), উপাসনা দেৱী(৯), মৃশাংক শৰ্মা(৩৫), নমিতা দেৱী(৪০), বিতুল ভৰদ্বাজ (৩১), প্ৰবোধ শৰ্মা (৭২), প্ৰণীতা দেৱী(৫২)।

# বুঢ়াত দুই ড্ৰাগছ আসক্ত যুৱকক গ্ৰেপ্তাৰ



**ই-সংবাদ, দুনী, ৯ মে':** দৰং জিলাৰ বুঢ়া আৰক্ষী চকীৰ অন্তগত বুঢ়াত দুই ড্ৰাগছ আসক্ত যুৱকক গ্ৰেপ্তাৰ কৰে। ৰাইজে দুয়োকে কৰায়ত্ত কৰি বুঢ়া আৰক্ষীক চমজাই দিয়ে। বুঢ়া গাঁৱৰ এক নিৰ্জন স্থানত ড্ৰাগছ সেবন কৰি থকা অৱস্থাতে ৰাইজে কৰায়ত্ত কৰি চমজাই দিয়ে আৰক্ষীক। কিছু দিনৰ পৰা উক্ত স্থানত প্ৰায়ে সন্দেহজনক যুৱকৰ আহ-যাহত স্থানীয় ৰাইজৰ সন্দেহ হয়। এই ক্ষেত্ৰত স্থানীয় ৰাইজে যুৱক কেইজনৰ ওপৰত নজৰ ৰাখে যদিও হাতে-লোটে ধৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু বৃহস্পতিবাৰে পুৱাৰ ভাগত দুই সন্দেহজনক যুৱক উক্ত স্থানত উপস্থিত হোৱাত স্থানীয় ৰাইজে দুই যুৱকক কৰায়ত্ত কৰি সোধা-পোছা কৰাত ড্ৰাগছ লোৱাৰ কথা স্বীকাৰ কৰে। লগে লগে স্থানীয় ৰাইজে বুঢ়া আৰক্ষীক খবৰ দিয়াত বুঢ়া আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হোৱাত ৰাইজে দুয়োকে আৰক্ষীক চমজাই দিয়ে। ধৃত দুই যুৱক হ'ল খটবাৰ কংকন বৰুৱা (২৩) আৰু খাচ দিপীলাৰ নয়নমণি কলিতা (২২) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যুৱকদ্বয়ে ব্যৱহাৰ কৰা এ এছ ১৩-১০৫৯ নম্বৰৰ এখন স্কুটী জব্দ কৰিছে আৰক্ষীয়ে। উল্লেখ্য, অঞ্চলটোত সমাজৰ বৰবিহস্বৰূপ ড্ৰাগছৰ প্ৰচলন দিনক দিনে বৃদ্ধি পোৱাত উদ্বিগ্ন হৈ পৰিছে ৰাইজ।

# কাৰ্বি আংলঙৰ ৰংকুটৰ পৰা বোৱাৰী সন্ধানহীন, চাঞ্চল্য

**ই-সংবাদ, ফুলনি, ৯ মে':** কাৰ্বি আংলং জিলাৰ ৰংকুটৰ পৰা এগৰাকী বোৱাৰী নিৰুদ্দেশ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা চাৰি দিন ধৰি নিৰুদ্দেশ হৈ আছে ৰংকুটৰ ১ নং ব্লকৰ এগৰাকী বোৱাৰী।যোৱা ৫ মে'ত জ্যোতি বিশ্বাস নামৰ ২৭ বছৰীয়া মহিলাগৰাকী ওচৰৰে পেহীয়েকৰ ঘৰলৈ ফুৰিবলৈ যোৱাৰ পিছৰে পৰা নিৰুদ্দেশ হৈ পৰে। ইপিনে, জ্যোতি বিশ্বাস নামৰ বোৱাৰীগৰাকীৰ স্বামী বাপন মজুমদাৰে উত্তৰ বড়বিল উপ-আৰক্ষী চকীত এই সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ লোকে কোনো সদাশয় লোকে মহিলাগৰাকীৰ সম্ভেদ পালে নিকটৱৰ্তী আৰক্ষী চকী নাইবা 8761822321 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# নলবাৰী জিলা পুথিভঁৰালত বিশ্ব ৰেডক্ৰছ দিৱস, মন্ত্ৰী জয়ন্তমল্লৰ অংশগ্ৰহণ

**ই-সংবাদ, বাঁহজানী, ৯ মে':** ভাৰতীয় ৰেডক্ৰছ ছ'ছাইটি নলবাৰী জিলা শাখাৰ উদ্যোগত কালি বিশ্ব ৰেডক্ৰচ দিৱস উদযাপন কৰা হয়। নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বিশ্ব ৰেডক্ৰছ দিৱস। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা ৰেডক্ৰছৰ পতাকা উত্তোলন কৰে ভাইচ চেয়াৰমেন প্ৰমোদ তালুকদাৰে, ৰেডক্ৰছৰ জনক হেনৰি ডুনাণ্টৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে কোষাধ্যক্ষ দীপক বাজাজ, নলবাৰী উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ বনদীপ ডেকা, নলবাৰী পৌৰসভাৰ সভাপতি জয়শ্ৰী তালুকদাৰে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত বিশ্ব ৰেডক্ৰছ দিৱস উপলক্ষে অনুষ্ঠিত আলোচনা চক্ৰত উপস্থিত থাকি কয়- ৰেডক্ৰছ সংগঠনটিয়ে সদায় নিস্বাৰ্থ সেৱা আৰু ত্যাগ কৰি আহিছে। এই পবিত্ৰ দিনটোত শ্ৰদ্ধাৰে স্মৰণ কৰি মন্ত্ৰী বৰুৱাই ত্যাগ আৰু কৰ্মক প্ৰশংসা কৰে। আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি ৰেডক্ৰছৰ লক্ষ্য, উদ্দেশ্য কাৰ্যপন্থাৰ ওপৰত বিতং আলোকপাত কৰে কামৰূপ মহাবিদ্যালয় ৰ সহযোগী অধ্যাপক ডঃ সঞ্জীৱ গোস্বামীয়ে। আলোচনা চক্ৰত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মাধৱ ৰাজবংশী আৰু নলবাৰী কলেজৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰীয়ে। লগতে ৰেডক্ৰছত সেৱা আগবঢ়োৱা প্ৰাক্তন বিষয়ববীয়া সুনীল ভূষণ চৌধুৰী আৰু খগেন কলিতাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজি অনুষ্ঠিত এই আলোচনা চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়ায় ভাৰতীয় ৰেডক্ৰছ ছ'ছাইটি নলবাৰী জিলা শাখাৰ অবৈতনিক সম্পাদক পংকজ বৰ্মনে।

# চাবুৱাৰ নাদুৱা ৰঙালী বিহু সন্মিলনৰ সামৰণি, সমাজকৰ্মী ড০ দয়ানন্দ শ্বাহক সম্বৰ্ধনা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৯ মে':** সদৌ নাদুৱা কলা-কৃষ্টি সমন্বয় সংঘৰ উদ্যোগত নাদুৱা গাঁওবাসী ৰাইজৰ সহযোগত বিংশতিতম্ বাৰ্ষিক ৰঙালী বিহু সন্মিলন খনি নাদুৱা গোহাঁই গাঁও বিহুমঞ্চত বুধবাৰে সফল সামৰণি পৰে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বিহু সন্মিলনখনিত প্ৰথম দিনা বিহুনাম, ঢোল, গগনা, বাঁহীবাদন লগতে মৌ-কুঁৱৰী আৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। দ্বিতীয় দিনা গছতলৰ বিহু, পিঠাপনা, হুঁচৰি প্ৰতিযোগিতাৰ লগতে মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। উদযাপন সমিতিৰ মুখ্য সম্পাদক নিপুল কোঁৱৰে আঁত ধৰা আৰু সভাপতি দীপেন গোহাঁয়ে পৰিচালনা কৰা মুকলি সভাখনত সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা লাহোৱালৰ বিশিষ্ট সমাজকৰ্মী ড০ দয়ানন্দ শ্বাহ, চাবুৱাৰ বিশিষ্ট কবি, সাহিত্যিক ড০ হেমন্ত কুমাৰ দাস, ৰহমৰীয়াৰ যুৱ সমাজকৰ্মী ৰূপম কোঁচ, ডিকমৰ মানৱদৰদী চফি আলম খানক বিশেষ সম্বৰ্ধনা



জনায় বিহু সমিতিয়ে। এই অনুষ্ঠানতে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোছা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত মুকলি সভাত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, এছ কে এছ ইংলিছ একাডেমীৰ সঞ্চালিকা মুন শ্বাহ, সমাজকৰ্মী ব্ৰজেন গগৈ, নাদুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় চেতিয়া, 'দৈনিক অসম' কাকতৰ চাবুৱাৰ সাংবাদিক তপন কুমাৰ শইকীয়া, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি সত্য গোহাঁই, ডিকম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নৱজ্যোতি বৰাকে প্ৰমুখ্য কৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকি বক্তব্য আগবঢ়ায়। নিশালৈ কণ্ঠশিল্পী নীলাক্ষি নেওগে গীত পৰৱেশন কৰে।

# অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ত উদযাপন কবিগুৰুৰ জন্মজয়ন্তী



**ই-সংবাদ, ডিব্ৰুগড় ৯ মে':** বিশ্বকবি, নাট্যকাৰ, দাৰ্শনিক, সংগীত নিৰ্মাতা, চিত্ৰকৰ, গল্পকাৰ তথা দেশপ্ৰেমিক তথা ভাৰতৰ প্ৰথমগৰাকী ন'বেল বঁটা প্ৰাপক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জন্ম দিৱস ডিব্ৰুগড়ৰ অন্যতম উচ্চশিক্ষানুষ্ঠান শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পালন কৰা হয়। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, পৰিচালনা সমিতি সম্পাদক হলিৰাম ফুকন, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীৰ শৈক্ষিক বিষয়া যাদৱ গগৈ, মাধুৰ্য বৰুৱাকে ধৰি অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীসকল উপস্থিত থাকে। অসমীয়া আৰু ইংৰাজী বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কৰ্মজীৱন আৰু বিশ্ববাসীলৈ আগবঢ়ায় থৈ যোৱা অৱদানৰ বিষয়ে সমল ব্যক্তি সমাজ শাস্ত্ৰ বিভাগৰ অধ্যাপক প্ৰণাম প্ৰভু বৰুৱাই তথ্য সহকাৰে ব্যক্ত কৰে।অধ্যাপিকাদ্বয় দীপান্বিতা গগৈ আৰু চাবিনা নাচিফা আহমেদৰ তত্বাৱানত অনুষ্ঠিত হোৱা এই জয়ন্তীত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলে ৰবীন্দ্ৰনাথৰ গীত পৰিৱেশন, কবিতা আবৃত্তি কৰি উপস্থিত সকলোকে আপ্লুত কৰি তোলে।

# গোৰেশ্বৰ অংগনবাড়ী কৰ্মী সহায়িকা সন্থাৰ ৰূপালী জয়ন্তী উদযাপন

**ই-সংবাদ, গোৰেশ্বৰ, ৯ মে':** গোৰেশ্বৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ অংগনবাড়ী কৰ্মী-সহায়িকা সন্থাৰ ৰূপালী জয়ন্তী উৎসৱ আজি দিনজোৰা কাৰ্যসূচীৰে গোৰেশ্বৰস্থ কলাগুৰু বিষ্ণু ৰাভা ভৱনত উদযাপন কৰা হয়। পুৱা ৮.৩০ বজাত অংগনবাড়ী কৰ্মী দুৰ্গা দেৱী আৰু শিখা বড়োৰ পৰিচালনাত স্বচ্ছ অভিযান কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছতেই গোৰেশ্বৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰাক্তন গাণনিক বিষয়া ৰমেশ বড়োৱে পতাকা উত্তোলন কৰে। ইয়াৰ পিছত স্মৃতি তৰ্পণ কৰে কল্পনা বেজবৰুৱাই। দিনৰ ১২ পৰা মুকলি সভা তথা স্মৰণিকা উন্মোচনী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতেই অকালতে মৃত্যু হোৱা অংগনবাড়ী কৰ্মী প্ৰমেশ্বৰী হাজৰিকা, শেৱালী বেজবৰুৱা আৰু জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ হাতত মৃত্যু হোৱাসকলৰ আত্মাৰ চিৰশান্তিৰ কামানাৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। ৰূপালী জয়ন্তীৰ আহ্বায়ক প্ৰমিলা বসুমতাৰীয়ে আদৰণি ভাষণ দিয়া সভাত প্ৰমেশ্বৰী হাজৰিকা আৰু শেৱালী বেজবৰুৱাৰ সোঁৱৰণত প্ৰকাশ কৰা স্মৰণিকা উন্মোচন কৰে অৱসৰপ্ৰাপ্ত সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া সাগৰিকা দেৱে। 'স্মৃতিৰ ৰেঙণি' নামৰ স্মৰণিকাখন উন্মোচন কৰি দিয়া ভাষণত প্ৰকল্প বিষয়া সাগৰিকা দেৱে ১৯৯৭ চনত গোৰেশ্বৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ৰ স্থাপন হোৱাৰ চমু ইতিবৃত্ত দাঙি ধৰাৰ লগতে সেই সময়ত গোৰেশ্বৰ অঞ্চলৰ অংগনবাড়ী কৰ্মী-সহায়িকাসকলৰ সহায়-সহযোগিতাৰ কথা উল্লেখ কৰি স্মৃতি ৰোমন্থন কৰে। ভাষণত অৱসৰপ্ৰাপ্ত প্ৰকল্প বিষয়াগৰাকীয়ে অংগন বাড়ী কৰ্মী-সহায়িকাসকলৰ কৰ্ম অনুসৰি চৰকাৰে উচিত দৰমহা দিয়া নাই বুলি আক্ষেপ প্ৰকাশ কৰে আৰু শীঘ্ৰে কৰ্মী-সহায়িকাসকলৰ দাবীসমূহ চৰকাৰে ৰূপায়ণ কৰিব বুলি আশা প্ৰকাশ কৰে। আৰতি শৰ্মাই আঁত ধৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম ৰাজ্যিক অংগনবাড়ী কৰ্মী-সহায়িকা সন্থাৰ সম্পাদিকা ইন্দিৰা নেৱাৰে দিয়া ভাষণত কয় যে সকলো অংগনবাড়ী কৰ্মী-সহায়িকা ঐক্যবদ্ধ হৈ থাকিলেহে আমাৰ সমস্যা সমাধান হ'ব। মহিলাই ইচ্ছা কৰিলে কৰিব নোৱাৰা কাম একো নাই। ঐক্যৰে সংগ্ৰাম কৰিলে সমস্যা সমাধান হয়। চৰকাৰে ২০১৬ চনতে পৰীক্ষা অনুষ্ঠিত কৰি একাংশক পদন্নোতি দিলে। কিন্তু আজিলৈকে আৰু পদন্নোতি দিয়াৰ ব্যৱস্থা কৰা নাই। সেই বিষয়ে আমি চৰকাৰক দাবী জনাই আহিছো। অংগনাবাড়ী কৰ্মী-সহায়িকাসকলে কৰি অহা ত্যাগৰ কথা উল্লেখ কৰি সম্পাদিকা নেৱাৰে আৰু কয় যে চৰকাৰে মাননি বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিলে যদিও কিমান দিব সেই কথা আজিলৈকে স্পষ্ট কৰা নাই। বিভাগীয় সঞ্চালকে ২০২৩ চনৰ ১২ অক্টোবৰত চৰকাৰলৈ প্ৰেৰণ কৰা প্ৰতিবেদন আজিলৈকে কাৰ্যকৰী হোৱা নাই বুলি আক্ষেপ প্ৰকাশ কৰে।

# ৰাইদঙীয়া-চকলাঘাটৰ বিহুৰ অনুষ্ঠান বাতিলৰ সিদ্ধান্ত

**ই-সংবাদ, বেবেজীয়া, ৯ মে':** ভাৰত আৰু পাকিস্তানৰ মাজত শেহতীয়াকৈ সৃষ্টি হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিহু অনুষ্ঠান বাতিল কৰিবলৈ আহ্বান জনাইছিল। সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ প্ৰায়বোৰ বিহু উদযাপন সমিতিয়ে বাতিল কৰিছে বিহুৰ অনুষ্ঠান। ইয়াৰ অংশ হিচাপে নগাঁও জিলাৰ ৰাইদঙীয়া সন্মিলিত যুৱ সংঘৰ উদ্যোগত অহা ১৮ মে'ত অনুষ্ঠিত হ'বলগীয়া ব'হাগী বিদায় উৎসৱটি বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে উদ্যোক্তা সমিতিয়ে। উক্ত বিহু অনুষ্ঠানত সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচীত গীত পৰিৱেশন কৰিবলৈ উদ্যোক্তা সমিতিখনে জনপ্ৰিয় কণ্ঠশিল্পী পশ্চিমবংগৰ মৰ্মিতা মিত্ৰৰ সৈতে চুক্তি কৰিছিল। কিন্তু দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বাবে ৰঙালী বিহুৰঅনুষ্ঠান বাতিল কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জনোৱা আহ্বানৰ পিছতে এই বিহু অনুষ্ঠান বাতিল কৰিছে বুলি আয়োজক সমিতিয়ে জানিবলৈ দি লগতে বিহু উপলক্ষে ৰাইজৰ পৰা সংগ্ৰহ কৰা বৰঙনি মজুত ৰাখি পৰৱৰ্তী সময়ত দেশৰ পৰিস্থিতি ভাল হ'লে বিজয় উৎসৱ হিচাপে বিহু অনুষ্ঠানটি পালন কৰিব বুলি আয়োজকসকলে জানিবলৈ দিছে। ঠিক সেইদৰে, চকলাঘাটৰ ফুলনীআটি গান্ধীজী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সুন্দৰম সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত অহা ১০ আৰু ১১ মে'ত দুদিনীয়াকৈ আয়োজিত এই ৰঙালী বিহু উৎসৱটি দেশত উদ্ভৱ হোৱা বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১১ মে'ৰ কাৰ্যসূচী বাতিল কৰা হৈছে। তেনেদৰে চকলাঘাটৰ দৰঙীয়াল গাঁৱত অহা ১১ মে'ত এদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে বিহুৱান সাংস্কৃতিক গোষ্ঠীৰ ব্যৱস্থাপনাত আয়োজিত ৰঙালী বিহু উৎসৱটি দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বাতিল কৰা হৈছে বুলি গোষ্ঠীৰ সম্পাদক নিপুল ভূঞাই জানিবলৈ দিছে। ইফালে, দেশত সৃষ্টি হোৱা অনাহুত পৰিস্থিতিৰ বাবেই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই জিলাখনৰ পশ্চিম প্ৰান্তৰ কাছমাৰী, জামুগুৰি, হাতীচোং আদি ঠাইত আয়োজিত বিহু উৎসৱসমূহ উদ্যোক্তাসকলে বাতিল কৰিছে বুলি জানিব পৰা গৈছে।

# গেলেকীৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন বাতিলৰ সিদ্ধান্ত আয়োজকৰ

**ই-সংবাদ, গেলেকী, ৯ মে':** দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমান্ত বিশ্ব শৰ্মাই ১০ মে'ৰ পৰা ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া ৰঙালী বিহুৰ সকলো সাংস্কৃতিক অনুষ্ঠান বাতিলৰ বাবে আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাংস্কৃতিক অনুষ্ঠান উদযাপন সমিতিয়ে তেওঁলোকৰ কাৰ্যসূচী বাতিল কৰাৰ বিষয়ে সংবাদ মাধ্যমৰ যোগেদি অৱগত কৰিছে। ইয়াৰ সমান্তৰালকৈ নাজিৰা সমজিলাৰ অধীনস্থ গেলেকীৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ কাৰ্যসূচী বাতিল কৰাৰ কথা প্ৰেছ বিবৃতিৰ যোগেদি জানিবলৈ দিছে উদযাপন সমিতিয়ে। অহা ১২ আৰু ১৩ মে'ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া আছিল এই কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন। দেশৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাইএই দুয়োটা দিনৰ সকলো কাৰ্যসূচী বাতিল কৰাৰ কথা উল্লেখ কৰিছে উদযাপন সমিতিয়ে।

## নামতি আৰু কালুগাঁৱত ৰঙালী বিহু সন্মিলন বাতিল

**ই-সংবাদ, আমগুৰি, ৯ মে':** দেশৰ যুদ্ধকালীন পৰিৱেশ আৰু মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিহু সমিতিসমূহে বাতিল কৰিছে ৰঙালী বিহু সন্মিলন। সমান্তৰালভাৱে শিৱসাগৰ জিলাৰ বৃহত্তৰ নামতি পুল সামাজিক আৰু সাংস্কৃতিক বিকাশ মঞ্চৰ উদ্যোগত নামতি পুলত ১৩ আৰু ১৪ মে'ত অনুষ্ঠিত হ'ব লগা ৰঙালী বিহু সন্মিলন বাতিল কৰিছে। আনহাতে, কিৰাইআলি যুৱ সমাজৰ ব'হাগী বিদায় উৎসৱ উদযাপন সমিতি মুখ্য সম্পাদক প্ৰণজিৎ ভূঞাই আজি এক প্ৰেছ বিজ্ঞপ্তি যোগে জনোৱা মতে, দেশৰ বৰ্তমানৰ পৰিস্থিতিত ৰং-উৎসৱৰ কাৰ্যসূচী সামাজিক দৃষ্টিৰে অনুচিত বুলি ভাবি কালুগাঁও কিৰাইআলিমূৰ ১৪ আৰু ১৫ মে অনুষ্ঠিত হ'ব লগা চতুৰ্থ বাৰ্ষিক ব'হাগী বিদায় উৎসৱ বাতিল কৰিছে।লগতে যিসকল সদাশয় ব্যক্তি, অনুষ্ঠানে উক্ত ব'হাগী বিদায় উৎসৱলৈ বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়াইছিল তেওঁলোকক কৃতজ্ঞতা জনাৰাৰ লগতে এই ব'হাগৰ অনুষ্ঠানটি অহা বছৰৰ হ'বলগীয়া অনুষ্ঠানটিলৈ অনুদানসহ সংৰক্ষণ কৰা হ'ল বুলি জৰুৰী সভাই প্ৰস্তাৱ গ্ৰহণ কৰে।

## দৰঙৰ বিষ্ণুজ্যোতি হাইস্কুলত শিক্ষকৰ নাটনি

**ই-সংবাদ, দুনী, ৯ মে':** শিক্ষাৰ্থী অনুপাতে দৰঙৰ একাংশ চৰকাৰী বিদ্যালয়ত নাই পৰ্যাপ্ত শিক্ষক। জোৰা-টাপলি মাৰি বিদ্যালয় কৰ্তৃপক্ষই চলাই আহিছে পাঠদান। বছৰৰ পাছত বছৰ ধৰি খালী হৈ থকা শিক্ষকৰ পদসমূহ পূৰণ নকৰাত শৈক্ষিক ক্ষেত্ৰত ঋণাত্মক প্ৰভাৱ পৰিছে বহু বিদ্যালয়ত। জিলাখনৰ পশ্চিম দৰঙৰ বিষ্ণুজ্যোতি হাইস্কুলতো শিক্ষাৰ্থী অনুপাতে নাই শিক্ষক। অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়খনত ১০টাকৈ শিক্ষক পদ খালী হৈ আছে। বিগত ২০২০ চনৰ পৰা বিদ্যালয়খনত নাই স্থায়ী প্ৰধান শিক্ষক। ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰবীন্দ্ৰ বৰুৱাক দায়িত্ব দি চলাই আছে বিদ্যালয়ৰ কাম-কাজ। দুই শতাধিক শিক্ষাৰ্থী থকা বিদ্যালয়খনত নাই উন্নতমানৰ শ্ৰেণীকোঠা। বিদ্যালয়খনত শিক্ষাৰ্থীৰ বাবে দুটাকৈ কম্পিউটাৰ আছে যদিও পৰিতাপৰ বিষয় নাই সংশ্লিষ্ট বিষয়ৰ শিক্ষক। বিদ্যালয়খনত আন্তঃগাঁথনিৰো অভাৱ। নাই সুকীয়া পুথিভঁৰাল, চাইকেল আস্থান, শিক্ষাৰ্থীৰ জিৰণী কোঠা। উল্লেখ্য যে, দৰঙৰ শৈক্ষিক-বিদ্যাতনিক মানচিত্ৰত মালিবাৰীটাৰিস্থ বিষ্ণুজ্যোতি হাইস্কুল ক্ৰমাৎ উজলি উঠিছে। শিক্ষকৰ অভাৱৰ মাজতো বছৰে বছৰে বৃদ্ধি পাইছে শিক্ষাৰ্থীৰ নাম ভৰ্তিৰ সংখ্যা। সমান্তৰালভাৱে শিক্ষকৰ অভাৱৰ মাজতো বিগত দুবছৰ ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষ্যম হৈছে বিদ্যালয়খনে।

# মৰিগাঁৱত আতংকৰ সৃষ্টি কৰি অহা দুই অপৰাধীক আদালতৰ সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ৯ মে':** মৰিগাঁও চহৰত বাইক চুৰি, ম'বাইলৰ দোকানত সোমাই ম'বাইল চুৰি, মহিলাৰ ডিঙিৰ চেইন টনা আদি অলেখ কু-কৰ্মকাণ্ডৰে চহৰখনত আতংকৰ সৃষ্টি কৰি অহা লক্ষ্যজ্যোতি শৰ্মা আৰু তপন শৰ্মা নামৰ দুই কুখ্যাত অপৰাধীক আজি মৰিগাঁও আদালতে দুবছৰকৈ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। উল্লেখ্য যে এই কু-কৰ্মসমূহৰ বাবে একাধিকবাৰ কাৰাবাস খাটি জামিনত মুকলি হৈ আহি পুনৰ একেই কাম-কাজসমূহত পুনৰ জড়িত হৈ পৰে দুই কুখ্যাত অপৰাধী। এই দুই অপৰাধীৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষী থানাত ১৮৩/২০২৩ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। মৰিগাঁও আৰক্ষী থানাত ৰুজু হৈ থকা উক্ত গোচৰটোৰ তদন্ত কৰি আৰক্ষীৰ উপ-পৰিদৰ্শক সুৰজ টেৰনে অভিযোগনামা দাখিল কৰিছিল। ইয়াৰ ওপৰত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতে ভাৰতীয় দণ্ডবিধিৰ ৪৫৭/৩৮০ ধাৰাত দোষী সাব্যস্ত কৰি উক্ত অপৰাধীদ্বয়ক দুবছৰকৈ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰি আৰ্থিক জৰিমনা বিহে।

# মাহতলীহাটীৰ পালনামৰ ৰূপালী জয়ন্তী

**ই-সংবাদ, ভৱানীপথৰ, ৯ মে':** ভৱানীপুৰৰ মাহতলীহাটীৰ পালনামে ভৰি দিলে ৰূপালী জয়ন্তী বৰ্ষত। ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণিৰ কাৰ্যসূচী হিচাপে আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে মাহতলীহাটীত পালনামৰ আয়োজন কৰা হৈছে। ৰূপালী জয়ন্তী বৰ্ষৰ আয়োজক সমিতিৰ সভাপতি চণ্ডীপ্ৰসাদ দাস, কাৰ্যকৰী সভাপতি মৃগেন দাস আৰু মুখ্য সম্পাদক পল্লৱ দাসে জনোৱা মতে, প্ৰথম দিনৰ কাৰ্যসূচীমৰ্মে ১০ মে'ৰ পুৱা ৬ বজাত পৰিৱেশ নিকাকৰণ, ৮ বজাত ৰূপালী জয়ন্তীৰ মূল পতাকা উত্তোলন, ৯ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ১০ বজাত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা, দুপৰীয়া ২ বজাত চিত্ৰ বিথিকা উন্মোচন, ২.১৫ বজাত সমৱেত সংগীত পৰিৱেশন, ২.৩০ বজাত স্মৃতিগ্ৰন্থ উন্মোচন, বিয়লি ৪ বজাত আয়তীৰ ঘোষা নাম প্ৰতিযোগিতা, সন্ধিয়া ৬ বজাত সমূহীয়া বন্তি প্ৰজ্বলন, ৬.৩০ বজাত আতচবাজী প্ৰদৰ্শন, নিশা ৭ বজাত গৰখীয়া নাম আৰু নিশা ৮ বজাতমহিলাৰ নাগাৰ নাম পৰিৱেশন কৰা হ'ব। দ্বিতীয় দিনৰ কাৰ্যসূচীমৰ্মে পুৱা ৪ বজাত প্ৰভাত ফেৰী, ৬ বজাত পৰিৱেশ নিকাকৰণ, ৭ বজাত আয়তীৰ নাম-প্ৰসংগ, ৮ বজাত পালনাম স্থাপন কৰিব বিশিষ্ট সত্ৰীয়া শিল্পী তথা সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক গুনীন্দ্ৰ নাথ ওজাই। নিশা ৮ বজাত পালনাম কাৰ্যসূচীৰ সামৰণি মৰা হ'ব। অন্তিম দিনৰ কাৰ্যসূচীমৰ্মে পুৱা ৬ বজাত পৰিৱেশ নিকাকৰণ আৰু পুৱা ৯ বজাৰ পৰা ভাগৱত পাঠ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত সমবেত কণ্ঠত বৰগীত পৰিৱেশন, ৩.৩০ বজাত বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান আৰু সন্ধিয়া ৬ বজাত থিয়নাম সমাৰোহ অনুষ্ঠিত হ'ব। উক্ত তিনিওটা দিনৰ সকলো কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

# সৰুপথাৰ সমজিলাৰ কেইবাখনো ৰঙালী বিহু সন্মিলনৰ অনুষ্ঠান বাতিল

**ই-সংবাদ, সৰুপথাৰ, ৯ মে':** গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত কেইবাখনো ৰঙালী বিহু সন্মিলনৰ অনুষ্ঠান বাতিল কৰাৰ খবৰ পোৱা গৈছে। সমজিলাখনৰ কেইবাটাও প্ৰান্তত বিহু সন্মিলন অনুষ্ঠিত হৈ আহিছে। সাম্প্ৰতিক সময়ত দেশৰ যুদ্ধকালীন পৰিস্থিতি বাবে মুখ্যমন্ত্ৰীয়ে বিহু সন্মিলন বাতিলৰ বাবে আহ্বান জনাইছিল। তাৰ প্ৰতি লক্ষ্য ৰাখি সৰুপথাৰ, বৰপথাৰ, চুণাজান আৰু উৰিয়ামঘাট কেন্দ্ৰীয় ৰঙালী বিহু বাতিল কৰে বুলি সমিতিৰ বিষয়ববীয়াসকলে পৃথকে পৃথকে জানিবলৈ দিয়ে। বিহু বাতিল কৰা আটাইকেইখন সন্মিলনৰ সমিতিয়ে প্ৰায় প্ৰস্তুতি সম্পূৰ্ণ কৰিছিল। বৰপথাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে এই বৰ্ষত সোণালী জয়ন্তী অনুষ্ঠিত কৰিলহেঁতেন। উল্লেখ্য যে সমিতিয়ে সন্মিলনৰ বাবে প্ৰায় ৮০ শতাংশ কাম সম্পন্ন কৰিছিল। বৰ্তমান যুদ্ধকালীন পৰিস্থিতিৰ বাবে অনুষ্ঠান বাতিল কৰিবলগীয়া হৈছে। আনহাতে, উৰিয়ামঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ বাবে থকা পুঁজি সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ যোগেদি ভাৰতৰ প্ৰতিৰক্ষা বিভাগলৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চেলেংহাটত অবৈধ গাহৰি ভৰ্তি গাড়ী

আৰক্ষীয়ে বাহনখন আৰক্ষী চকীলৈ লৈ যায়। কিন্তু মাজনিশা বাহনখন পুনৰ এৰি দিয়াত স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। উল্লেখ্য যে চেলেংহাট আৰক্ষী চকীলৈ গাহৰিভৰ্তি বাহনখন নিয়াৰ পিছত চেলেংহাট পশু চিকিৎসালয়ৰ চিকিৎসকজনৰ উপস্থিতিত বাহনখন পৰীক্ষা কৰা হয়। গাড়ীখনত থকা ১১ টা গাহৰিৰ ভিতৰত চাৰিটা স্থানীয় আৰু বাকীবিলাক বিলাতী, যেনে শ্বুৰাইট ইয়ৰ্কশ্বায়াৰ, হেম্পশ্বায়াৰ আৰু ড্ৰিউৰক। উল্লেখযোগ্য যে গাড়ীখনত পোহনীয়া জন্তু কঢ়িয়াবৰ বাবে পানী, খাদ্য বা উপযুক্ত ঠাইৰ কোনো সুবিধা নাছিল। তদুপৰি বাহনখনত আন্তঃজিলা পশু পৰিবহণৰ বাবে যাবতীয় নথিপত্ৰও নাছিল। এনে দুৰ্ব্যৱস্থা আৰু নথিপত্ৰৰ অভাৱ সত্ত্বেও মাজনিশা চেলেংহাট আৰক্ষীয়ে বাহনখন মুকলি কৰি দিয়ে, যি ঘটনাৰ পিছত আৰক্ষীৰ ভূমিকা সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। প্ৰণিধানযোগ্য যে এনে অবৈধ গাহৰি সৰবৰাহৰ ফলত স্থানীয় পশুপালকসকলৰ আৰ্থিক ক্ষতি হ'ব। বিশেষকৈ বজাৰত বিলাতী প্ৰজাতিটোৰ দাম কম হোৱাৰ বাবে, গুণগত মানৰ অভাৱত থলুৱা প্ৰজাতিৰ গাহৰি পালক সংকটত পৰে। ঘটনাটোক লৈ সচেতন ৰাইজে কঠোৰ ব্যৱস্থাৰ দাবী জনাইছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যুদ্ধসদৃশ পৰিস্থিতৰ মাজতে চৰ্চাত

সকলো ব্যৱস্থা দেশত গ্ৰহণ কৰা হৈছে। আনকি বাতিল কৰা হৈছে অতি জনপ্ৰিয় আই পি এল। অসমতো পৰিছে দেশত উদ্ভৱ হোৱা যুদ্ধসদৃশ পৰিস্থিতিৰ প্ৰভাৱ। সেয়ে বাতিল কৰা হৈছে বিহু উৎসৱ বা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আদি। মুঠতে দেশ আগত। দেশৰ স্বাৰ্থ আগত। ইয়াৰ মাজতে নগাঁও জিলাৰ বেবেজীয়া অঞ্চলত সম্পন্ন হোৱা এখন বিবাহে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কিয়নো দেশৰ এনে পৰিস্থিতিৰ বাবেই এই বিয়াখন নিৰ্ধাৰিত দিনৰ পূৰ্বেই আগুৱাই পাতিবলগীয়া হয়। জিলাখনৰ সৰ্বত্ৰে এতিয়া এই বিয়াখনক লৈ চৰ্চা চলাৰ মূল কাৰণটো হৈছে এই বিয়াখন সম্পন্ন হৈছে দেশমাতৃৰ হকে সেৱা আগবঢ়াই অহা এজন দেশপ্ৰেমী সৈনিকৰ । জানিব পৰা মতে, নেপাল সীমান্তত কৰ্মৰত নগাঁৱৰ কন্দলী অঞ্চলৰ 'গগৈ' উপাধিৰ এইজন এছ এছ বিৰ জোৱানে বিভাগীয়ভাৱে ছুটী লৈ কৰ্মস্থলীৰ পৰা নিজৰ বিয়াৰ বাবে ঘৰলৈ আহিছিল। বেছ আশা লৈ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় আৰম্ভ কৰাৰ বাবে বিবাহৰ শুভ দিন-বাৰ ঠিক কৰি প্ৰস্তুতিত নামি পৰিছিল জোৱানজন। কিন্তু এনে সময়তে উদ্ভৱ হ'ল ভাৰত-পাকিস্তানৰ মাজৰ যুদ্ধসদৃশ পৰিবেশৰ। দেশ ৰক্ষাৰ স্বাৰ্থত বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষৰ পৰা জোৱানজনলৈ জৰুৰী নিৰ্দেশ আহিল যে তৎক্ষণাৎ তেওঁ পাক সীমান্তত যোগদান কৰিব লাগে। এনে নিৰ্দেশ পাই অলপো বিচলিত নহ'ল দেশমাতৃৰ সাহসী জোৱানজন। একপ্ৰকাৰে দেশ মাতৃৰ আহ্বানত তেওঁৰ বাবে গৌণ হৈ পৰিল বিবাহৰ দিন, বিবাহৰ লগ্ন। সেয়ে দেশমাতৃৰ সেৱা তথা দেশপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি তেওঁ পৰিয়ালৰ লোকৰ লগতে কইনা ঘৰৰ সৈতে আলোচনা কৰি সিদ্ধান্ত ল'লে নিজৰ বিয়াখন আগুৱাই পতাৰ। সেই অনুসৰি আজি নিৰ্ধাৰিত বিবাহৰ ক্ষণ, লগ্ন বাদ দি নগাঁৱৰ বেবেজীয়াৰ মাহৰিআটিত থকা শিৱ মন্দিৰত জাকজমকতা পৰিহাৰ কৰি অনুষ্ঠুপীয়াকৈ মাংগলিক ৰীতি-নীতি মাজেৰে বিবাহ সম্পন্ন কৰিলে জোৱানগৰাকীয়ে। এনেদৰে দেশমাতৃৰ বাবেই নিজৰ স্বাৰ্থ ত্যাগ কৰি আগতীয়াকৈ বিবাহ সম্পন্ন কৰি কাইলৈ যুদ্ধৰ উত্তেজনা বিৰাজ কৰা অঞ্চলত কৰ্মত যোগদানৰ বাবে দৰাৰূপী এছ এছ বিৰ এই দেশপ্ৰেমী জোৱানজন ৰাওনা হ'ব বুলি জানিব পৰা গৈছে।

---

# ছিপাঝাৰত পঞ্চায়ত নিৰ্বাচনে শক্তিশালী কৰিলে অগপৰ সাংগঠনিক ভেটি!

**ই-সংবাদ, পশ্চিম দৰং, ৯ মে':** ৰাজ্যত পঞ্চায়ত নিৰ্বাচন শেষ হ'ল। দৰঙৰ ছিপাঝাৰতো শান্তিপূৰ্ণভাৱে সমাপ্ত হ'ল পঞ্চায়ত নিৰ্বাচন। কিন্তু এই নিৰ্বাচনে ছিপাঝাৰত আঞ্চলিকতাবাদী অগপ দলক যেন শক্তিশালী কৰাত বিশেষভাৱে সহায়ক হ'ল। কিয়নো এসময়ত অগপৰ অভেদ্য দুৰ্গ আছিল ছিপাঝাৰ। সমষ্টিটোৰ পৰা চাৰিবাৰকৈ অসম বিধানসভালৈ প্ৰতিনিধিত্ব কৰি দুবাৰকৈ কেবিনেট মন্ত্ৰিত্ব লাভ কৰা প্ৰাক্তন ছাত্ৰ নেতা তথা অগপৰ প্ৰতিষ্ঠাপক নেতা জয়নাথ শৰ্মা হৈ পৰিছিল অবিসম্বাদী নেতা। ছিপাঝাৰত য'তেই জয়নাথ শৰ্মা উপস্থিত হয় ত'তেই মানুহৰ সোঁত বয়। কিন্তু নেতাজনৰ এক সাংসাৰিক জটিলতাৰ কাৰণে সমষ্টিবাসীয়ে বিচৰা ধৰণে সময় আৰু লগ দিব নোৱাৰাত ৰাইজে অনিচ্ছা সত্ত্বেও অৱশেষত বিকল্প নেতাৰ কথা চিন্তা কৰিবলৈ বাধ্য হৈ পৰে। যাৰ বাবে অগপ নেতৃত্বই ছিপাঝাৰত জয়নাথৰ বিকল্প নেতা এগৰাকী আৱিষ্কাৰ কৰিবলৈ ব্যৰ্থ হোৱাত অগপৰ দুৰ্গ ছিপাঝাৰত দলটোৰ ভেটি খহিবলৈ ধৰে। দলৰ তৃণমূল পৰ্যায়ৰ নেতা-কৰ্মী, সমৰ্থক-শুভাকাংক্ষীসকলে জয়নাথৰ অৱৰ্তমানত ভৱিষ্যৎ সুৰক্ষিত স্থানৰ বাবে অনিচ্ছা সত্ত্বেও যাক য'তে পায় সেই দলৰ ছাঁত আশ্ৰয় ল'বলৈ বাধ্য হয়। কিন্তু ৰাজনীতিৰ পথাৰত এগৰাকী চতুৰ আৰু সুদক্ষ ষ্ট্ৰাইকাৰ খেলুৱৈ হিচাপে চিহ্নিত জয়নাথ শৰ্মাই অসমবাসীৰ তেজ-মঙহেৰে গঠন কৰা অগপ আৰু ২০ বছৰে মৰম দিয়া ছিপাঝাৰৰ ৰাইজক এৰি শান্তিৰে টোপনি মাৰিব নোৱাৰি পুনৰ ছিপাঝাৰৰ ৰাইজৰ মাজলৈ দৌৰি আহি অগপৰ প্ৰাণ প্ৰতিষ্ঠাত আত্মনিয়োগ কৰে। সমষ্টিটোৰ ঠায়ে ঠায়ে মন্থন বৈঠক অনুষ্ঠিত কৰি অগপক আগুৱাই নিয়াৰ মন্ত্ৰণা চলায়। নিজৰ আপোন নেতাগৰাকীক পুনৰ ওচৰত পাই আগৰ খং, অভিমান এৰি নেতাজনৰ ওচৰ চাপে আৰু ছিপাঝাৰত অগপৰ লেকাম হাতত ল'বলৈ আহ্বান জনায়। এনে সময়ত পূৰ্বতে জয়নাথ শৰ্মাৰ লগত থকা সকলোখিনি মানুহেই অন্য দলৰ ছাঁৰ পৰা ওলাই আহি আকৌ জয়নাথ শৰ্মাৰ লগ লগাত সমষ্টিটো পুনৰ অগপক প্ৰতিষ্ঠা তথা প্ৰাণ দিয়া বুলি ক'ব পাৰি। ইফালে এইবেলি পঞ্চায়ত নিৰ্বাচনত ছিপাঝাৰ সমষ্টিত চাৰি জিলা পৰিষদ সমষ্টিৰ বৰদৌলগুৰি-দুমুনিচকী জিলা পৰিষদ সমষ্টি আৰু আঞ্চলিক পঞ্চায়তৰ পাঁচখন আসন অগপই মিত্ৰজোঁট বিজেপিৰ লগলাগি প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাত সমষ্টিটোত অগপৰ পতাকা উৰিবলৈ লোৱাৰ লগতে মানুহৰ মাজত অগপৰ নাম সঘনাই উচ্চাৰিত হয়। পঞ্চায়তৰ ফলাফল অগপৰ ভাল হ'ব বুলি নেতাসকলে ক'ব খোজে যদিও অগপৰ বাবে পঞ্চায়ত নিৰ্বাচনে যেন দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত বিশেষভাৱে সহায়ক হয়। জানিব পৰা মতে পঞ্চায়ত নিৰ্বাচনৰ ফলাফলৰ পিছতেই ২০২৬ ৰ বিধানসভা নিৰ্বাচনলৈ কঁকালত টঙালি বান্ধি উঠিপৰি লাগি পৰিব অগপ। অকল এয়েই নহয় ছিপাঝাৰ সমষ্টি অগপক এইবাৰ মিত্ৰজোঁটে এৰি দিয়াৰ বাবেও দাবী জনাব বুলি প্ৰকাশ। ইতিমধ্যে জয়নাথ শৰ্মাক ছিপাঝাৰ অগপৰ নেতা হিচাপে সকলোৱে মানি লৈ ২০২৬ ত ছিপাঝাৰ পুনৰুদ্ধাৰৰ মন্ত্ৰণা চলোৱা বুলি প্ৰকাশ। অৱশ্যে খেৰ-কুটা গোটাই ভেটি বান্ধি ঘৰ সাজি লোৱা বিজেপিয়ে ছিপাঝাৰৰ আসনখন অগপক এৰি দিয়ে নে ৰাজনৈতিক কৌশলেৰে বিজেপিৰ হাততে ৰাখে তাক এতিয়াই ক'ব নোৱাৰি।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ‘প্ৰাক্-আধুনিক অসমীয়া লিপি, সাঁচিপাতৰ পুথি অধ্যয়ন’ বিষয়ক এদিনীয়া কৰ্মশালা সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ৯ মে':** ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ প্ৰন্থাগাৰৰ সহযোগত 'প্ৰাক্ আধুনিক অসমীয়া লিপি আৰু সাঁচিপাতৰ পুথি অধ্যয়ন' বিষয়ক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ডঃ দুলুমণি ডেকাই আঁত ধৰা কৰ্মশালাখন উদ্বোধন কৰে গ্ৰন্থাগাৰিক ডঃ প্ৰশান্ত কুমাৰ ডেকাই। ভাষণত ডেকাই কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰালত থকা সা-সুবিধাৰ লগতে পাণ্ডুলিপি শাখাৰ সা-সুবিধা সম্পৰ্কে ব্যক্ত কৰে লগতে এনে কৰ্মশালা অনুষ্ঠিত কৰাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰে। উপ-গ্ৰন্থাগাৰিক ডঃ গৌৰীশংকৰ কৰ্মকাৰে প্ৰাচীন পুথিসমূহৰ সংৰক্ষণ আৰু অধ্যয়নৰ অনুশীলন কৰিবলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ আগবঢ়ায়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ধনজিৎ তালুকদাৰ। তালুকদাৰে 'প্ৰাক্ আধুনিক অসমীয়া লিপি আৰু সাঁচিপাতৰ পুথি অধ্যয়ন' বিষয়ত বিতংভাৱে তথ্যভিত্তিক জ্ঞান দিয়াৰ লগতে পুৰণি পুথিৰ লিপ্যন্তৰ সম্পৰ্কে বিতং জ্ঞান দিয়ে। কৰ্মশালাত বিশিষ্ট অতিথি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক কনক চন্দ্ৰ চহৰীয়াই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি লিপি, পুৰণি পুথিৰ পাঠ সমীক্ষা, সমীক্ষকৰ দায়িত্ব, অনুলিপিকাৰৰ দায়িত্ব সম্পৰ্কে তত্বগধুৰ ব্যাখ্যা আগবঢ়ায়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ডঃ ববী দাউদুং লাংথাছাই শলাগৰ শৰাই আগবঢ়ায় আৰু কৰ্মশালাত অসমীয়া বিভাগৰ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ প্ৰায় অৰ্ধশতাধিকগৰাকীতো অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## বেৰভাংগীত নিৰ্বাচনোত্তৰ হিংসা, দুটা পক্ষৰ মাৰপিটত ৬জন লোক আহত

ই-সংবাদ, গোলকগঞ্জ, ৯ মে': ধুবুৰী জিলাৰ গাছপাৰা জিলা পৰিষদৰ অন্তৰ্গত বেৰভাংগী গাঁও পঞ্চায়তৰ চাৰি নং ৱাৰ্ডত যোৱা নিশা নিৰ্বাচনোত্তৰ মাৰপিটত দুই পক্ষৰ ছয় জন লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, ৱাৰ্ডটোৰ সদস্য পদত চাৰিজন প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হয়। ইয়াৰে আয়েসা ছিদ্দিকা আৰু নাৰ্জিনা খাতুনৰ মাজত তীব্ৰ প্ৰতিদন্দ্বিতা হয়। নিৰ্বাচনৰ দিন ঘোষণাৰ দিনৰে পৰা দুয়ো বিভিন্ন প্ৰকাৰে ভোটাৰক আকৰ্ষণৰ চেষ্টা চলায়। নিৰ্বাচনৰ আগনিশা দুয়োপক্ষৰ মাজত কাজিয়া হয়। এটা পক্ষই আনটো পক্ষৰ বাইক কাঢ়ি নিয়ে। যোৱা নিশাও ইয়াক লৈ বেৰভাংগী তৃতীয় খণ্ড গাঁৱত দুটা পক্ষৰ মাজত বাক বিতণ্ডা হয়। বাক বিতণ্ডা তীব্ৰ মাৰপিটৰ ৰূপ লয়। মাৰপিটত দুই পক্ষৰ ছয় জনকৈ লোক গুৰুতৰ ভাবে আহত হয়। আহতসকল গাওঁখনৰ ক্ৰমে জহিৰুল ইছলাম (৪৮), আছমা বিবি (৩৫), আমিনুৰ ইছলাম (৫৫), আবু বক্কৰ ছিদ্দিক (২৬), আবু তাহেৰ ছিদ্দিক (১৯) আৰু মতিয়ৰ ৰহমান (৪৬)। আহতসকলক নিশাতে বেৰভাংগী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়।

## উত্তৰ শালমাৰাত চিআৰপিএফ জোৱান দুৰ্ঘটনাত নিহত

**ই-সংবাদ, অভয়াপুৰী, ৯ মেঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাত কালি বিয়লি বাইক দুৰ্ঘটনাত চি আৰ পি এফ জোৱান এজন থিতাতে নিহত হোৱা ঘটনাই শোকৰ ছাঁ পেলাইছে অঞ্চলটোত। জানিব পৰামতে, উত্তৰ শালমাৰাৰ উজানপাৰাৰ অবিবাহিত যুৱক তথা চি আৰ পি এফত কৰ্মৰত ৰূপজ্যোতি ৰায়ে কালি বিয়লি ৫-৩০ মান বজাত এ এছ ১৯ এন/৮৯৬০ নম্বৰৰ বাইক এখনেৰে বঙাইগাঁৱলৈ ৰাওনা হৈছিল কিন্তু বাখলগাঁও পাওঁতে পথৰ সংকেত চিহ্ন থকা খুটিত বাইকখনে খুন্দা মাৰে। ততাতৈয়াকৈ ৰূপজ্যোতিক বঙাইগাঁৱৰ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। জানিব পৰামতে, ৰূপজ্যোতিয়ে ছুটীত ঘৰলৈ আহিছিল যদিও দেশৰ যুদ্ধকালীন পৰিস্থিতিৰ বাবে আজি জম্মুলৈ ৰাওনা হোৱাৰ কথা আছিল। কিন্তু দেশ মাতৃক সেৱা কৰিবলৈ যাবলৈ যো-জা চলাই থকাৰ সময়তে জোৱানজনে দুৰ্ঘটনাত এনেদৰে প্ৰাণ বিসৰ্জন দিবলগীয়া হয়।

## গোৱালপাৰাত বজ্ৰপাতত এজনৰ মৃত্যু

**ই-সংবাদ, শিমলীতোলা, ৯ মে':** গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত বাকাইটাৰী নবিলাবড়ি গাঁৱৰ বিপুল ৰয় (৬৫) নামৰ এজন লোকৰ বজ্ৰপাতত মৃত্যু হয়। জানিব পৰা মতে সন্ধিয়া ৬ বজাত নিজ বাসগৃহত গোহালিত গৰু বান্ধি থকা সময়ত হঠাতে মেঘৰ গাজনিত বজ্ৰ পৰি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা পৰিয়ালৰ লোকে প্ৰত্যক্ষ কৰে। লগে লগে স্থানীয় ৰাইজৰ সহযোগত পৰিয়ালৰ লোকে মাটিয়া চিকিৎসা কেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসকে মৃত্যু হোৱা বুলি জনায়। বিপুল ৰয়ৰ পৰলোকপ্ৰাপ্তিত অঞ্চলজুৰি শোকৰ ছাঁ বিৰাজ কৰিছে।

# দৰিদ্ৰতাক নেওচি খলিহৈৰ মেধাৱী ছাত্ৰ অমন প্ৰধানৰ চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ

**ই-সংবাদ, দুমুনিচকী, ৯ মে' :** নিজৰ অধ্যৱসায় আৰু সাধনা থাকিলে শৈক্ষিক দিশত কৃতিত্ব অৰ্জন কৰাৰ ক্ষেত্ৰত দৰিদ্ৰতা আৰু পাৰিবাৰিক সমস্যা বিশেষ হেঙাৰ হ'ব নোৱাৰে। এই বাক্যশাৰীক সত্য হিচাপে প্ৰতিষ্ঠা কৰিলে ছিপাঝাৰৰ খলিহৈ-কুৰুৱা অঞ্চলৰ টেকেলীয়া কুৰ গ্ৰেণ্ট (১ নং শুক্তাগুৰি) নিৱাসী জগত প্ৰধানৰ একমাত্ৰ পুত্ৰ অমন প্ৰধানে। আৰ্থিক দৈন্যআৰু পত্নীৰ জটিল শাৰীৰিক অসুস্থতাত অতি দুখ-কষ্টৰ মাজেৰে পুত্ৰ অমনক পিতৃ জগত প্ৰধানে খলিহৈ অঞ্চলৰ একমাত্ৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় "খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়"ত নামভৰ্তি কৰায় আৰু তাৰ পৰাই অমনে বিগত ২০১৭ চনৰ মেট্ৰিক পৰীক্ষাত ডিষ্টিংচন নম্বৰসহ কৃতিত্বৰে উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ ৰামানুজন একাডেমী, বাইহাটা চাৰিআলিত অতি মনোযোগেৰে পঢ়া-শুনা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত ২০১৯ চনত কৃতিত্বৰে উত্তীৰ্ণ হৈ ২০২০ চনত অনুষ্ঠিত সৰ্বভাৰতীয় নীট পৰীক্ষাত সফলতা লাভ কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত অধ্যয়ন কৰি চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰে। অমন প্ৰধানৰ এই সফলতাৰ খবৰ পায়েই পৰিয়ালবৰ্গ, আত্মীয়-স্বজন, শিক্ষাগুৰুবৃন্দ, টেকেলীয়া কুৰ গ্ৰেণ্ট, খলিহৈ আৰু কুৰুৱা অঞ্চলৰ শুভাকাংক্ষী ৰাইজে উষ্ম অভিনন্দন আৰু আন্তৰিক শুভকামনা জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# নেশ্যনেল মাষ্টাৰ্ছ গেমছত শিৱসাগৰৰ সাফল্য

**ই-সংবাদ, গেলেকী, ৯ মে':** হিমাচল প্ৰদেশৰ ধৰমশালাত চুপাৰ মাষ্টাৰ্ছ গেমছ এণ্ড স্প'ৰ্টছ ফেডাৰেচনৰ দ্বাৰা আয়োজিত সপ্তম ৰাষ্ট্ৰীয় ৩৫+ মাষ্টাৰ্ছ গেমছত শিৱসাগৰ জিলাৰ খেলুৱৈয়ে উল্লেখযোগ্য সফলতা লাভ কৰিছে। ২০-২২ এপ্ৰিলৰ ভিতৰত ধৰমশালাৰ চিন্থেটিক এথলেটিক্স ট্ৰেকত অনুষ্ঠিত এই প্ৰতিযোগিতাত শ্বটপুট, ডিস্কাছ, ৰিলে দৌৰ, খোজকঢ়া, জেভলিন থ্ৰ' আদি বিভিন্ন ইভেণ্টত শিৱসাগৰৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। মহিলা শাখাত পিংকীমণি গগৈ (৩৫), মাৰ্জিনা বেগম (৪৫), হেমলতা কুৰ্মী (৪৫), অনিমা গগৈ (৪৫), মন্দিৰা গগৈ (৪৫), মধুস্মিতা নেওগ (৫৫), গীতি শইকীয়া (৬০), সন্ধ্যা বুঢ়াগোহাঁই (৬০), পুষ্পা গগৈ (৬০), ৰেনু বৰগোহাঁই (৬০), বিনুপ্ৰভা গগৈ (৬০) আৰু ৰীমা শইকীয়া (৪০)ই নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। আনহাতে, পুৰুষ শাখাত মান্না কুমাৰ গগৈ (৫৫), অনিল নেওগ (৬০), কৃপানাথ গগৈ (৬০), লুহিত গগৈ (৬০), ৰজনী চেতিয়া (৬৫), জিতেন্দ্ৰ গগৈ (৬৫), অনিত বৰা (৬৫) আৰু ৰুদ্ৰেশ্বৰ বৰা (৭০)ই অংশ লৈ বিভিন্ন ইভেণ্টত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে। খেলুৱৈসকলৰ এই সাফল্যই শিৱসাগৰ জিলাৰ নাম উজ্জ্বল কৰি তুলিছে।

# লাভলীনাক 'অসম সমন্বয় বঁটা' প্ৰদান শিমলুগুৰি বিহু সমিতিৰ

**ই-সংবাদ, গেলেকী , ৯ মে':** বৃহত্তৰ শিমলুগুৰি আঞ্চলিক বহাগী বিদায় উৎসৱত অৰ্জুন বঁটা প্ৰাপক লাভলীনা বৰগোহাঁইক এই বঁটা প্ৰদান কৰা হয়। বৃহত্তৰ শিমলুগুৰি আঞ্চলিক বহাগী বিদায় উৎসৱ উদযাপন সমিতিয়ে প্ৰদান কৰে এই বঁটা লাভলীনা বৰগোহাঁইক। ৭ মে' আৰু ৮ মে'ত দুদিনীয়াকৈ অনুষ্ঠিত বৃহত্তৰ শিমলুগুৰি আঞ্চলিক বহাগী বিদায় উৎসৱত লাভলীনা বৰগোঁহাই লৈ "অসম সমন্বয় বঁটা" ২০২৫ প্ৰদান কৰে বৃহত্তৰ শিমলুগুৰি আঞ্চলিক বহাগী বিদায় উৎসৱ উদযাপন সমিতিয়ে। বঁটা লাভ কৰি যথেষ্ট উৎসাহিত হয় লাভলীনা বৰগোহাঁই। অনাগত সময়ত অসমৰ হৈ কাম কৰি যোৱাৰ কথা সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে লাভলীনাই।




আইপিএল ২০২৫: যুদ্ধ উত্তেজনাৰ বাবে আইপিএল স্থগিত হোৱাৰ পিছত লক্ষ্ণৌৰ একানা ষ্টেডিয়ামৰ বাহিৰৰ দৃশ্য

## পাকিস্তানী জেভেলিন থ্ৰ'ৱাৰ আৰ্ছাদৰ আমন্ত্ৰণক লৈ বিতৰ্ক

# যুদ্ধ উত্তেজনাৰ বাবে স্থগিত নীৰজৰ 'এনচি ক্লাছিক' প্ৰতিযোগিতা

**মুম্বাই, ৯ মে':** ভাৰত-পাকিস্তান সীমান্তত অব্যাহত থকা উত্তেজনাৰ মাজতে ২৪ মে'ৰ পৰা আৰম্ভ হ'বলগীয়া 'নীৰাজ চোপ্ৰা ক্লাছিক' প্ৰতিযোগিতাখন স্থগিত ৰাখিছে অলিম্পিকৰ স্বৰ্ণ পদক বিজয়ী জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই। বেংগালুৰুৰ কাণ্টেৰাভা ষ্টেডিয়ামত বিশ্ববিখ্যাত জেভেলিন থ্ৰ'ৱাৰসকলে অংশগ্ৰহণ কৰাৰ পৰিকল্পনা আছিল। যদিও প্ৰথমে হাৰিয়ানাৰ পঞ্চকুলাত অনুষ্ঠিত হোৱাৰ কথা আছিল, পিছলৈ জে এছ ডব্লিউ স্প'ৰ্টছৰ সহযোগত ইয়াক বেংগালুৰুলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হয়। বিশ্ব এথলেটিকছ সন্থাইও এই এদিনীয়া অনুষ্ঠানত অনুমোদন জনায়। কিন্তু সাম্প্ৰতিক পৰিস্থিতিৰ বাবে এই প্ৰতিযোগিতা পিছুৱাই দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। ছ'চিয়েল মিডিয়াত এই খবৰটো নিজেই ঘোষণা কৰিলে নীৰজে। নীৰজে ইনষ্টাগ্ৰামত লিখিছে, 'বৰ্তমানৰ পৰিস্থিতিৰ বাবে এন চি ক্লাছিক পৰৱৰ্তী জাননী পৰ্যন্ত পিছুৱাই দিয়া হৈছে। বহু চিন্তা আৰু বিবেচনাৰ অন্তত এই সিদ্ধান্ত লোৱা হৈছে। আমি খেলুৱৈ, অংশীদাৰ, আৰু বহল সমাজৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিওঁ। আমি বিশ্বাস কৰোঁ যে খেলৰ মাজত মানুহক একত্ৰিত কৰাৰ ক্ষমতা আছে। কিন্তু এই মুহূৰ্তত আমাৰ মূল কৰ্তব্য দেশৰ কাষত থিয় দিয়া। আমি সদায় আমাৰ ভাৰতীয় সেনাৰ লগত আছো, যিসকলে ফ্ৰণ্ট লাইনত যুঁজি আছে।" লগতে প্ৰতিযোগিতাৰ নতুন সূচী উপযুক্ত সময়ত ঘোষণা কৰা হ'ব বুলিও তেওঁ কয়। ইয়াৰ পূৰ্বে ভাৰত-পাকিস্তান সংঘাতৰ সময়ত নীৰজে নিশা নিজৰ এক্স হেণ্ডেলত লিখিছিল, 'সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া আমাৰ সাহসী সৈনিকসকলৰ বাবে আমি গৌৰৱান্বিত। এই পৰিস্থিতিত আমিও নিজৰ দায়িত্ব পালন কৰি সুৰক্ষিত হৈ থাকোঁ আহক।' মন কৰিবলগীয়া যে এই প্ৰতিযোগিতালৈ পাকিস্তানী জেভেলিন তাৰকা তথা বন্ধু আৰ্ছাদ নাদীমক নিমন্ত্ৰণ কৰাৰ বাবে নীৰজে তীব্ৰ বিতৰ্কৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁ আৰু তেওঁৰ পৰিয়ালকো অনলাইনত অপমান কৰা হৈছিল। কিন্তু ২২ এপ্ৰিলত পেহেলগামত আক্ৰমণৰ পিছত নীৰজে স্পষ্ট কৰি দিছিল যে আৰ্ছাদ ভাৰতলৈ অহাৰ কোনো সম্ভাৱনা নাই, কাৰণ দেশৰ স্বাৰ্থই প্ৰথম স্থান লাভ কৰে। তেওঁ কয় যে দেশৰ প্ৰতি মোৰ প্ৰেমক লৈ প্ৰশ্ন উত্থাপন হোৱাত মই দুখী।

# মহানুভৱতা, অঘৰীক সৎকাৰ কৰিলে বিধায়ক লৰেন্স ইছলাৰীয়ে

ই-সংবাদ, কোকৰাঝাৰ, ৯ মে: কোকৰাঝাৰ জিলাৰ বালাজান তিনালীৰ ৰাস্তাৰ কাষৰ জিৰণি চ'ৰাত আজি এগৰাকী অঘৰীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। এদম কাপোৰৰ মাজত পৰি থকা অঘৰীজনক জনৈক দনেৰাম বসুমতাৰী ওৰফে নাপেড বুলি চিনাক্ত কৰা হৈছে। ইপিনে অঘৰীজনৰ নিথৰ দেহ সৎকাৰ কৰিবলৈ কোনো নথকাত জিৰণি চ'ৰাতে পৰি থাকে। এই কথা আহুকাণে-পহুকাণে শুনি কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী ঘটনাস্থলীত উপস্থিত হয়। মানৱীয়তাৰ স্বাৰ্থত অৱশেষত বিধায়ক লৰেন্স ইছলাৰীৰ উদ্যোগত বালাজান তিনালী ব্যৱসায়ী সন্থাৰ নেতৃবৰ্গ, শ্ৰী শ্ৰী বিষ্ণু দেৱতোৰ বজাৰ উন্নয়ন সমিতিৰ নেতৃবৰ্গ আৰু বালাজান আৰক্ষীৰ সহযোগত মৃতকৰ সৎকাৰ কৰা হয়। অঘৰী জীৱন কটোৱা এগৰাকী সাধাৰণ লোকৰ প্ৰতি থকা বিধায়কৰ এনে দায়িত্বশীলতাই সাধাৰণ লোকৰ অন্তৰ চুই গৈছে আৰু বিধায়ক লৰেন্স ইছলাৰীৰ উদ্যোগক প্ৰশংসা কৰিছে।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি